অজ্ঞানৰ আন্ধাৰ বিনাশোঁ

ঢকুৱাখনা কলেজ

১৯৬৬

# অন্তৰীক্ষ

## ঢকুৱাখনা মহাবিদ্যালয় আলোচনী

চত্বাৰিংশ সংখ্যা ঃ ২০১৭-১৮ বৰ্ষ



তত্বাৱধায়ক
ড° অমল চন্দ্ৰ দত্ত

সম্পাদিকা
পলী দলে

# ঢকুৱাখনা মহাবিদ্যালয়ৰ সংগীত

কথা ঃ পূৰ্ণানন্দ গগৈ, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, ঢকুৱাখনা মহাবিদ্যালয়।

আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
পোহৰৰ গতি খেদি
অজ্ঞানৰ আন্ধাৰ ভেদি
নিতে নৱ সৃষ্টিৰ আপোন প্ৰতিভা বিকাশোঁ
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
সময়ৰ সংগতি ৰাখি
পুৰণি দুষ্কৃতি নাশি
আমি নৱ জ্ঞানৰ দিগন্ত প্ৰকাশোঁ
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
সাম্য মৈত্ৰীৰ গান ৰচি
বঞ্চিতক প্ৰাপ্য যাঁচি
ভাতৃসম বন্ধুত্বৰে
নতুন সমাজ গঢ়োঁ
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ।



# শ্ৰদ্ধাঞ্জলি



সময়ৰ সংক্ষিপ্ত ইতিহাস লিখা, বিশ্ব ব্ৰহ্মাণ্ডক চিনাক্ত কৰা, অদম্য ইচ্ছা শক্তিৰ গৰাকী -

**ষ্টিফেন উইলিয়াম হকিং**



ভাষা বিজ্ঞানী, সাহিত্যাচাৰ্য -

**প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য**



লোকসভাৰ প্ৰাক্তন অধ্যক্ষ, বাওঁপন্থী ৰাজনৈতিক নেতা -

**সোমনাথ চেটাৰ্জী**



উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ -

**শৈলেন্দ্ৰ নাথ ফুকন**



বিশিষ্ট অনুবাদক, লেখক -

**আবুল লেইচ**




টাই ভাষা সাহিত্যৰ গৱেষক পণ্ডিত -

**বিমল বৰপাত্ৰ গোহাঁই**




অসমৰ লতামংগেশকাৰ, সুকণ্ঠী গায়িকা, "চেনাইক এৰি চিৰদিনলৈ গুচি যোৱা", অনন্যা -

**দীপালী বৰঠাকুৰ**




সময়ৰ উৰ্ধ্বৰ যুগদ্ৰষ্টা, তিনিবাৰ প্ৰধানমন্ত্ৰী, কবি, ভাৰতৰত্ন -

**অটল বিহাৰী বাজপেয়ী**



ন'বেল বিজয়ী, ভাৰতীয়মূলৰ সাহিত্যিক -

**ভি. এছ. নাইপ'ল**



অসমৰ খিলঞ্জীয়াৰ হকে মাতমতা, বিশিষ্ট সাংবাদিক, লেখক -

**কুলদীপ নায়াৰ**



ধৰ্মগুৰু, সমাজ সংস্কাৰক, অসম সত্ৰ মহাসভাৰ প্ৰাক্তন সভাপতি, জকাই সত্ৰৰ সত্ৰাধিকাৰ -

**ভদ্ৰকৃষ্ণ গোস্বামী**



বাদুংদুপ্পাৰ, আণ্ডাৰ দ্য শাল ট্ৰীৰ স্ৰষ্টা, যুৱ নাট্য আন্দোলনকাৰী -

**শুক্ৰাচাৰ্য ৰাভা**



প্ৰসিদ্ধ ধৰ্মগুৰু তথা ভান্টেবাবা -

**গুণাৰান্তা মহাথেৰ**



বিশিষ্ট লেখক, প্ৰাক্তন সৈনিক -

**কৰ্ণেল মনোৰঞ্জন গোস্বামী**


জ্ঞাত-অজ্ঞাত অন্যান্য সকলোলৈকে শ্ৰদ্ধাঞ্জলি জনালো...............

# অভিনন্দন



উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ, সুযোগ্য অসম সন্তান -

**ৰঞ্জন গগৈ**




উৰন্ত অসম কন্যা, স্বৰ্ণজয়ী, অৰ্জুন বঁটা প্ৰাপক -

**হিমা দাস**




"ভিলেজ ৰকষ্টাৰ্ছ" আৰু "বুল বুল কেন ছিং"ৰ স্ৰষ্টা অসম জীয়াৰী -

**ৰীমা দাস**

লগতে গুণী-জ্ঞানী, প্ৰতিভাধৰ সকলোলৈকে......

- সম্পাদনা সমিতি

# আমাৰ শ্ৰদ্ধাৰ.....




মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° যোগানন্দ সূত

# আমাৰ শ্ৰদ্ধাৰ.....



## মহাবিদ্যালয়ৰ মাননীয় উপাধ্যক্ষ
## শ্ৰীযুত চিত্ৰ কুমাৰ কোঁচ

## বিভাগীয় তত্বাৱধায়কসকল



ড° অমল চন্দ্ৰ দত্ত,
সাহিত্য আৰু আলোচনী



যামিনী কুমাৰ শইকীয়া,
তৰ্ক শাখা



ড° পংকজ বৰা,
সাংস্কৃতিক বিভাগ



টবেন্দ্ৰ নাথ দাস,
সমাজসেৱা বিভাগ



গীতাৰ্থী বৰগোহাঁই,
ছাত্ৰী জিৰণি কোঠা



ড° কাঞ্চন গগৈ.
ক্ৰীড়া শাখা



ধ্ৰুৱজ্যোতি গগৈ,
ছাত্ৰ জিৰণি কোঠা

# অন্তৰীক্ষ

## ঢকুৱাখনা মহাবিদ্যালয় আলোচনী

চত্বাৰিংশ সংখ্যা ঃ ২০১৭-১৮ বৰ্ষ




শ্ৰদ্ধাৰে,

______________________________

সম্পাদিকা ঃ পলী দলে

# Antarikshya

40TH ISSUE, 2017-18

Annual magazine of Student's Union, Dhakuakhana College; Edited by Poly Doley, Printed at Laser Printers, Dhakuakhana-787055.

## সম্পাদনা সমিতি ঃ

ড° যোগানন্দ সূত, মুখ্য উপদেষ্টা
চিত্ৰ কুমাৰ কোঁচ, উপদেষ্টা
ড° অমল চন্দ্ৰ দত্ত, তত্বাৱধায়ক
ড° সত্য ৰঞ্জন নেওগ, উপদেষ্টা
ড° বিভাৰাণী দাস, উপদেষ্টা
গীতাৰ্থী বৰগোহাঁই, উপদেষ্টা
ৰিংকু হাজৰিকা, উপদেষ্টা
পৰিনীতা সূত, উপদেষ্টা

## EDITORIAL BOARD :

Dr. Jugananda Sut, Chief Advisor
Chitra Kr. Konch, Advisor
Dr. Amal Ch. Dutta, Prof.-in-Charge
Dr. Satya Ranjan Neog, Advisor
Dr. Biva Rani Das, Advisor
Gitarthi Borgohain, Advisor
Rinku Hazarika, Advisor
Parinita Sut, Advisor

## সম্পাদিকা ঃ পলী দলে

- বেটুপাতৰ কলাকাৰ ঃ জয়ন্ত মাধৱ দাস
- ৰঙীণ পৃষ্ঠা সজ্জা ঃ ড° অমল চন্দ্ৰ দত্ত, হিৰণ্য, প্ৰাঞ্জল
- অলংকৰণ ঃ পপিপ্ৰিয়া, জয়শ্ৰীৰাণী
- অংগসজ্জা ঃ ড° অমল চন্দ্ৰ দত্ত
- প্ৰকাশক ঃ ছাত্ৰ একতা সভা, ঢকুৱাখনা মহাবিদ্যালয়
- মুদ্ৰণ ঃ লেজাৰ প্ৰিন্টাৰ্ছ, ঢকুৱাখনা—৭৮৭০৫৫

বিঃদ্ৰঃ— লেখাসমূহৰ তথ্য আৰু মতামত লেখকৰ নিজা, যিকোনো তথ্য বিভ্ৰান্তিৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

— সম্পাদনা সমিতি



PRESIDENT,GOVERNING BODY
DHAKUAKHANA COLLEGE
DHAKUAKHANA-787055



www.dhakuakhanacollege.org • E-mail phukansn@yahoo.com Tel 94350-85615/ 80114-97676(M)

From : Dr.Sailendra Nath Phukan,
M.Sc.,Ph.D.,FAPS,FISCA,FSLW
President, Governing Body, Dhakuakhana College,
Dhakuakhana-787055, Assam.
Phone: 94350-85615

Date : 12/02/2019

To : The Magazine Secretary,
Dhakuakhana College,
Dhakuakhana, Assam

### *MESSAGE*

I am really very happy to know that Dhakuakhana College is going to publish its 40th edition of the College Magazine " *Antarikshya*" . I have gone through the former issues of the publication, which contained lots of intellectual writings by both the students and teachers, and I am sure that all these were highly acceptable and inspiring for not only the family of Dhakuakhana College, but also the entire learned society of the area and outside.

I do hope that this edition of the college magazine will also have outstanding contribution to the society, through the valued articles and illustrations included in the most prestigious publication of the college.

I express my immense pleasure and congratulate the teachers and students who are associated with this publication and lit the fire of this remarkable literacy act.

Thank you.

( Dr. S.N.Phukan)
President, Governing Body,
Dhakuakhana College, Assam

# কৃতজ্ঞতা

- ড° যোগানন্দ সূত, অধ্যক্ষ
- চিত্র কুমাৰ কোঁচ, উপাধ্যক্ষ
- ড° শৈলেন্দ্ৰ নাথ ফুকন, সভাপতি, মহাবিদ্যালয় পৰিচালনা সমিতি
- ড° অমল চন্দ্ৰ দত্ত, তত্বাৱধায়ক
- সম্পাদনা সমিতিৰ শ্ৰদ্ধাৰ উপদেষ্টা আৰু বিষয়ববীয়াসকল
- ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল
- লেখাৰে 'অন্তৰীক্ষ' সমৃদ্ধ কৰা লেখকসকল
- ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল

সম্পাদিকা
'অন্তৰীক্ষ' — চত্বাৰিংশ সংখ্যা



# অধ্যক্ষৰ মেজৰ পৰা একলম...



মহাবিদ্যালয়ৰ আলোচনীসমূহ হৈছে উচ্চ শিক্ষানুষ্ঠানসমূহৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ এক মঞ্চ। প্ৰযুক্তিবিদ্যাৰ দ্ৰুত সম্প্ৰসাৰণৰ লগত আমি সমানে খোজ মিলালেও মুদ্ৰন মাধ্যমৰ গ্ৰন্থসমূহৰ লেখন, পঠন আৰু ৰস গ্ৰহণ প্ৰক্ৰিয়াক আমি সমানে আগুৱাই লৈ যাব লাগিব। কিয়নো গ্ৰন্থ অধ্যয়নৰ স্বাদ একক আৰু অনন্য। ছাত্ৰ-ছাত্ৰী সকলৰ ভিন্ন চিন্তা-চেতনাৰ সমাহাৰেৰে ৰূপ লৈ উঠা 'অন্তৰীক্ষই' ছাত্ৰ-ছাত্ৰীসকলৰ বিশাল মনৰ পৰিচায়ক হ'ব। সাহিত্য সাধনাৰ এই পথাৰখন অধিক বিশাল হৈ উঠক। এই পথাৰখনৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলে নিজৰ চিন্তা-চেতনাক বিশ্বমুখী কৰি তোলাৰ বাবে সোপান ৰচিব পাৰিব। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যি সম্ভাৱনা দেখিবলৈ পাইছো, সেই প্ৰচেষ্টা উদিত কিৰণৰ দৰে উজ্জ্বলি উঠক।

"অন্তৰীক্ষ'ৰ অৰ্থ আকাশ। আকাশ বৰ বিশাল। আকাশৰ এই বিশালতাৰ দৰে আমাৰ মনো বিশাল হ'ব লাগে। চিন্তা চেতনাও হ'ব লাগে বিশাল। এই বিশালতাৰ মাজত থাকিব লাগে ৰাষ্ট্ৰৰ উন্নতি, সমাজৰ উন্নতি, পৰিয়ালৰ উন্নতি আৰু ব্যক্তিৰ উন্নতি। জ্ঞান তপস্বী সকলৰ মনৰ বিশালতাই জ্ঞান আহৰণত সহায় কৰিছিল আৰু তেখেত সকলৰ বিশাল জ্ঞান সম্ভাৰ সমাজৰ প্ৰগতিৰ আলোকময় পথ হৈছে।

শিক্ষানুষ্ঠান সমূহৰ আলোচনী সমূহ হৈছে তৰুণ-তৰুণী সকলৰ কলা-সাহিত্য সাধনাৰ এক উত্তম পলসুৱা পথাৰ, য'ত অংকুৰিত হ'ব সৃষ্টিৰ সেউজীয়া সপোন। অসমৰ ভালে সংখ্যক কলা-সাহিত্য, সংস্কৃতিৰ সাধকে শিক্ষানুস্থান সমূহৰ আচোলনীৰ যোগেদিয়েই আত্ম প্ৰকাশ কৰিহ পৰৱৰ্তী সময়ত নিজ নিজ ক্ষেত্ৰত সুপ্ৰতিষ্ঠিত হৈছে।

ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বাৰ্ষিক মুখপত্ৰখনি যোৱা ৩৯ বছৰে একেধাৰে জন্মলগ্নৰ পৰা প্ৰকাশ পাই আহিছে। 'অন্তৰীক্ষ'ৰ ৪০ তম সংখ্যাটি প্ৰকাশৰ যো-জা হোৱা বুলি জানিবলৈ পাই আনন্দ লভিছো। আশা ৰাখিছো ঢকুৱাখনাৰ দৰে এখন কৃষি প্ৰধান আৰু পিছপৰা অঞ্চলত ঢকুৱাখনা মহাবিদ্যালয়ৰ আলোচনী 'অন্তৰীক্ষ'ই এই অঞ্চলৰ উঠি অহা চামৰ কলা সাহিত্য প্ৰতিভা বিকাশৰ এক মাধ্যম হ'ব। এই আপাহতে ৪০ সংখ্যক 'অন্তৰীক্ষ' প্ৰকাশৰ লগত জড়িত সম্পাদনা সমিতিৰ বিষয়-ববীয়া সকলৰ লগতে ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু মহাবিদ্যালয় পৰিয়ালৰ সদৌটিকে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

নৱ-নৱ সৃষ্টিৰে নতুন চিন্তাৰে উদ্ভাসিত হৈ উঠক ঢকুৱাখনা মহাবিদ্যালয়।
পুনৰ সকলোৰে প্ৰতি ধন্যবাদ জ্ঞাপন কৰিলো।

(ড° যোগানন্দ সূত)
অধ্যক্ষ
ঢকুৱাখনা মহাবিদ্যালয়

# সম্পাদকীয়





**শিক্ষা আৰু আমি ঃ**

একবিংশ শতিকাৰ আধুনিক সমাজখনৰ চৌদি জ্ঞান, প্ৰযুক্তিবিদ্যা, আকাংক্ষা আৰু জনসংখ্যা আদিৰ বিস্ফো দেখিবলৈ পোৱা গৈছে। ফলত মানুহৰ আৰ্থ সামাজি ক্ষেত্ৰখনলৈ দ্ৰুত পৰিৱৰ্তন ঘটিল। সামাজিক জীৱনত দে দিয়া পৰিৱৰ্তনে শিক্ষাৰ ক্ষেত্ৰখনতো পৰিৱৰ্তন দাবী কৰে তাৰ ফলত আমাৰ দৃষ্টিভংগীৰো পৰিৱৰ্তন সাধন ঘটিছে।

সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন সাধনত শিক্ষাই এ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। শিক্ষাই সমাজৰ গ্ৰহণযো উপাদানবোৰ গ্ৰহণ কৰি অপ্ৰয়োজনীয় অংশবোৰ ত্যাগ কৰা সহায় কৰে। শিক্ষা আমি দুই ধৰণে পাব পাৰো। দেখি শি আৰু লেখি শিকা। লেখি শিকাতকৈ যদি দেখি শিকো তেতি আমাৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি পায়। সেয়েহে আমি ভ্ৰমণ জড়িয়তে বা ব্যৱহাৰিক ভাৱে কামবোৰ কৰি চাইও জ্ঞান লা কৰিব পাৰো। শিক্ষা কেৱল পাঠ্যক্ৰমৰ মাজতে সীমাবদ্ধ নহ ইয়াৰ পৰিসৰ বহল। আমাৰ কিছুমান অভিভাৱকে ল'ৰা ছোৱালীৰ পৰীক্ষাত অধিক নম্বৰ পোৱাৰ ওপৰতহে গুৰুত্ব দিয়ে। সেইটো নাভাবে যে তেওঁলোকৰ সন্তানে কি বিচাৰে কিয় পৰীক্ষাত নম্বৰ কমকৈ পাইছে। অভিভাৱক সকলে পৰীক্ষাত নম্বৰ বেছি পোৱাতকৈ কিমান জ্ঞান আহৰণ কৰিব পাৰিছে বা সন্তানে প্ৰকৃত শিক্ষা লাভ কৰিছেনে নাই সেইয়াহে চাব লাগে।



শিক্ষাৰ ভিতৰত আমি সাহিত্য চৰ্চা, চিত্ৰ অংকন, বিভিন্ন ধৰণৰ কলা প্ৰদৰ্শন, নৃত্য-গীত আদিকো সামৰি ল'ব পাৰো। ইবোৰ একোটা শিল্পৰ লগতে শিক্ষাও। চিত্ৰাংকন হৈছে শিক্ষাৰ এটা অংগ। যিকোনো এটা বস্তুৰ চিত্ৰ অংকন কৰিবলৈ হ'লে আমি বস্তুটোক সূক্ষ্ম দৃষ্টিৰে চাব লাগিব। মহান চিত্ৰকৰ সকলে বহুতো বিশ্ববিখ্যাত চিত্ৰ অংকন কৰি থৈ গৈছে। উদাহৰণস্বৰূপে, ৰাফেলৰ বিখ্যাত ছবি 'মেৰি বিবাহ', অৱনীন্দ্ৰ নাথ ঠাকুৰৰ ছবি, যামিনী ৰায়াৰ 'অক্ষত নামাজ', লিও নাৰ্ডো দ্য ভিন্সিৰ ছবি মনালিচা' আৰু 'দ্য লাষ্ট ছাফাৰ' আদি। সেইদৰে সাহিত্য চৰ্চাৰ বাসনাই আমাক এক নতুন প্ৰেৰণা যোগাই।

শিক্ষাৰ প্ৰকৃত অৰ্থ যেতিয়ালৈকে আমি আয়ত্ত কৰিব নোৱাৰিম তেতিয়ালৈকে আচল শিক্ষা আমি পাব নোৱাৰিম। গতিকে প্ৰকৃত শিক্ষা লাভ কৰিবলৈ হ'লে আমি অধ্যয়নত সম্পূৰ্ণ মনোনিবেশ কৰিব পাৰিব লাগিব। প্ৰতিভাবান লোকৰ কাৰণে এই সুন্দৰ পৃথিৱীত মৃত্যু নাই, কাৰণ ধন-সম্পত্তিক কাঢ়ি ল'ব পাৰে কিন্তু প্ৰতিভাক কাঢ়ি নিব নোৱাৰে। যাৰ প্ৰতিভা আছে তেওঁ যদি ইচ্ছা কৰে দাৰিদ্ৰতা তাৰ কাৰণে বাধা হ'ব নোৱাৰে। আমাৰ প্ৰত্যেকৰে মাজত ইচ্ছাশক্তি থাকিব লাগিব। চৰকাৰে কিতাপৰ পৰা আৰম্ভ কৰি ইউনিৰ্ফম, মধ্যাহ্ন ভোজন, নামভৰ্ত্তিৰ মাচুল আদিলৈকে বিনামূলীয়া কৰিছে। গতিকে শিক্ষা গ্ৰহণৰ ইচ্ছা থাকিলে দৰিদ্ৰতাই হেঙাৰ নহয়। আজি আমাৰ সমাজত কণ কণ প্ৰতিভা সম্পন্ন ল'ৰা-ছোৱালীৰে ভৰি পৰিছে। এইসকলক যদি উপযুক্ত শিক্ষা দিয়াত আমাৰ সমাজখনে আৰু অভিভৱাক সকলে কৃপণালী নকৰে তেন্তে প্ৰতিভাৰ বিকাশ সাধন হ'ব। যিসকল লোক গতানুগতিক শিক্ষাৰ সুবিধাসমূহৰ পৰা বঞ্চিত তেওঁলোকৰ বাবে চৰকাৰে শিক্ষাৰ ব্যৱস্থা কৰিছে। বয়স, লিংগ, স্থান, আৰ্থ-সামাজিক মৰ্যাদাৰ প্ৰয়োজনীয়তাৰ ভিত্তিত আধুনিক প্ৰযুক্তিৰ যোগাযোগ ব্যৱস্থাৰ সহায়ত গুণগত শিক্ষা প্ৰদান কৰিব পাৰি। বৰ্তমান সময়ত আমাৰ শিক্ষা ব্যৱস্থাটো এটা দুখজনক অৱস্থাত পৰিণত হৈছে। কিছুমান এনে ছাত্ৰ-ছাত্ৰী আছে যাৰ লক্ষ্য কেৱল ডিগ্ৰী লোৱাটো আৰু চাকৰি কৰাটো। দেশৰ নাগৰিক হিচাপে আমাৰ লক্ষ্য সমাজৰ কল্যান সাধন কৰা হ'ব লাগে। আমি শিক্ষাক কেৱল নিজৰ কাৰণে নহয়, ইয়াৰ পৰা সমাজৰ কল্যাণ সাধন হয় নেকি তাক চাব লাগে। আজিৰ ছাত্ৰ হৈছে দেশৰ ভৱিষ্যৎ নাগৰিক। গতিকে ছাত্ৰ-ছাত্ৰী সকলক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি তুলিব লাগিব।

আমাৰ সমাজখন পিছ পৰাৰ প্ৰধান কাৰণ হৈছে শিক্ষা অভাৱ। চন্দ্ৰলৈ, মঙ্গল গ্ৰহলৈ যোৱাৰ সময়ত আমাৰ সমাজত এতিয়াও ডাইনী সন্দেহ, ভূত-প্ৰেত, অলৌকিক শক্তি আদিৰ দৰে অন্ধ বিশ্বাসত প্ৰচলিত হৈ আছে। শিক্ষাই অজ্ঞানতা দূৰ কৰি জ্ঞান প্ৰদান কৰে। গতিকে আমি শিক্ষিত ব্যক্তি হিচাপে নিৰক্ষৰ লোক সকলক শিক্ষা প্ৰদান কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰিব পৰো।

**বৰ্তমান সময় আৰু যুৱ-উচ্ছৃংখলতা ঃ**

আমি যিমানে শিক্ষিত হৈছো সিমানে আমাৰ মূল্যবোধ আৰু শৃংখলাবোধ কমি গৈছে। বৰ্তমান সময়ছোৱাত সমগ্ৰ বিশ্বতে ছাত্ৰ-ছাত্ৰী সকলৰ লগতে যুৱক সমাজত শৃংখলাবদ্ধতাৰ অভাৱ ঘটিছে। যুৱ উচ্ছৃংখলতাই যুৱ সমাজক হতাশা আৰু অনিশ্চয়তাত ভুগাইছে। যুৱ উচ্ছৃংখলতাৰ কাৰণে পথ দুৰ্ঘটনা, আত্মহত্যা, মাদক দ্ৰব্য সেৱন কৰা আদিৰ দৰে ঘটনা দৈনন্দিন সংঘটিত হৈছে। পুৱাৰ বাতৰি কাকতখন মেলাৰ লগে লগে হত্যা, ধৰ্ষণ, লুণ্ঠন, দুৰ্ঘটনা, মৃত্যু আদিৰ দৰে বাতৰিবোৰ পাওঁ। বিশ্বায়নৰ ফলত ন-ন বস্তু সহজে উপলব্ধ হোৱাৰ ফলত সস্তীয়া কাৰুকাৰ্যৰ প্ৰতি আমাৰ আকৰ্ষণ বাঢ়িছে আৰু বেয়াৰ দিশলৈ আমাৰ মানসিকতা খহি পৰিছে। আমি শিক্ষিত ছাত্ৰ হিচাপে আমাৰ সমাজ সমূহত চলি থকা ভাল দিশসমূহ আয়ত্ত কৰি বেয়া দিশ সমূহ বৰ্জন কৰিব লাগিব। ৰং ৰহইচত অধিক সময় ব্যয় নকৰি পৰিৱৰ্তনকামী নতুন সমাজ গঢ়াৰ দিশে ধাৱমান হ'ব লাগিব। তেতিয়াহে আমি এখন সুস্থ পৃথিৱী গঢ়ি তুলিব পাৰিম। সমাজৰ জীৱন ধাৰণ প্ৰণালীত মানৱতাবোধ জীয়াই থাকিলেহে আমাৰ ভৱিষ্যৎ সমাজখন নিৰাপদ আৰু সুৰক্ষিত হৈ থাকিব। নহ'লে যে মানৱ সমাজ ধ্বংসৰ গৰাত নপৰিব তাৰ কোনো নিশ্চয়তা নাই।

**মহাবিদ্যালয়ৰ আলোচনী যুৱ প্ৰতিভা বিকাশৰ মাধ্যম ঃ**

সাহিত্য চৰ্চা আমাৰ সমাজ ব্যৱস্থাক পৰিৱৰ্তন কৰাৰ এটা উপযুক্ত মাধ্যম। সাহিত্যিক সকল হৈছে মানৱ মনৰ কাল পাত্ৰ, দুখ-সুখ, ক্ষোভ, জীৱনযাত্ৰাৰ উপলব্ধি জগাই তোলাৰ এক বিশিষ্ট কণ্ঠ। সাহিত্য চৰ্চা কৰিবলৈও আমাক উপযুক্ত প্লেটফৰ্ম লাগে।

বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰী সকলে সাহিত্য চৰ্চাত নিজকে মনোনিবেশ কৰা দেখা গৈছে। মহাবিদ্যালয়ৰ আলোচনীখন ছাত্ৰ-ছা
সকলৰ কাৰণে নিজৰ সৃষ্টিৰাজিখিনি প্ৰকাশৰ এক উপযুক্ত মাধ্যম। গতিকে আমি যিখিনি আজৰি সময় পাওঁ সেই সময়খিনিত
আমি মবাইল, টি.ভি, কম্পিউটাৰ আদিত ব্যয় নকৰি নিজৰ সৃষ্টিশীল প্ৰতিভাক সাহিত্য চৰ্চাৰ দৰে আন আন কাম সদ্ব্যৱ
কৰিলে নিশ্চয় আমাৰ সংকীৰ্ণ মানসিকতাৰ পৰিৱৰ্তন সাধন হ'ব।

আলোচনী এখনত বিভিন্নজন লেখক-লেখিকাৰ লেখা থাকে। আলোচনীখন আমাৰ নৱ-প্ৰজন্মৰ কাৰণে দাপোণ স্বৰ
আলোচনী এখনে আমাৰ মনক আন্দোলিত কৰিব পাৰে। আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনেও আমাৰ সমাজত আলোড়
কৰিব পাৰিব। সেয়েহে লেখক-লেখিকা সকলক অনুৰোধ জনাইছো নিজৰ সুপ্ত প্ৰতিভাক বিকশিত হ'বলৈ দিয়ক। কুসংস্ক
অন্ধবিশ্বাস, অমানৱীয় কাৰ্যকলাপ বিলাকক বিনাশ কৰিবলৈ ধনাত্মক দৃষ্টিভংগীৰে তেওঁলোকৰ সৃষ্টিৰাজিক জগাই তোল
আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনে সমাজত সুস্থ বাতাবৰণ যাতে বিলাই দিব পাৰে। আমাৰ আলোচনীখনৰ পৰা যদি কোনো
কিবা এটা জ্ঞান লাভ কৰিব পাৰে আৰু সকলোৰে আকোঁৱালী ল'লে লেখক-লেখিকা সকলৰ লিখনিৰ লগতে আলোচনী
প্ৰকাশ কৰাত আমাৰ কৃতকাৰ্য হৈছে বুলি ভাবিব পাৰিম।

অসম্ভৱ বুলি একো নাই যদিহে আমাৰ প্ৰৱল ইচ্ছা শক্তি আত্মাত জন্ম হয়। নোৱাৰো বুলি আমি বৈ নাথাকি লক্ষ্য আগ
ৰাখি সকলোৰে আগুৱাই যাব লাগিব। তেতিয়া নিশ্চয় আমি আমাৰ ভৱিষ্যৎ লক্ষ্যত উপনীত হ'ব পাৰিম। মহান লোকৰ মৃ
কেতিয়াও নহয় তেওঁলোকৰ নাম যুগ যুগ ধৰি অমৰ হৈ ৰৈ যায়।

আলোচনীখনি আগতকৈ অধিক নতুনত্ব দি সজাই তুলিবলৈ আমি চেষ্টা কৰিছিলো। আমি কিমান নতুনত্ব প্ৰদান কৰি
পাৰিছো সেইয়া পাঠক সকলেহে জানিব। যান্মাসিক পদ্ধতিৰ প্ৰচলন কৰা বাবে সকলোৰে সময়ৰ অভাৱত আমি যিমান সোনকা
আলোচনীখন প্ৰকাশ কৰিম বুলি ভাবিছিলো সেইমতে নোৱাৰিলো। আলোচনীখন প্ৰকাশত অজানিতে বৈ যোৱা ভুল-ত্ৰুটিৰ বা
সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সহায়-সহযোগিতা কৰা, উৎসাহিত কৰা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ৰ লগতে শ্ৰদ্ধাৰ শিক্ষাগু
সম্পাদক সমিতিৰ সকলো বিষয়-ববীয়া, ছাত্ৰ-ছাত্ৰীসকল আৰু কৰ্মচাৰীবৃন্দ সকলোলৈকে আন্তৰিক কৃতজ্ঞতা আৰু ধন্যব
জ্ঞাপন কৰিছো।

শেষত সকলোৰে ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰি ঢকুৱাখনা মহাবিদ্যালয়ৰ আলোচনী 'অন্তৰীক্ষ'ক যাতে সকলো
আকোঁৱালী লয় তাকে কামনা কৰিলো।

পলি দলে



# সূচীপত্ৰ

## প্ৰবন্ধ


- মণিকুন্তলা ভট্টাচাৰ্যৰ "মই ডেচডিমনা হ'ব খোজো" এক সামগ্ৰীক বিশ্লেষণ/১১ — পপীপ্ৰিয়া প্ৰিয়দৰ্শিনী পাতিৰ
- বিমুদ্ৰাকৰণ আৰু গ্ৰাম্য অৰ্থনীতি/১৪ — দেৱকৃষ্ণ শৰ্মা
- ঢকুৱাখনা মহাবিদ্যালয়ৰ NSS Unitৰ বিষয়ে যৎকিঞ্চিত/১৬ — ধ্ৰুৱজ্যোতি (আকাশ) চেতিয়া, ধৰ্মেশ্বৰ নাথ
- Photosynthesis : The Green Factory of Food and $O_2$ /১৯ — Monikankanga Dutta
- Quantum theory : The best theory we ever had /২২ — Suruj Patir


## কথা শিল্প


- খহনীয়া/২৬ — মমী দত্ত
- বিন্দু /২৯ — কৰিস্মা চমুৱা
- সংকল্প/৩০ — বৰষা চুতীয়া
- অনাকাংক্ষিত/৩২ — অনিল দাস
- অনিশ্চয়তা/৩৩ — সংগীতা চিৰিং
- প্ৰাত্যহিক/৩৪ — বিজিত লাহন


## চিন্তা-বিচিত্ৰা


- অন্ধবিশ্বাস, কুসংস্কাৰ আৰু আমাৰ সমাজ/৩৫ — ড° অমল চন্দ্ৰ দত্ত
- অন্ধবিশ্বাস আৰু পৰম্পৰা/৩৮ — অংকুৰজ্যোতি দাস
- সংশয় আৰু সম্ভাৱনাৰ দোমোজাত ঢকুৱাখনাৰ জলাশয়ৰ আলংকাৰিক মাছ/৪০ — নৰেন্দ্ৰ নাথ দত্ত
- গাণিতীক ধাৰণাৰ বিকাশ/৪২ — টবেন্দ্ৰ নাথ দাস
- শিক্ষাৰ লক্ষ্য-উদ্দেশ্য আৰু সন্মুখীন হ'ব পৰা বাধা/৪৫ — বিদ্যাৱতী গগৈ
- শিক্ষা আৰু সমাজ/৪৭ — দীপশিখা চমুৱা
- পৰিৱেশ, প্ৰকৃতি আৰু মানুহ/৪৯ — দেৱজিৎ ফুকন

সূচীপত্ৰ

## কাব্য চিন্তা


- দিপালী বাইদেউ (৩০ জানুৱাৰী দিপালী বৰঠাকুৰৰ জন্ম দিনৰ শুভেচ্ছাৰে)/৫৩
- বসন্ত আৰু মই/৫৪ — ভাৰতী গগৈ
- ড° ভূপেন হাজৰিকা সোঁৱৰণীৰ স্মৃতিৰ সঁফুৰা খুলি....../৫৫ — প্ৰিয়ংকা বৰুৱা
- গুৰু/৫৬ — জয়শ্ৰী দাস
- আই/৫৭ — অনিল দাস
- মাজুলী/৫৮ — পলি দলে
- চকু মেলা আই/৫৯ — বিদ্যাৱতী পেগু
- কবিতা/৬০ — ছোনিয়া গগৈ
- আত্মাৰ অনুভৱ/৬১ — মৃদুল শইকীয়া
- নদীখন গাভৰু হ'ল/৬২ — ৰাজীৱ দাস
- মৃত্যুশৰ্য্যাত তোমাৰ আলিংগন/৬৩ — মমী দত্ত
- আকাশৰ বিশালতা/৬৪ — সংগীতা চিৰিং
- অতীত সোঁৱৰণ/৬৫ — শিখামণি দাস


## অনুভৱৰ স্বৰ


- নৈ/৬৬ — বিশ্ৰুতা মজিন্দাৰ
- অনুভৱৰ দলিচাত মোৰ 'গাঁওখন'/৬৮ — তুলিকা ৰাজখোৱা


## পৰিশিষ্ট


- সম্পাদকীয় প্ৰতিবেদন/৬৯-৮০
- মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহৰ ফলাফল/৮১-৮৫
- চূড়ান্ত পৰীক্ষাৰ ফলাফল/৮৮-৯০


তত্ত্বাৱধায়ক
ড° অমল চন্দ্ৰ দত্ত

সম্পাদিকা
পলী দলে

———০০০———





# মণিকুন্তলা ভট্টাচাৰ্যৰ "মই ডেচডিমনা হ'ব খোজো"
## এক সামগ্ৰীক বিশ্লেষণ


*❑পপীপ্ৰিয়া প্ৰিয়দৰ্শিনী পাতিৰ*
*ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ।*





**প্ৰস্তাৱনা ঃ-** 'মই ডেচডিমনা হ'ব খোজোঁ? উপন্যাসখন মণিকুন্তালা ভট্টাচাৰ্যৰ অসম সাহিত্য সভাৰ ২০০৭-০৯ বৰ্ষৰ 'কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা' বটাঁ প্ৰাপ্ত এখন উল্লেখযোগ্য গ্ৰন্থ। উপন্যাসখন অসমৰ ভ্ৰাম্যমান থিয়েটাৰৰ পটভূমিত ৰচনা কৰা হৈছে। ভ্ৰাম্যমানৰ সুদীৰ্ঘকালৰ অনেক তথ্য উপন্যাসখনত যথাযথভাৱে অংকন কৰিছে। অথেল' আৰু ডেচডিম'নাৰ ট্ৰেজিক কাহিনীৰ আধাৰত উপন্যাসখনৰ কথাবস্তুৰ পাতনি তৰা হৈছে।


**উপন্যাসখনৰ কাহিনীবস্তু ঃ-**

সময়!! খৰস্ৰোতা পানীৰ দৰে পাৰ হৈ যায়। এই সময়ৰ আঙুলিত ধৰিয়ে আগবাঢ়ি যায় আমাৰ কলা, সংস্কৃতি, সমাজখন। উপন্যাসখনৰ লেখিকাও এই সমাজৰে এগৰাকী প্ৰতিনিধি। যাৰ কলমৰ নিভাঁজ পাকত প্ৰাণ পাই উঠিছে ভ্ৰাম্যমানৰ এক ঐতিহাসিক যাত্ৰাৰ বন্দনা। ডেচডিমানৰূপী নয়নাৰ জীৱন সংগ্ৰামে আনিছে ভ্ৰাম্যমানৰ ভিতৰছোৱাৰ বাস্তৱিক স্বৰূপ। উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ নয়নাৰ চৰিত্ৰৰ উপস্থাপনে পাঠকক সেই সময়ৰ সামগ্ৰিক সমাজব্যৱস্থা ভ্ৰাম্যমান থিয়েটাৰ নাটকৰ পটভূমিলৈ লৈ যায়। সম্পূৰ্ণ এটা বছৰৰ বাবে চুক্তিবদ্ধ হোৱা পাৰ্টীৰ লোকসকলৰ মাজত হোৱা আত্মীয়তা, ভিতৰছোৱাৰ নীতি-নিয়মবোৰৰ বিষয়ে ঔপন্যাসিকে সুন্দৰকৈ উপন্যাসখনত তুলি ধৰিছে।

নৱাগতাৰূপে আগমন ঘটা নয়নাই অথেল'ৰ ডেচডিমনা হৈ উজুতি খাব লোৱাৰ দৰেই জীৱনৰ মঞ্চটো তাই উজুতি খাইছে। এজনী নৱযৌৱনা গাভৰুৰ প্ৰানচঞ্চলা স্বপ্নবোৰৰ পৰিৱতে তাই দেখিছিল মাকৰ গছত ওলমি থকা প্ৰাণহীন দেহটো, ফেনাইলৰ বিষাক্ত বিহে দংশন কৰা দীপুৰ মুখখন। বাৰে বাৰে মাকৰ শেঁতা পৰা প্ৰাণহীন মুখখনে বিতৃষ্ণা আনে জীৱনৰ প্ৰতি। ইয়াৰ সমসাময়িকভাৱে পাৰ্টীৰ আখৰাত

# বিমুদ্ৰাকৰণ আৰু গ্ৰাম্য অৰ্থনীতি

❑ দেৱকৃষ্ণ শৰ্মা
স্নাতক পঞ্চম ষাণ্মাসিক, অৰ্থনীতি বিভাগ (কলা শাখা)।




২০১৬ চনৰ ৮ নৱেম্বৰ দিনটো ভাৰতৰ অৰ্থনৈতিক পেক্ষাপটত এটা উল্লেখযোগ্য দিন। এই দিনটোতে ভাৰত চৰকাৰে সমাজৰ পৰা দুৰ্নীতি, ক'লাধন আৰু নকল মুদ্ৰাৰ পয়োভৰ ৰোধ কৰিবলৈ বিমুদ্ৰাকৰণৰ ঐতিহাসিক আৰু সাহসী পদক্ষেপ গ্ৰহণ কৰে। বিমুদ্ৰাকৰণৰ অৰ্থ হ'ল ৰাষ্ট্ৰ এখনত প্ৰচলিত কোনো এক বা অধিক শৃংখলৰ মুদ্ৰাৰ আনুষ্ঠানিক বৈধতা নোহোৱা কৰি তাৰ পৰিৰ্বতে নতুন শৃংখলৰ মুদ্ৰা প্ৰচলন কৰা। ভাৰতবৰ্ষৰ অৰ্থনীতিত বিমুদ্ৰাকৰণৰ আঁচনি এইয়াই প্ৰথম নহয়। ইয়াৰ পূৰ্বে ভাৰতবৰ্ষত ১৯৪৬ আৰু ১৯৭৮ চনত বিমুদ্ৰাকৰণৰ কাৰ্যসূচী লোৱা হৈছিল যদিও বিভিন্ন কাৰণ বশতঃ সফল ভাৱে ৰূপায়ণ সম্ভৱ নহ'ল। বিগত বিমুদ্ৰাকৰণক স্বাধীনতাৰ ৭০ বছৰ পাছত কলাধনৰ বিৰুদ্ধে গ্ৰহণ কৰা প্ৰথমটো সাহসী আৰু বলিষ্ঠ পদক্ষেপ হিচাপে অভিহিত কৰা হয়। বহুতে ইয়াক "ছাৰ্জিকেল ষ্ট্ৰাইক" বুলিও আখ্যা দিয়ে।

বিমুদ্ৰাকৰণৰ মূল আৰু প্ৰধান উদ্দেশ্য আছিল কৰ ফাঁকি ৰোধ কৰা, কাৰণ ভাৰতবৰ্ষত মুঠ জনসাধাৰণৰ প্ৰায় ২.৬ শতাংশ লোকেহে আয়কৰ প্ৰদান কৰে। কিন্তু ভাৰতৰ গ্ৰাম্য অৰ্থনীতিত নগদ মুদ্ৰাবিহীন অৰ্থনীতি ব্যৱস্থা প্ৰৱৰ্তন কিমান দূৰ সময় সাপেক্ষ আৰু যুক্তিসংগত তাক লৈ প্ৰশ্ন উদ্ভৱ হয়। নগদ মুদ্ৰাবিহীন অৰ্থনীতি হ'ল এনে এটা ব্যৱস্থা য'ত প্ৰচলিত ধাতুৰ মুদ্ৰা বা কাগজী মুদ্ৰাৰ দ্বাৰা বিত্তীয় লেনদেন কৰাৰ বিপৰীতে বৈদ্যুতিন যন্ত্ৰ অৰ্থাৎ কম্পিউটাৰ, ম'বাইল ফোন আদিৰ জৰিয়তে লেনদেন কাৰ্য সম্পাদন কৰা হয় বৈদ্যুতিন তথ্য আদান প্ৰদানৰ দ্বাৰা। কিন্তু অতি পৰম্পৰাগত আৰু সৰল বজাৰ ব্যৱস্থাৰে পৰিচালিত গ্ৰাম্য অৰ্থনীতি যাৰ এক অংশ এতিয়াও বিনিময় অৰ্থনীতি প্ৰভাৱৰ পৰা সম্পূৰ্ণভাৱে মুক্ত হব পৰাই নাই তেনেস্থলত নগদ মুদ্ৰাবিহীন অৰ্থনীতি ব্যৱস্থাই গ্ৰাম্য সমাজ জীৱনত সমস্যাৰ সৃষ্টি কৰাটো স্বাভাৱিক। আনহাতে, বিমুদ্ৰাকৰণে সৃষ্টি কৰা উচ্চ মূল্যৰ মুদ্ৰাৰ (২০০০ আৰু ৫০০ টকীয়া মুদ্ৰা) অনুপাতে পৰ্যাপ্ত পৰিমানৰ খুচুৰা মুদ্ৰাৰ অভাৱে গ্ৰাম্য বজাৰ ব্যৱস্থাৰ বিনিময় কাৰ্যত ব্যৱসায়ী আৰু গ্ৰাহকসকলক সমস্যাত পেলোৱা সততে চকুত পৰে।



গ্ৰাম্য অৰ্থনীতিত নগদ মুদ্ৰা বিহীন লেনদেন ব্যৱস্থা প্ৰচলন কৰিবলৈ যাওঁতে প্ৰথমে দেখা দিয়া সমস্যাটো হ'ল উপযুক্ত বেংক সেৱা অভাৱ। তথ্য অনুসৰি ভাৰতবৰ্ষৰ বিশেষকৈ উত্তৰ পূব ভাৰতৰ গ্ৰাম্য অঞ্চলৰ প্ৰতি তিনিজন ব্যক্তিৰ প্ৰায় এজনৰহে বেংক একাউন্ট আছে। অৰ্থাৎ এনে অৰ্থনীতিত জনসাধাৰণৰ বেংক ব্যৱস্থাৰ লগত ওচৰ সম্পৰ্কি নাই। নগদ মুদ্ৰাবিহীন অৰ্থনীতি নিৰ্মানৰ বাবে উন্নত মানৰ বেংক সেৱাৰ অভাৱ গ্ৰাম্য অঞ্চলত পৰিলক্ষিত হয়। পৰ্যাপ্ত পৰিমানৰ বিভিন্ন বাণিজ্যিক বেংকৰ শাখা, এটি.এম. আদিৰ অভাৱ আৰু গাঁওৰ জনসাধাৰণৰ অতি নিম্নমানৰ বেংক ব্যৱহাৰ অভ্যাস আদি গ্ৰাম্যঞ্চালৰ বেংক সেৱা বিকাশৰ প্ৰধান প্ৰতিবন্ধী। অন্যহাতে গ্ৰাম্য অঞ্চলত প্ৰযুক্তিবিদ্যা আৰু কাৰিকৰী কৌশলৰ ব্যৱহাৰৰ লগতে ইন্টাৰনেট ব্যৱস্থা অতি চালুকীয়া, যাৰ বাবে দ্ৰব্য আৰু সেৱাৰ ক্ৰয় বিক্ৰয়ৰ বাবে মুদ্ৰাৰ অবিহনে অন্য কোনো বিকল্প ব্যৱস্থা চিন্তা কৰিব নোৱাৰি। কাৰণ গ্ৰাম্য অৰ্থনীতিত ক্ষুদ্ৰ ব্যৱসায়ীসকলে 'Mobile banking, Credit Card, debit Card', আদি ব্যৱহাৰ কৰি দ্ৰব্য ক্ৰয় সুবিধা গ্ৰাহকক প্ৰদান কৰিব পৰা সামৰ্থ আৰু সুবিধা কিমান সম্ভৱপৰ সিও প্ৰশ্নৰ উদয় কৰে। ইয়াৰ উপৰিও গ্ৰাম্য অঞ্চলৰ প্ৰায় সংখ্যক লোকেই দৈনিক ভাৱে আয় লাভ কৰে। আৰু এই আয়ৰ দ্বাৰা তেওঁলোকে দৈনন্দিন ব্যয় কাৰ্যত সম্পাদন কৰে, যি নগদ মুদ্ৰাৰ মাধ্যমতাহ সম্ভৱ হয়। শিক্ষা আৰু কাৰিকৰী জ্ঞানৰ দিশৰ পৰা পিছপৰা গ্ৰাম্য সমাজৰ লোক সকলক মুদ্ৰাবিহীন অৰ্থনীতি ব্যৱস্থাই জটিলতাৰ মুখামুখি কৰা হৈছিল। ইয়াৰ প্ৰভাৱ পৰিলক্ষিত হয় বিগত বৰ্ষৰ মুঠ ঘৰুৱা উৎপাদন পূৰ্ব বৰ্ষতকৈ ৩ শতাংশ হ্ৰাসৰ দ্বাৰা। গ্ৰাম্য অৰ্থনীতিত বিনিময় হোৱা সম্পদ আৰু সেৱাৰ ভিতৰত কৃষিজাত সামগ্ৰী, মাছ, পশুধন, কুটীৰশিল্পজাত সামগ্ৰী আদিৰ ক্ৰয় বিক্ৰয় নগদ মুদ্ৰাৰ ব্যৱস্থাৰ অবিহনে প্ৰায় অসম্ভৱ। গ্ৰাম্য অঞ্চলত মুদ্ৰাবিহীন অৰ্থনীতিৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁঠনিৰ অভাৱ, পৰিৱহন আৰু যোগাযোগ ব্যৱস্থা দুৰ্বল। গতিকে এনে এটা অনুন্নত অৰ্থনৈতিক পৰিৱেশত ডিজিটেল লেনদেন ব্যৱস্থাৰ দক্ষতা পূৰ্ণ ব্যৱহাৰ সম্ভৱ নহয়। ভাৰত চৰকাৰে নগদ মুদ্ৰাবিহীন অৰ্থনীতি ব্যৱস্থা প্ৰৱৰ্তন কৰাত প্ৰধান কাৰণ হ'ল কৰ ব্যৱস্থাৰ উন্নতি সাধন কিন্তু গ্ৰাম্য অঞ্চলত উৎপাদিত বহুসংখ্যক দ্ৰব্য সামগ্ৰী বজাৰ ব্যৱস্থালৈ নাহে এইবোৰ পোনপটীয়াকৈ উপভোগ কৰা হয়। যি জাতীয় আয় গণনাতো সমস্যাৰ সৃষ্টি কৰে। গতিকে এনে অৰ্থনীতিত এক সৰ্বব্যাপী কৰ ব্যৱস্থা প্ৰৱৰ্তন কৰাত অসুবিধা আছে। আনহাতে ডিজিটেল লেনদেনত যথেষ্ট চাইবাৰ অপৰাধৰো সুৰঙা আছিল।

যদিও গ্ৰাম্য অৰ্থনীতি নগদ মুদ্ৰাবিহীন অৰ্থনীতিৰ আঁচনিয়ে বিভিন্ন সমস্যাৰ সৃষ্টি কৰিছে। তাৰ ভিতৰটো কিছু ধনাত্মক দিশত গ্ৰাম্য অৰ্থনীতিত প্ৰভাৱ পেলাব বুলি আশা কৰিব পাৰি। সাধাৰণতে গ্ৰাম্য অৰ্থনীতি ব্যৱস্থাত উৎপাদনী ক্ষেত্ৰবোৰত প্ৰয়োজনীয় মূলধনৰ অভৱা অতিপুৰণী কালৰ পৰাই এক সমস্যা হৈ আহিছে। যদি গ্ৰাম্য অৰ্থনীতি নগদ মুদ্ৰাবিহীন অৰ্থনীতিৰ ফলত বেংক আৰু অনান্য বিত্তীয় অনুষ্ঠান বোৰ গ্ৰাম্যঞ্চলট সম্প্ৰসাৰণ হয় আৰু জনসাধাৰণৰ মাজত এই প্ৰতিষ্ঠানবোৰ ব্যৱহাৰৰ অভ্যাস গঢ়ি উঠে। তেন্তে গ্ৰাম্য উৎপাদনী ক্ষেত্ৰবোৰত কিছুপৰিমানে হলেও মুলধন গঠনত অনুপাত বৃদ্ধি পাব। অন্যহাতে গ্ৰাম্য অৰ্থনীতিত প্ৰচলিত পৰম্পৰাগত আৰু সৰল বজাৰ ব্যৱস্থাৰ উন্নতি ক্ষেত্ৰতো নগদ মুদ্ৰাবিহীন অৰ্থনীতিয়ে সহায় কৰিব বুলি আশা কৰিব পাৰি।

সাধাৰণতে দেখা যায় যে কোনো আঁচনিৰ দ্বাৰা অৰ্থনীতিৰ অৰ্থনৈতিৰ ব্যৱস্থাৰ গাঁঠনিগত পৰিৱৰ্তন হ'লে প্ৰথম অৱস্থাত বিভিন্ন খণ্ডবোৰৰ ওপৰত বিৰোপ আৰু জটিল সমস্যাৰ সৃষ্টি হয়। কিন্তু সময় অতিবাহিত হোৱাৰ লগে লগে নতুন ব্যৱস্থাসমূহে এক সুস্থিৰ অৱস্থা লাভ কৰে আৰু অৰ্থনৈতিক আঁচনিখনে সন্তুলিত অৱস্থা লাভ কৰে। অৰ্থনৈতিক সুস্থিৰ অৱস্থা সৃষ্টিত দেশৰ চৰকাৰৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ কাৰণ গ্ৰাম্য অৰ্থনীতিত হওঁক বা নগৰীয়া অৰ্থনীতি হওঁক অৰ্থনৈতিক ব্যৱস্থা প্ৰচলনৰ বাৱে উপযুক্ত আন্তঃগাঁঠনি নিৰ্মানৰ প্ৰয়োজন হয়। সাধাৰণতে উপযুক্ত আন্তঃগাঁঠনি অভাৱ থকা গাঁওসমূহত খৰতকীয়াকৈ অথনৈতিক ব্যৱস্থা পৰিৱৰ্তনৰ চেষ্টা চলালে এশ এবুৰি সমস্যা উদ্ভৱ হোৱাটো স্বাভাৱিক। যিটো দেখা গ'ল ২০১৬ চনৰ ৮ নৱেম্বৰৰ পাচৰ ভাৰতৰ গ্ৰাম্যাঞ্চলত। ❑

# ঢকুৱাখনা মহাবিদ্যালয়ৰ NSS Unitৰ বিষয়ে যৎকিঞ্চিত

❑ ধ্ৰুবজ্যোতি (আকাশ) চে
ধৰ্মেশ্বৰ ন
প্ৰাক্তন ছাত্ৰ, ঢকুৱাখনা মহাবিদ্যাল

"ঢকুৱাখনা মহাবিদ্যালয়" চাৰিকড়ীয়া নৈৰ পাৰত অৱস্থিত এক ঐতিহ্যমণ্ডিত শিক্ষা অনুষ্ঠান। প্ৰতি বছৰে শ শ ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষা লাভৰ বাবে এই মহাবিদ্যালয়ত ভৰি দিয়েহি। মহাবিদ্যালয়খনৰ প্ৰতিজন শিক্ষাগুৰু, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু ঢকুৱাখনাবাসী ৰাইজৰ অৰিহণা লেখত ল'বলগীয়া। মহাবিদ্যালয়খনৰ অন্যান্য দিশ সমূহৰ ভিতৰত এটা উল্লেখযোগ্য দিশ হৈছে "NSS Unit"। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ বিভিন্ন মহাবিদ্যালয়ৰ "NSS Unit" সমূহৰ ভিতৰত "ঢকুৱাখনা মহাবিদ্যালয়ৰ" "NSS Unit" ৰ আছে এক বিশেষ মৰ্যাদা। ঢকুৱাখনা মহাবিদ্যালয়ত ১৯৮২ চনত পোন প্ৰথমে "NSS Unit" য়ে পাতনি মেলে। তেতিয়াৰপৰাই মহাবিদ্যালয়ৰ প্ৰতিজন "NSS Volunteer" এ "Not Me But You" ক মূল মন্ত্ৰ হিচাপে লৈ মহাবিদ্যালয়ৰ বিভিন্ন কৰ্মৰ লগতে সমাজৰ বিভিন্ন কাম কাজত নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই আহিছে।

"NSS" ৰ সম্পূৰ্ণ নাম হ'ল "National Service Scheme" অৰ্থাৎ "ৰাষ্ট্ৰীয় সেৱা আঁচনি"। এই National Service Scheme মূল মন্ত্ৰ হ'ল "Not Me But You" অৰ্থাৎ "মোৰ বাবে নহয় তোমাৰ বাবে"। এই মূলমন্ত্ৰৰ জৰিয়তে নিজ স্বাৰ্থৰ অবিহনে মানৱ সমাজৰ বাবে আগবঢ়োৱা সেৱাৰ কথাকে প্ৰতিফলিত কৰে। এই মহান মূলমন্ত্ৰটোক আগত ৰাখি ছাত্ৰ-ছাত্ৰীসকলে "ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ" (NSS) কৰ্মসূচীত অংশগ্ৰহণ কৰে।

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ (NSS) প্ৰতীকটো হ'ল উৰিষ্যাৰ "কোনাৰ্ক" সূৰ্য মন্দিৰত থকা ৰথৰ চকা"। এই প্ৰতীকৰূপী চকাই ৰাষ্ট্ৰীয় সেৱা আঁচনিয়ে (NSS) নিৰৱচ্ছিন্নভাৱে সমাজ পৰিৱৰ্তন আৰু উৎকৰ্ষৰ কাৰণে গতি কৰাকে সূচায়। NSS ৰ লক্ষ্য হ'ল "সমাজ সেৱাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব বিকাশ" অৰ্থাৎ "Development of the personality of students through community service".

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ এটা লক্ষ্য গীত আছে। সেই



গীতটো হৈছে -

## लक्ष्य गीत

उठें समाज के लिए उठें-उठें
जगें स्वराष्ट्र के लिए जगें-जगें
स्वयं सजें वसुंधरा सँवार दें
हम उठें, उठेगा जग हमारे संग साथियो
हम बढ़ें, तो सब बढ़ेंगे अपने आप साथियो
सर्मी पे आसमान को उतार दें
स्वयं सजें बसुन्धरा सँवार दें उठें.....

ঠিক সেইদৰে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অসমীয়া গীতটো হৈছে "বিশ্ব বিজয় নৱ জোৱান"।

National Service Scheme অৰ্থাৎ ৰাষ্ট্ৰীয় সেৱা আঁচনিয়ে কৰা কামবোৰ দুই ধৰণৰ। সেইয়া হৈছে Regular Activity আৰু Special Activity.

এই Regular Activity আৰু Special Activity সমূহ যে কেৱল মহাবিদ্যালয়ৰ চৌহদতে অনুষ্ঠিত কৰে তেনে নহয়। এই অনুষ্ঠানসমূহ বিভিন্ন বিদ্যালয়, অন্য মহাবিদ্যালয়, বিভিন্ন ঠাই, বিভিন্ন ধৰণৰ চৰকাৰী কাৰ্য্যালয়, বেচৰকাৰী কাৰ্য্যালয়, খেলপথাৰ আদিত বিভিন্ন কাৰ্যসূচীৰে পালন কৰি আহিছে। ইয়াৰ উপৰিও অন্য মহাবিদ্যালয়ৰ NSS Unit ৰ লগ হৈ Special Camp অনুষ্ঠিত কৰি আহিছে।

Regular Activity সমূহৰ ভিতৰত NSS Unit য়ে চৰকাৰীভাৱে অনুষ্ঠিত অনুষ্ঠানসমূহ উদ্‌যাপন কৰি আহিছে। এই অনুষ্ঠানসমূহত চৰকাৰীভাৱে পালন কৰা কাৰ্যসূচী সমূহৰ উপৰিও অনুষ্ঠানসমূহৰ লগত সংগতি ৰাখি বিভিন্ন সময়ত চাইকেল ৰেলী, শোভাযাত্ৰা, চাফাই অভিযান, সজাগতা সভা, বাটৰ নাট, বৃক্ষৰোপন আদি বিভিন্ন কাৰ্যসূচী হাতত লয়।

Special Activity সমূহৰ ভিতৰত মহাবিদ্যালয়ৰ NSS Unit য়ে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান, অন্য মহাবিদ্যালয় NSS Unit, বিভিন্ন চৰকাৰী কাৰ্য্যালয় লগ হৈ বিভিন্ন সময়ত যেনে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত বিনামূলীয়া চিকিৎসা সেৱা কেম্প, সাহাৰ্য্য বিতৰণ, ঔষধ বিতৰণ, বস্ত্ৰ বিতৰণ, সজাগতা সভা আদি অনুষ্ঠিত কৰে। ইয়াৰ উপৰিও বিভিন্ন সময়ত ৰক্তদান শিবিৰ, বিভিন্ন ঠাইত শ্ৰমদান কৰি ভগা দলং নিৰ্মাণ, আলিবাট মেৰামতি, গৰাখহনীয়া ৰোধৰ বাবে নদীৰ পাৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ, বিভিন্ন সময়ত ৰোগীক খাদ্য বিতৰণ আদি কাৰ্যসূচী হাতত লৈছে। বিভিন্ন অফিচ-কাছাৰীত চাফাই কৰ্ম, বিভিন্ন সময়ত উদ্‌যাপিত অনুষ্ঠান সমূহত চাফাই কৰ্ম, প্ৰায়েই মহাবিদ্যালয়ৰ চৌহদত চাফাই কৰ্ম কৰি পৰিৱেশটো প্ৰদূষণ মুক্ত কৰিবলৈ চেষ্টা কৰি আহিছে। এইবোৰৰ উপৰিও বিভিন্ন অনুষ্ঠান সমূহত যেনে - নিৰ্বাচনৰ সময়ত ভোট কেন্দ্ৰসমূহত, বিভিন্ন চৰকাৰী-বেচৰকাৰীভাৱে অনুষ্ঠিত অনুষ্ঠানসমূহত প্ৰতিজন Volunteer য়ে এজন সক্ৰিয় স্বেচ্ছাসেৱক হিচাপে সেৱা আগবঢ়াই মহাবিদ্যালয়লৈ সু-নাম কঢ়িয়াই আনিছে।

মহাবিদ্যালয় NSS Unit ৰ Volunteer আৰু Programme Officer সকলে বিভিন্ন সময়ত বিভিন্ন মহাবিদ্যালয়ত অনুষ্ঠিত কেম্প, ৰাজ্যিক, ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ কেম্পসমূহত অংশগ্ৰহণ কৰি বিভিন্ন পুৰস্কাৰ লগতে সু-নাম কঢ়িয়াই আনিছে মহাবিদ্যালয়লৈ। মহাবিদ্যালয়ৰ NSS Volunteer সকলযে কেৱল ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ কেম্প সমূহতে সীমাবদ্ধ আছে তেনে নহয়। মহাবিদ্যালয়ৰ প্ৰাক্তন NSS Voeunteer 'জিন্টু কলিতাই' "China on Government of India NSS youth Exchange Programme" ত চীনত অনুষ্ঠিত কেম্পত অংশগ্ৰহণ কৰিছিল।

ঢকুৱাখনা মহাবিদ্যালয়ৰ NSS Unit য়ে কেৱল অন্য মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ কেম্প সমূহতে অংশগ্ৰহণ কৰে তেনে নহয়। এই Unit য়ে বিভিন্ন সময়ত মহাবিদ্যালয়ত Special Camp অনুষ্ঠিত কৰিছে। এই Special Camp NSS Volunteer সকলৰ বাবে অতি প্ৰয়োজনীয়। এই Camp দহ দিনৰ বাবে Summer Vacations, Autuma/Winter Breaks ত Rural Areas/ Urban Slums/Harijan Basties আদিও অনুষ্ঠিত কৰি আহিছে। এই সমূহৰ উপৰিও বিভিন্ন সময়ত বৃত্তি মুখী শিক্ষা, হাতৰ কাম, প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ল'ব লগা সজাগতা আৰু সাৱধানতা আদি বিভিন্ন কৰ্মশালা অনুষ্ঠিত কৰি আহিছে। ইয়াৰ উপৰিও পাঠ্যপুথি বহিঃভূত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰি আহিছে।

NSS Volunteers সকলৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা কামৰ সময়ত পিন্ধিবৰ বাবে এটা ৰাছকোট, এটা টুপি, এটা ৰেছ, এখন ডায়েৰী প্ৰদান কৰে। সেই ডায়েৰীখনত Volunters সকলে কামৰ খতিয়ান লিপিবদ্ধ কৰিব লাগে। কিন্তু কামৰ সময়ত ৰাছকোট পিন্ধি কাম কৰা

অসুবিধাৰ বাবে নতুন সাজ পাব হিচাপে এটা T-Shirt আৰম্ভন কৰে।

ঢকুৱাখনা মহাবিদ্যালয়ৰ চৌহদটো মহাবিদ্যালয়ৰ প্ৰশাসন আৰু প্ৰাক্তন NSS Programme Officer শ্ৰীযুত যুক্তিৰত্ন শইকীয়া ছাৰ আৰু NSS Unit য়ে প্লাষ্টিক আৰু পলিঠিন মুক্ত এটা চৌহদ বুলি ঘোষণা কৰে। বৰ্তমান সময়ত পলিথিন আৰু প্লাষ্টিকবোৰ নিদিষ্ট স্থানত পেলোৱাৰ ব্যৱস্থা কৰিছে। এই ব্যৱস্থাটো মহাবিদ্যালয়ৰ লগতে অঞ্চলটোৰ বাবে শুভ লক্ষণ। এই বাৰ্তা যেন মহাবিদ্যালয়ৰ চৌহদতে আৱদ্ধ নাথাকি সমগ্ৰ অঞ্চলতে বিয়পিপৰক তাৰে কামনা কৰিলোঁ।

মহাবিদ্যালয়ৰ Indoor Stadium আৰু প্ৰেক্ষাগৃহ মাজৰ মাটি ডোখৰত Programme Officer শইকীয়া ছাৰৰ তত্ত্বৱধানত এখন থলুৱা ফল-মূলৰ বাৰী আৰম্ভ কৰে। ইয়াত বৰ্তমান বহুতো লুপ্তপ্ৰায় উদ্ভিদৰ সংৰক্ষণৰ ব্যৱস্থা কৰিছে। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ চৌহদটো সেইজীয়া কৰি ৰখাৰ উদ্দেশ্য বহুতো মূল্যৱান গছ-গছনিৰ লগতে ফল-মূলৰ গছ পুলি ৰোপন কৰিছে।

সাম্প্ৰতিক সময়ত মহাবিদ্যালয়ৰ লগতে সমাজৰ প্ৰতি মহাবিদ্যালয়ৰ NSS Unit ৰ অৱদান সকলোৱে একে মুখে স্বীকাৰ কৰিব লাগিব। NSS ৰ যি অৱদান আছে সেই অৱদানৰ অংশীদাৰ কেৱল NSS Volunteers আৰু Programme Officer যে তেনে নহয়। ইয়াৰ অংশীদাৰ মহাবিদ্যালয়ৰ পৰিয়ালৰ প্ৰতিজন সদস্য শিক্ষাগুৰু, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন শিক্ষাগুৰু, প্ৰাক্তন কৰ্মচাৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল।

বহু সময়ত একাংশ ছাত্ৰ-ছাত্ৰীয়ে এখন প্ৰমাণ পত্ৰৰ বাবে NSS ত ভৰ্তি হোৱা দেখা যায়। এইয়া NSS Unit ৰ বাবে শুভ লক্ষণ নহয়। কিছুমান ছাত্ৰ-ছাত্ৰীৰ মনত এনে এটা ধাৰণা আছে যে NSS ত ভৰ্তি হ'লে পঢ়া-শুনাত বাধা হয় এইয়া একেবাৰে অসত্য।

বৰ্তমান সময়ত বিভিন্ন মহাবিদ্যালয়ক NSS Unit ৰ যি কৰ্ম প্ৰসাৰতা বৃদ্ধি হৈছে তাৰ তুলনাত ঢকুৱাখনা মহাবিদ্যালয়ৰ NSS Unit টো আগবাঢ়ি যোৱাত ক'ৰবাত যেন বাধা আহি পৰিছে। এইটো স্বাকীৰ কৰিব লাগিব বহুতো মহাবিদ্যালয়ৰ NSS Unit তকৈ আমাৰ NSS Unit টো বহুত আগবঢ়া। এই বাধাসমূহ আঁতৰ কৰাত মহাবিদ্যালয়ৰ প্ৰশাসন তথা NSS Unit যে চকু দিয়া উচিত। এটা কথা উনুকিয়াই থোৱা ভাল NSS Volunteers সকলে কাম কৰাৰ সময়ত স্বাধীনভাৱে কাম কৰিব পাৰে তাৰ বাবে এ... পৰিৱেশ গঢ় দিব লাগে।

বৰ্তমান সময়ত বহু বিশ্ববিদ্যালয় আৰু মহাবিদ্যাল... NSS এটা বিষয় হিচাপে অধ্যয়নৰ সুবিধা আছে... উদাহৰণস্বৰূপে যোৰহাটত থকা "জে.বি. কলেজত" NSS এটা ঐচ্ছিক বিষয় হিচাপে অধ্যয়নৰ সুবিধা আছে। ঠি... সেইদৰে আমাৰ মহাবিদ্যালয়টো NSS এটা বিষয় হিচাপে অধ্যয়নৰ ব্যৱস্থা কৰিবৰ বাবে মহাবিদ্যালয়ৰ প্ৰশাসনৰ দৃষ্টি গোচৰ কৰিলো। যদি NSS এটা নিৰ্দিষ্ট বিষয় হিচাপে অধ্যয়ন সুবিধা কৰে তেন্তে মহাবিদ্যালয়ৰ NSS Unit য়ে এটা সুকীয়া মাত্ৰা পাব।

মহাবিদ্যালয়ৰ এনে বহু ছাত্ৰ-ছাত্ৰী আছে যি শিক্ষা গ্ৰহণৰ লগতে সমাজৰ প্ৰতি কাম কৰাৰ এক মানসিকতা পুহি ৰাখে। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ NSS Unit টো হৈছে সমাজৰ প্ৰতি কাম কৰাৰ এক সুন্দৰ ক্ষেত্ৰ। এইয়া বহু ছাত্ৰ-ছাত্ৰীৰ বাবে সমাজৰ প্ৰতি কাম কৰিবলৈ ওলাই অহা প্ৰথম খোজ।

সদৌ শেষত ঢকুৱাখনা মহাবিদ্যালয়ৰ প্ৰতিজন Volunteers য়ে অনাগত দিনত Not Me But You ক মূল মন্ত্ৰ হিচাপে লৈ মহাবিদ্যালয়ৰ লগতে সমাজৰ প্ৰতি কাম কৰি যাওঁক এয়ে কামনা কৰিলো। ❑





◆ প্ৰবন্ধ ঃ সালোক সংশ্লেষণ

# Photosynthesis : The Green Factory of Food and $O_2$

*Monikankanga Dutta*
*B.Sc. 3rd Semester*
*Dept. of Botany*

*"The sun shines, we breath, plants suck sunlight and carbondioxide which in turn is used to create food and water for us to eat and drink and oxygen for us to breath."*

**Introduction** :

Photosynthesis is the single most important physico-biochemical process of the earth on which the existance of life depends. It is the ability of green plants only to utilise the energy of light to produce carbon containing organic material from stable inorganic matter by the process photosynthesis. In simple terms, the photosynthesis can be defined as the formation of carbon containing compounds from carbon dioxide ($CO_2$) and water ($H_2O$) by illuminated green cells, water and oxygen being the by-products. The simplest equation for photosynthesis is –

$$6CO_2 + 6H_2O \xrightarrow[\text{Chlorophyll}]{\text{light}} \underset{\text{(Carbohydrate)}}{C_6H_{12}O_6} + 6CO_2$$

**Historical background of Photosynthesis** :

The study of photosynthesis began in 1771 with observations made by the English clergyman and scientist **Joseph Priestley**. Priestley had burred a candle in a closed container untill the air within the container could no longer support combustion. He then placed a spring of mint plant in the container and discovered that after several days the mint had produced some substance that enabled the confined air to again conbustion. In 1779, the Dutch Physician Jan Ingenhouz expanded upon Priestley's work showing that the plant had to be exposed to light if the combustible substance (ie oxygen) was to be restored. He also demonstrated that this process required the

presence of the green tissues of the plant. Again in 1779 Ingenhouz put a plant and a candle into a transparent closed space. He allowed the system to stand in sunlight for two or three days. This assured that the air inside was pure enough to support a candle flame. But he didn't lit the candle. Then, he covered the closed space with a black cloth and let it remain covered for several days. When he tried to light the candle it would not light. From this he concluded that somehow the plant must have acted in darkness like the animal. It must have breathed, fouling the air. And in order to purify the air plants need light. In this way many scientist carried out different types of experiment in order to find out the real fact of photosynthesis. From 350 BC to 2006 AD different scientists gave their opinion about the history, mechanism, importance of this process, etc.

**Mechanism of the Process Photosynthesis :**

It is an oxidation reduction process in which water is oxidised and carbondioxide is reduced to carbohydrate level, the water and oxygen being by products. The reduction of $CO_2$ to carbobydrate level needs assimilatory powers such as ATP and NADPH + $H^+$. The process of photosynthesis consist of two phases - one light dependent phase and other is light independent phase. The empirical quation represnting the total process of photosynthesis for oxygen evolving organisms was $CO_2 + H_2O \xrightarrow{light} [CH_2O] + O_2$

where $[CH_2O]$ represented a carbohydrate (eg: glucose, a six carbon sugar). Again microbiologist Cornelivs Van Niel who based on his studies of purple and green bacteria, demonstrated that photosynthesis is essentially a light dependent reaction-in which hydrogen from a suitable oxidisable compound reduces carbon dioxide to carbohydrates. This can be expressed by :

$$2H_2A + CO_2 \xrightarrow{light} 2A + CH_2O + H_2O.$$

In green plants $H_2O$ is the hydrogen donor and is oxidised to $O_2$. Some organism don't realease $O_2$ during photosynthesis when $H_2S$ instead is the hydrogen donor for purple and green sulpher bactoria, the 'oxidation' product is sulpher or sulphate depending on the organisms and not $O_2$. Hence it is inferred that the $O_2$ evolved by the green plant comes from $H_2O$, not from carbondioxide. Now the equation that represent the mechanism of photosynthesis process is therefor

$$6CO_2 + 12H_2O \xrightarrow[Chlorophyll]{light} C_6H_{12}O_6 + 6H_2O + 6O_2$$

where $C_6H_{12}O_6$ represent glucose.

**Factors affecting Photosynthesis :**

The process photosynthesis is affected by different factors. These factors are both internal and external. The plant factors include the number, size, age, orientain of leaves, mesophyll cells, chloroplast, internal $CO_2$ concentration and the amount of chlorophyll. These internal factors are dependent on the genetic predisposition and the growth of plant. The external factors would include the availability of sunlight, temperature, $CO_2$ concentration and water. In plant photosynthesis all these factors will simultaneously affect the rate. Hence, though several factors interact and simultaneously affect photosynthesis or $CO_2$ fixation. Usually one factor is the major cause or is the one that limits the rate. Hence at any point the rate of photosynthesis will be determined by those external and internal factors.



**Importance :**


It would be impossible to over estimate the importance of photosynthesis in the maintenance of life on Earth. If photosynthesis ceased, there would soon be little food or other organic matter on earth. Most organism would disappear, and in time Earth atmosphere would become nearly devoid of gascous oxygen. Photosynthesis allows autotrophs to produce their food, which is then used to sustain other organisms in the food web. The myriad of food web that we see in the entire world is based on the abundance of autotrophs. The ratio of oxygen and carbon dioxide in the environment depends on autotrophs. Keeping up with all the carbon dioxide we provide. Carbohydrates are the most important direct organic product of photosynthesis in the majority of green plants. Not only carbohydrates, but also amino acids, and proteins, lipids or fats and other organic components of green tissues are synthesized during photosynthesis. Human being are more benefitted during the whole process. First it makes possible for plants to survive, since almost the entire food chain depends on plant matter either directly or indirectly, life as we know it would come to an end without photosynthesis. This process use carbon dioxide from the atmosphere, water and light to create sugars that nourish plants. But in turn it also produces oxygen which is essential to almost all life. Since oxygen is required for cellular respiration, the process by which food is broken down into energy. Thus human beings are also solely dependent on photosynthetic plants for their oxygen requirements.

**Conclusion :**

As a whole we human get the benefit of all that food, water and yummy oxygen that photosynthesis create. At the same time, we contribute to the process in a contious cycle of dependecies. We expel lots of carbondioxide into the environment in the process of breathing, which provides some of the necessary components for photosynthesis to create more food, oxygen and water. Every thing is conneted in the process. The sun shines, we breath, plants suck sunlight and carbondioxide which in turn is used to create food and water for us to eat and drink and oxygen for us to breath. And the cycle continous for as long as the sun shines.❑


**References :**

1. Arumugam, N & *et al* : Plant physiology; Saras Publication.
2. Hopking, W.G. & *et al* : Introduction to plant physiology.
3. Jain, V.K. : Fundamentals of plant physiology; S. Chand.
4. Khare, S. : Plant physiology; Sunshine Publication.
5. Salisbury & Rao : Plant Physiology.



# Quantum theory : The best theory we ever had

*Suruj Patir*
*B.Sc. 3rd Sem.*
*Dept. Physics*




**INTRODUCTION :**

The idea of Quantum mechanics was originated by Heisenberg, Schrödinger and Dirac *et al*, in 1920.Actually the thinking about the quantum phenomenon was started since the time of Max Plank's law of black body radiation (1901). Feynmen in 1940, discovered a powerful approach to quantum mechanics, which has wide applications in the relativistic case. Feynmen's treatment for the non relativistic case however is equivalent to the standard quantum mechanics.

It is worth while that the laws of thermodynamics and classical laws of electricity and magnetism provide the basis for explaination of all phenomena in classical physics. Classical mechanics explained successfully the motion of objects which are directly oservable or observable with the help of instruments like microscope. But in case of the objects like electrons and other elementary particles are not observable even with the help of the instruments, classical concepts cannot be applied.

Thus the phenomena in the realm of atoms and nuclei are commonly referred as quantum phenomena, and subject matter concerning all these phenomena constitutes what is called quantum physics and the basic mathematical theory of quantum physics is known as quantum mechanics. Actually all of physics is quantum physics. The laws of quantum physics are now treated as most general laws of nature.



<u>**Limitation of classical mechanics**</u> :

"Accelerated charged particle radiates energy in the form of electromagnetic waves." Therefore, if we consider the case of an electron (a negatively charged particle) moving round the nucleus of an atom, its energy should decrease and therefore, its velocity should decrease continuously. Ultimately the electron comes closer and closer to the nucleus until it collapses, ,which is the case of instability of the atom. Thus the classical mechanics fails to explain the stability of atoms. Later on Neil Bohr minimized this classical limitation by introducing quantum theory in his atom model.

The classical mechanics also failed to explain the hydrogen spectrum. Classical theory said that the excited atoms of hydrogen emit electromagnetic radiations of all mavelengths continuously, while it is observed that they emit the radiations of a certain wavelenths only. Thus from the begining of 20th century a few renouned scientists, viz Max Plank, Max Born, Schrödinger, Heisenberg *et at* started the new era of physics known as quantum physics. This branch of physics is now scattered in various branches of science and technology, e.g. Quantum optics, Quantum electronics or opto electronics, Non-linean optics Quantum gravity, etc.

**MATHEMATICAL FORMULATION :**

The mathematical formulation of quantum mechanics are abstract. A mathematical function, the warefunction, provides all information about the probability amplitude of position, momentum and other physical properties of a particle. One of the most important lessons from quantum mechanics is that we have to completely rewrite our conception of a 'particle'. Instead of picturing a hard, solid, preise point in space and time, scientists now see a particle as a cloud of fuzzy probabilities, with those probabilities describing where we might find the particle when we look for it. But until we perform a measurement, we can't exactly know everything we would like to know about the particle. And those fuzzy probalities apply to more than just the position of a particle. A lot of fuzziness also attaches to a particle's speed, angular momentum, spin and so on. These fuzzy probalities are known as quantum states. They are meat mathematical equations that summarize all the probabilities of the particle property we want to probe.

**SAILENT FEATURES OF QUANTUM MECHANICS:**

**a. Virtual Particles** : According to quantum mechanics, some tiny brust of energy pop in and out of existence randomly. We like to imagine that 'empty space' is empty, but it is not. Empty space is full of energy. And randomly, a pair of particles will pop into existence out of that energy. One of those particle is made up of matter, and one of them is antimatter. When matter and antimatter touches each other, they annihilate each other and explode with a huge brust of energy, and then dissappears. A billionth of a second or so after they appear, virtual particles will crush into each other and cease to exist. It is the basis of formation of matter in the "big bang theory", which explains the birth of

◆ চুটিগল্প —১

# খহনীয়া

মমী দত্ত
স্নাতক পঞ্চম যান্মাসিক, অসমীয়া বিভাগ




প্রত্যেক বাৰৰ দৰেই এউবাৰো সি আহিছিল এটা উল্লাসিত মন লৈ আৰু আগৰকেইবাৰৰ দৰেই এইবাৰো এবুকু বিষাদ লৈ উভটিছিল কৰ্মস্থলীলৈ। সি বিচৰা মাটিৰ গোন্ধে এবাৰো তাক হাত বাউল দি মতা নাছিল। নামঘৰৰ কাষতে থকা শেৱালীজোপাও কিবা আচহুৱা ধৰণেৰে গোন্ধাইছিল। সি ভবাই নাছিল যে তাৰ সেই শৈশৱৰ দিনবোৰ কেতিয়াবাই ক'ৰবাত হেৰাই গ'ল।

তেনেতে লগৰ অধ্যাপক প্ৰতুলে মাত দিয়াত প্ৰসন্ন উচ্‌প খাই উঠিল।

"কিহে প্ৰসন্ন, গাঁৱৰ পৰা আহি যে এশ এবুৰি চিন্তাত ডুবি আছা? কিবা বেয়া খবৰ নাইতো"?

নাই নাই, আচলতে মই অফিচৰ কিবা কথাহে ভাবি আছিলো। সেইবুলি কৈয়ে প্ৰতুলে হাঁহি আঁতৰি গ'ল। সিহঁত দুয়োটা বিশ্ব বিদ্যালয়ত একেলগে পঢ়া। প্ৰতুল চহৰৰ ল'ৰা। গাঁৱলীয়া কথাবোৰৰ উমান নাপায়। আৰু আজি দুয়োটাই একেখন কলেজতে অধ্যাপনা কৰে।

সদ্যহতে প্ৰসন্নই মিছা নামাতে। নামাতে মানে, সেই ল'ৰালিতে এদিন মিছা কথা কৈ যি শাস্তি পালে, সেই ভুল আৰু সি দ্বিতীয়বাৰ নকৰে। স্কুলীয়া দিনতে লগৰ ল'ৰাৰ লগত দেৱেশ্বৰৰ বাৰীত মনে মনে সোমাই মধুৰী খাওঁতে গছৰ পৰা পৰি ভৰিত আঘাত পোৱা কথা মিছা মাতোতে দেবেশ্বৰৰ মুখেৰে শুনি সেই ভৰিৰ ঘাঁ ডোখৰতে দেউতাকে চেকনিৰে কোবোৱা দৃশ্যটো মনত পৰিলেই মিছা কথা ক'বলৈ তাৰ মনতো কোঁচ খাই যায়। কিন্তু সি আজি সহজেই প্ৰতুলৰ আগত মিছা মাতিলে উপায় নাই। গাঁৱৰ পৰিৱেশত খেলি-ধূলি, গাঁৱৰ মাটি-পানীৰ গোন্ধ লৈ ডাঙৰ হোৱা হ'লে আজি প্ৰতুলেও বুজিলে হেঁতেন যে কিছুমান বস্তু হেৰাই গ'লে অন্তৰত আঘাত লাগে।

গৈছিল, এইবাৰো প্ৰসন্ন আনকেইবাৰৰ দৰেই গাঁৱৰ ঘৰলৈ গৈছিল। যদিও সি চাকৰিৰ তাগিদাত কৰ্মস্থলীত ঘৰ সাজি থাকিছিল, তথাপিও গাঁৱৰ প্ৰতিটো উৎসৱে অনুষ্ঠানে কিবকৈ হ'লেও ছুটী মিলাই গাঁৱৰ ঘৰলৈ দৌৰ দিছিল। গাঁৱৰ প্ৰতি থকা একান্ত প্ৰেমৰ বাবেই গাঁৱৰে জীয়ৰী ৰুমীক বিয়া কৰাইছিল যাতে কোনো ঢৌৱে গাঁৱৰ প্ৰতিথকা তাৰ প্ৰেম, ভালপোৱাৰ ধুই নিব নোৱাৰে। ৰুমীৱেও তাৰ সেই আশাবোৰক জীপাল কৰি তুলিছিল। সেইবাবেই সি তাৰ সন্তান দুটিকো গাঁৱৰ প্ৰতি আনুগত্যশীল হ'বলৈ শিকায় আৰু সুবিধা পালেই গুৰুৱে ছাত্ৰক দিয়া জ্ঞানৰ দৰে তাৰ গাঁৱলীয়া জীৱনৰ কাহিনী সিহঁতক কৈ শুনায়। প্ৰতিবাৰেই ঘৰলৈ যাওঁতে সি আশা কৰে যেন সিহঁতেও সেই আনন্দ উপভোগ কৰিব পাৰে। কিন্তু সি প্ৰতিবাৰেই বিমুখ হৈ উভতি আহে।



পৰিৱৰ্তনশীল সময়ৰ ছাকনৈয়াত হাবু-ডুবু খাই তাৰ গাঁৱৰ মানুহবোৰো উটি যায়। সি যে অকলে ধৰি ৰাখিব নোৱাৰে। সময়ে মানুহৰ চিন্তাধাৰা সলনি কৰি থৈ যায়। কিন্তু সেই বুলি নিজৰ হাড়ে হিমজুৱে শিপাই থকা ৰীতি-নীতিবোৰ এৰি মানুহে কিদৰে এক আচহুৱা অৱস্থাত সোমাব পাৰে সেইকথা ভাবি সি আচৰিত মানে।

এইবাৰো সি ৰাস মহোৎসৱত গাঁৱৰ ঘৰলৈ গৈছিল। উদ্দেশ্য হ'ল ল'ৰা-ছোৱালী দুটাই যাতে ৰাসৰ বিষয়ে ভালদৰে জানিব পাৰে। সি চাৰিদিনৰ আগতেই গৈছিল। তাৰ প্ৰাণৰ লগত জড়িত কামবোৰত সি কিবাকৈ হলেও যোগ দিবই। ৰুমীয়েতো দিনটো এশবাৰ সুধিব ছুটী সি পাবনে নাপায়? সি তাইৰ মনৰ উমান পায়। তাৰদৰেই হয়তো ৰুমী অন্তৰতো সেই একেই উখল-মাখল অৱস্থা।

সিহঁত যেতিয়া মাক আৰু ভায়েকৰ পৰিয়াল থকা সিহঁতৰ গাঁৱৰ ঘৰ পাইছিলগৈ, তেতিয়া সিহঁতৰ ডাঙৰ চোতালখনত এখন সৰু-সুৰা মেল। সিহঁত পোৱাৰ লগে লগে মানুহ কিছুমান ঘৰা-ঘৰি গ'ল যদিও কিছুমান কিবা আলোচনাত ব্যস্ত হৈয়ে থাকিল। তাৰো মনটো ভাল লাগিল যে বহু দিনৰ মূৰত সি ইমানকেইজন গঞা ৰাইজক একেলগে নিজৰ ঘৰতে লগ পাইছে। কিন্তু সি দেখোন তেওঁলোকৰ কথাবোৰ বুজিব পৰা নাই। তাৰ মনৰ অৱস্থা বুজিব পাৰি দদায়েকে ক'লে "বোলো প্ৰসন্ন, এইবাৰ আকৌ আমি ৰাস আগৰদৰে পতা নাই। একেবাৰে নতুন চিষ্টেম, ৰাইজে একদম দেহা উবুৰিয়াই মাননি দিছে। বোলে আনা ৰাইজসকল। লাগিলে আমি দুটকা সৰহ কৈয়ে দিম। এইবেলি আকৌ বাহিৰত থকা ল'ৰাকেইটাইয়ো কিবা সংগঠন এটা খুলি গাঁৱৰ ৰাসটোলৈ পইচা পঠোৱাৰ দিহা কৰিছে বুজিছ। এতিয়া আৰু অনাৰহে কথা।"

কিন্তু দদায়েকে কি বা অনাৰ কথা ক'লে বুজি নাপায় সি বোলে দদাইদেউ কিবা মুখা-চোখা অনাৰ কথা নেকি?

হেঃ হেঃ হেঃ, ভাল হহুৱালি প্ৰসন্ন। হেৰৌ! ইমান ধুনীয়া মুখখনত মুখাৰে বা দৰকাৰ কি? একদম সতী-সাবিত্ৰীৰ দৰে বুজিলি। তহঁতৰদিনত সেই কামিনী, কাঞ্চন হঁতৰ কি অভিনয় চালি? এতিয়া তাতোতকৈও এখোপ চ'ৰা।

আচলতে কথাৰ গুৰি ক'ৰবাত। ৰাসৰ বাবে তোলা মাননিৰ টকাৰে হেনো এইবাৰ কিবা টি.ভি.চেনেলৰ ধাৰাবাহিক কৰা এগৰাকীক ৰাসত অভিনয় কৰিবলৈ মাতিছে। দিব লাগিব হেনো পঞ্চাশ হাজাৰ টকা। ৰুদ্ৰইহে তাক কথাবোৰ বুজাই ক'লে। কথা শুনি প্ৰসন্ন অবাক। আৰে! গাঁৱৰ মানুহবোৰৰ হ'ল কি? সময় পৰিৱৰ্তন হৈছে; সমাজ ব্যৱস্থাও সলনি হ'ল। অৱশ্যে পৰিৱৰ্তনৰ লগত এৰা ধৰাৰ মাজেৰে খোজ মিলাবই লাগিব। সেইবুলি নিজৰ অস্তিত্ব নিজৰ ভৰিৰে গছকি আগবাঢ়িবলৈ যোৱাতো জানো উচিত কথা হ'ব?

কথাবোৰে তাৰ চকুৰ আগত এখন চিনাকি ছবি আঁকি গ'ল। সিহঁতে সৰু হৈ থাকোতে স্কুলৰ পৰা আহিয়ে ৰাস পতা ঘৰটোলৈ দৌৰি আহে। প্ৰসন্নৰ কিন্তু বৰ ভয়, জানোচা সেই ধেপেচী পুতনা ৰাক্ষসীয়ে আহি টেটু চেপি ধৰেহি? সেইবাবে সি কেতিয়াও তালৈ অকলে নাযায়। ককাকে কোৱাৰ দৰে যদি কালিয়দমনৰ সাপডাল সঁচাকৈয়ে ওলাই আহে, তেতিয়া? তথাপিও সি যাবই আৰু ভদ্ৰ দাইটিৰ চেকনিৰ কোব খাই খাই খোলৰ তালৰ লগত হাত ভৰি মিলাই নাচিব। গধূলি হ'লেহে ঘৰলৈ আহিব। ৰাতি টিপ চাকিৰ পোহৰত মাকে বেৰত দেখে ছাঁ এটাই নাচি থাকে। পোহৰত ওলায় আৰু আন্ধাৰত নাইকিয়া হয়। অৰ্থাৎ প্ৰসন্নই অঘাসুৰ, বকাসুৰক কিতাপ পঢ়ি ঠাইতে বধ কৰে আৰু মুখেৰে উচ্চাৰণ কৰি থাকে অনৰ্গল ধিন-তাও-খিত-তাও, ধিন-ধিন-ধেই। আৰু অঘাসুৰ-বকাসুৰ বধৰ শেষত জয় ৰাম কৃষ্ণ কি জয়। তাৰ ৰাছত দেউতাকৰ এচাৰিৰ কোবত নাকে-কানে দুটামান গুজি শোৱাৰ পাটীত পৰি দেখি থাকিব অঘাসুৰ-বকাসুৰ বধৰ সপোন।

ৰাস শেষ হোৱাৰ পাছত ঔ গুৰিৰ পথাৰত গোট খাই কৃষ্ণ চূড়া গছৰ দীঘল গুটি ডাল মিট কৰি লৈ যেতিয়া তাৰ লগৰ কেশৱে কংসৰ অভিনয় দেখুৱাই কংসৰ দৰে হাঁহে, তেতিয়া মন্টুৱে মাইকীৰ মাত উলিয়াই দৈৱকীৰ বচন মাতে আৰু সিহঁতে পেটত ধৰি বাগৰি বাগৰি হাঁহে। তাৰ পাছত কেইবা দিনলৈও প্ৰসন্নই মুখেৰে উচ্চাৰণ কৰি থাকিব ধেই-খিতা-ধেই-ধিন, আৰু গোঁসাই ঘৰৰ ঢাৰিৰ কল ঠৰুৱা এৰুৱাই যোগমায়া ৰূপী ভনীয়েক মিনতিক ঘৰৰ চাৰিওকাষে খেদি লৈ ফুৰিব।

সি জানে। সেইদিন আৰু নাই। তথাপিও যেন সি সেই দিনবোৰলৈ ঘূৰি যাব। সি যেন সৰু হৈ যাব আৰু ধেনুৰ গুণ লগাবলৈ মাকৰ তাঁত শালৰ ডঙা জৰী কাটি পিতন খোৱাৰ ভয়ত আইতাকৰ লগতে ৰাতি টোপনি যাব।

নাই নাই; সি সেইবোৰ হেৰাই যাবলৈ দিব নোৱাৰে। তাৰ জীৱনৰ পৰা সকলো হেৰাই গ'লেও সি সেই স্মৃতি তাৰ অন্তৰত সাঁচি ৰাখিব। কিন্তু সি আচৰিত হয়। আজিৰ সমাজখন কিয় ইমান সলনি হ'ল। সি গাঁৱৰ পৰা আঁতৰি থকা পাঁচটা

বছৰৰ ভিতৰতে গাঁওখন ভাবিব নোৱাৰাকৈ সলনি হ'ল। সি বুজি পায়, নতুন কিছুমান পদ্ধতি অনাটো ভুল কথা হ'ব নোৱাৰে। নতুনত্বৰ সৃষ্টি কৰাটোও একো ভুল হ'ব নোৱাৰে। কিন্তু এনে ব্যৱস্থাবোৰৰ ফলত যদি নতুন প্ৰজন্মক আমি হেৰুৱাব লগা হয়। সিহঁত যদি বিপথে পৰিচালিত হয়, তেতিয়া সেই ভুল কাৰ? আমি নিজেই পোতা শূলত নিজেই ফুটি নমৰিমনে?

তাৰ মনত পৰে; আগতে ৰাস বুলিলেই গাঁৱৰে প্ৰাথমিক বিদ্যালয়খনত আবেলিৰে পৰা মূখা সজা, কাগজ কাটি কাটি বক চৰাই সজা, খেৰেৰে মেৰিয়াই সাপ বনোৱাত ল'ৰাবোৰ ব্যস্ত হৈ থাকে। সিহঁতৰ গাত ততেই নাথাকে। কেশৱে মিন্টুক শিকাই, কিদৰে মুখত কেৰাচিন লৈ কালিয়দমন নাটোতে মুখেৰে জুই উলিয়াব পাৰি। আৰু সি আহি যদি কমীক সেই কথা কয় তেতিয়া তাই টেটু ফালি কান্দিব, সেই পাগলটোৱে স্কুলখন কেতিয়াবা পুৰি পেলাব বুলি। তাৰ পাছত সিহঁতে কুঁহিলাৰে বিভিন্ন সামগ্ৰী সাজিব আৰু কোনে ৰাসৰ দিনা ক'ত দোকান দিব ঠাই মুকলি কৰি খুটি পুতি থব।

কিযে আনন্দৰ আছিল সেই দিনবোৰ। এতিয়া ল'ৰা-ছোৱালীবোৰৰ অৱশ্যে আজৰিয়ে নাই। পঢ়াৰ উপৰিও নাচ-গান শিকাৰে পৰা আদি কৰি অনেক কাম। হ'লেও গাঁৱৰ ল'ৰা-ছোৱালী হিচাপে সিহঁতৰ গাঁৱৰ ল'ৰা-ছোৱালীবোৰে ৰাস ভাওনাত উঠি পৰি লাগে। কিন্তু আজি সি ৰুদ্ৰৰ পৰা যিটো কথাৰ উমান পালে তাৰ পৰা সি বিমূৰত পৰিল। গাঁৱৰ অনুষ্ঠান বোৰতেই আচলতে সকলোৰে প্ৰতিভা বিকাশৰ সুবিধা পায়। আজিও সিহঁতৰ গাঁৱত এনে কিছুমান ল'ৰা-ছোৱালী আছে যিসকলে হেলাৰঙে যিকোনো চৰিত্ৰতে অভিনয় কৰিব পাৰে। কিন্তু অধিক পুঁজিৰ আশাত যদি বাহিৰৰ পৰা মানুহ আনি অভিনয় কৰাই, তেন্তে গাঁৱৰ ল'ৰা-ছোৱালীবোৰে নিজৰ প্ৰতিভা কেনেদৰে প্ৰকাশ কৰিব? কেনেদৰে আদবাঢ়ি যাব? সিহঁতৰ মনত গঢ় লোৱা প্ৰতিভাৰ কেনেকৈ উমান পোৱা যায়?

কথাবোৰ ভাবি প্ৰসন্ন বিমূৰত পৰিল। সি এতিয়া কি কৰিব? তাৰ বুকুখন গধূৰ হৈ আহিল। কাৰোবাক মনৰ কথা ক'ব পাৰি নেকি বুলি ভাবোতেই ভদ্ৰ দাইটি সোমাই আহিল। সি তেওঁক কথাবোৰ বিৱৰি ক'লে। এনেদৰে হ'লে গাঁৱৰ ল'ৰা-ছোৱালীবোৰ অভিনয়ৰ ক্ষেত্ৰত পিছ পৰি যাব। আপুনি তাৰ কিবা এটা উপায় চিন্তা কৰক। ভদ্ৰ দাইটিয়ে তাক কথাটো ভাবি চোৱাৰ আশ্বাস দিলে। সিও যাকে য'তে লগ পালে সকলোকে কথাবোৰ বুজালে। কিছুমানে ভাল পালে আৰু কিছুমানে তাৰ কথাত আপত্তি দৰ্শালে আৰু কথা শুনি ভাল ভালো নাপালে। তথাপিও সি বহি নাথাকিল।

নিৰ্দিষ্ট দিনত ৰাস হ'ল। ধাৰাবাহিকৰ নায়িকা আহিল দুদিনতে সমস্ত দিনৰ উখলমাখল অন্ত পেলাই গুচি গ'ল তাৰ পাছৰে পৰা, বিশেষকৈ মহিলাসকলৰ মাজত এসপ্তাহ দহদিন ধৰি আলোচনা-বোলে তাইতকৈ ধুনীয়া এজনী গাঁৱত চাগে নোলাবই। কিন্তু তেওঁলোকে যে কি হেৰুৱাবলৈ আছে সেই কথা একমাত্ৰ প্ৰসন্নৰ বাদে কোনেও এবাৰ অনুধাবন নকৰিলে।

ৰাস শেষ হ'ল। নিৰ্দিষ্ট দিনত সি পৰিয়ালৰে সৈতে কৰ্মস্থলীলৈ উভতি আহিল। কিন্তু ভৱিষ্যতৰ অনিশ্চিত এক গাঁৱৰ অন্ধকাৰময় ছবিয়ে তাক জোকাৰি গ'ল। নাই, সকলো শেষ হ'ল। সকলো হেৰাই গ'ল। তাহানিৰ দৰেই ঔগুৰি ... পথাৰখন একেই আছে। প্ৰকাণ্ড ঔ গছজোপাৰ তলত দীঘল ... দীঘল বন। ক'তো কাৰো ওম-ঘাম নাই। কোনেও তাত ... চূড়া গছপ দীঘল গুটি মিট বনাই কংস হোৱা নাই আৰু প্ৰ... হঁতৰ ঘৰৰ বেৰতো ঘূৰি ফুৰা নাই নাচি নাচি থকা এটা ... প্ৰসন্নৰ মুখৰ পৰা সৰি পৰে এটা হুমুনিয়াহ। ভৱিষ্যতৰ কি... শূণ্যই মুখ মেলি তাৰ ভাৱনা ৰুদ্ধ কৰে। হঠাৎ ৰেল ... উঠাত সি সচকিত হয়। এবা; আজি সি ছাত্ৰ সকলক ... সেই অভিজ্ঞতাৰ কথাই দুআষাৰ ক'ব। বহী থকা চকী... আঁতৰাই থৈ সি লাহে লাহে আগবাঢ়ে। সি যত্ন কৰে সকলো... খহাৰ দৰে সিওযেন খহি নপৰে সময়ৰ প্ৰচন্ন খহনীয়াত.....।□

*মাতৃভূমি আৰু মাতৃভাষাতকৈ কিবা সোৱাদ বস্তু এই পৃথিৱীত আছেনে ক'ব নোৱাৰোঁ। মানুহ যিমান কি নিজ দেশ আৰু নিজ মাতৰ পৰা আঁতৰি থাওক, হেজাৰ সি মুখেৰে স্বদেশ আৰু স্ব-ভাষা দ্ৰোহী হওক, তাৰ অন্তৰ যদি সঁচাসঁচিকৈয়ে মানুহৰ অন্তৰ হয়, তেন্তে যি মাতৃভাষা আৰু মাতৃভূমিৰ নামত দ্ৰৱণ নহৈ নোৱাৰে।*


*— ৰসৰাজ বেজবৰুৱা*



◆ চুটিগল্প —২

# বিন্দু

*কৰিস্মা চমুৱা*
*উঃমাঃ প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)*




মনত দুখ লাগিছিল যদিও পৰিবেশটো বৰ ভাল লাগিছিল। তাতে শিৱসাগৰ ..............। নামটো প্ৰায়েই শুনি থাকো। জীৱনৰ মধুৰতম দিন মেডিকেল খনিলৈ যাওঁতে বাটতে লগ পালো ৰাধিকাক। চা-চিনাকী হৈ মোৰ ৰুমলৈ গ'লো। তাইৰ পৰাই জানিব পাৰিলো বাগানখনৰ মানুহবোৰৰ কথা। তাইক মোৰ খুউব ভাল লাগিছিল, তাইৰ পঢ়াৰ প্ৰতি থকা আগ্ৰহটো দেখি। গাঁওখনত শিক্ষিত লোক তেনে নাই বুলিবই পাৰি, কৰবাত দুই এজন ওলাব পাৰে। মই মনত সেই দিনাই থিৰাং কৰি লৈছিলো, এই লোকসকলক আবেষ্টনিৰ মাজৰ পৰা শিক্ষা জগতখনলৈ নিম। কিন্তু কেনেকৈ মইতো মেডিকেল বিভাগৰহে? মই ৰাধিকাক সদায় আজৰি সময়খিনিত পঢ়াবলৈ লৈছিলো। আৰু দুই তিনিদিনৰ পিছত তাইৰ সমনীয়াখিনিক। কিন্তু মানুবোৰে পঢ়াৰ নামেই ল'ব নোখোজে। বহুতে বহুধৰণে মোক ককৰ্থনা কৰিব ধৰিছিল। তথাপিও মই হতাশ হোৱা নাছিলো। দুগুণ উৎসাহেৰে মই কামবোৰ কৰিছিলো। মই জিৰণি ল'বৰ বাবে সময় পোৱা নাছিলো।

কাৰোবাৰ বেমাৰ হলেও মেডিকেললৈ অহা নাছিল, প্ৰথমে বেজৰ ওচৰলৈ গৈছিল। যাৰ বাবে মই ঘৰে ঘৰে যাব লগা হৈছিল। বাগানৰ মালিক সকলেও কোনো দিনে মানুহখিনিক শিক্ষিত কৰিব খোজা নাছিল। তেওঁলোকৰ লাভৰ বাবে, গোলাম কৰি ৰাখিবৰ বাবে।

মোক অনবৰত লগ দিছিল ৰাধিকা আৰু তাইৰ সমবয়সীয়া ল'ৰা-ছোৱালীবোৰে, সিহঁতৰ বাবে মই কোনোদিনে অকলশৰীয়া অনুভৱ কৰা নাছিলোঁ। যুজিবলৈ সাহস পাইছিলো অন্ধবিশ্বাসৰ বিৰুদ্ধে।

ৰাতি ১২.৩০ বজাত দুৱাৰত শব্দ! মই আচৰিত হৈছিলো, ইমান ৰাতি কোন আহিল? ৰাধিকা, ইমান সৰু ছোৱালীজনীটো আহিব নোৱাৰে। তাইনো কিয় আহিব? কাৰোবাৰ বেমাৰ হ'ল নেকি? অলপ হুলস্থুলৰ মাতো মোৰ কাণত ভাঁহি আহিল। মই বিচনাৰ পৰা নামি আহিলো আৰু দুৱাৰখন খুলি দেখো কণমানি ৰাধিকা ফোপাই-জোপাই আহিছে। মই তাইক ভিতৰলৈ আনি সুধিছিলো, ইমান ৰাতি তাইৰ কি হ'ল? কিন্তু তাই উত্তৰ দিব পৰা নাছিল, দৌৰি দৌৰি অহাৰ বাবে। হুলস্থুলখিনি ভালদৰে শুনি মোৰ বুজিবলৈ বাকী নাথিকিল।

এই লোকসকল কিয় ইমান অন্ধবিশ্বাসৰ বলি হৈ আছে। গাঁৱৰ মানুহৰ ৰোগ হৈছে; সেইয়া গাঁওখনৰ পানী দূষিত হোৱাৰ বাবে। তাক বিচাৰ নকৰি ৰাধিকা মাকৰ বাবে হৈছে বুলি মাৰ-পিট কৰি জ্বলাই কিয় মাৰিব খুজিছে, ডাইনী সজাইছে?

মই আৰু ৰৈ নাথাকিলো ৰাধিকাক লগত লৈ সেইখিনি ঠাই পালোহি। মানুহগৰাকী অৱস্থা তেনেই বেয়া। মই কোনোমতে মানুহৰ মাজৰ পৰা তেওঁক আনিলো। সেই মুহূৰ্তত তেওঁলোকে মোক মাৰি পেলাব তেনে অনুভৱ হৈছিল মোৰ।


বহু কষ্ট কৰি দুজনমান গাঁৱৰ মানুহ মিলি আৰু কণ কণ ল'ৰা-ছোৱালী সকলকলৈ বাগানখনত এখন স্কুল স্থাপন কৰা হ'ল য'ত গাঁৱৰ বুঢ়া-মেথা আদি কৰি সকলোৱে পঢ়িব পৰাকৈ। শিক্ষাজগতখনলৈ গ'লেহে তেওঁলোকে বুজিব বুলি।

লাহে লাহে সকলোখিনি লোক শিক্ষাৰ প্ৰতি আগ্ৰহী হোৱা দেখিলো। অন্ধবিশ্বাস আৰু ক-সংস্কাৰ এৰি আগবাঢ়িলো আজি প্ৰত্যাশিত বাটেদি আমিবোৰ............।□

**◆ চুটিগল্প — ৩**

# সংকল্প

বৰষা চুতীয়া
একাদশ শ্ৰেণী (কলা শাখা)




টিং টিং টিং!

ৰাতি এক বজাৰ সংকেত দিলে ঘড়ীটোৱে। মৃদুল তেতিয়াও পঢ়াৰ টেবুলতে বহি পঢ়া-শুনাত ব্যস্ত। কাৰণ সি উচ্চতৰ মাধ্যমিকৰ চুড়ান্ত বৰ্ষৰ পৰীক্ষাৰ বাবে উঠি পৰি লাগিছে, মাক-দেউতাকৰ সু-পুত্ৰ হ'বৰ বাবে। আগৰ দুবাৰত সি উচ্চতৰ মাধ্যমিকৰ চুড়ান্ত বৰ্ষৰ পৰীক্ষাত ফেইল কৰাৰ বাবে মাক-দেউতাকে মানুহৰ আগত লাজ পাইছে। সেয়েহে সি এইবাৰ পৰীক্ষাত উত্তীৰ্ণ হ'বৰ বাবে উঠি পৰি লাগি সংকল্প গ্ৰহণ কৰি কঠোৰ পৰিশ্ৰম কৰিছে।

মৃদুল অত্যন্ত মেধাৱী আৰু তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ আছিল। সি হাইস্কুল শিক্ষান্ত পৰীক্ষাত চাৰিটা বিষয়ত লেটাৰ মাৰ্ক সহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। কিন্তু কলেজীয়া জীৱনত লগ সমনীয়াৰ সংগত পৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত ষ্টাৰ মাৰ্ক লাভ কৰা মৃদুলে উচ্চতৰ মাধ্যমিক চুড়ান্ত বৰ্ষৰ পৰীক্ষাত দুবাৰকৈ ব্যৰ্থ হৈছে। সি পোন প্ৰথমে কলেজলৈ যোৱা দিনৰ পৰাই নানা অসৎ বন্ধুৰ সংগ লাভ কৰি সিহঁতৰ কু-স্বভাৱবোৰেৰে পৰিচালিত হৈ এখন অন্ধকাৰ জগতৰ লগত পৰিচয় হ'বলৈ আগবাঢ়িল য'ত কেৱল অসৎ বস্তুৰহে আদান-প্ৰদান হয়।

তাৰ দেউতাক প্ৰশান্ত শৰ্মাই গাঁৱৰে এল.পি. স্কুল এখনত শিক্ষকতা কৰে। তেখেতৰ কৃতিত্বৰ বাবে তেখেতে প্ৰধান শিক্ষকৰ দায়িত্বভাৰ গ্ৰহণ কৰিব লগীয়া হৈছে। শৰ্মাই কেইবাবাৰো চৰকাৰৰ ফালৰ পৰা আদৰ্শ শিক্ষকৰ বঁটাও লাভ কৰিছে। তেখেতক প্ৰধান শিক্ষকৰ দায়িত্বভাৰ দিয়াৰে পৰা তেখেতৰ স্কুলত যাৱতীয় কাম-কাজ বৃদ্ধি পাইছে। স্কুলত যাৱতীয় কামত ব্যস্ত থকাৰ বাবে পুতেকে যে বিপথে পৰিচালিত হৈছে এই কথা তেখেতে উৱাদিহ পোৱা নাছিল। ফলস্বৰূপে মৃদুলৰ দিনে দিনে ৰাগিয়াল বস্তুৰ প্ৰতি বেছিকৈ আসক্তি বাঢ়িবলৈ ধৰিলে। অৱশেষত অৱস্থাই এনেকুৱা ফালে ঢাল ল'লে যে মৃদুলে মাদক দ্ৰব্য সেৱন কৰি মাকে আতৌ পুতৌকৈ বাঢ়ি থোৱা ভাত কেইটা খাই মাক-দেউতাকক অনেক অশ্লীল কথাকৈ অত্যন্ত দামী সামগ্ৰীৰ দাবী কৰি ব্যতিব্যস্ত কৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল। মাকে মৃদুলৰ ৰাগিয়াল বস্তু সেৱন কৰি ঘৰ সোমোৱাৰ কথা আগতে গম পাইছিল যদিও দেউতাকে মৃদুলক কটু কথা ক'ব বুলি দেউতাকক অৱগত কৰোৱা নাছিল। তেওঁ ভাবছিল যে তেওঁৰ মৰমৰ পুত্ৰই তেওঁৰ কথা শুনিব আৰু সি নিশ্চয় ভাল হ'ব। কিন্তু হিতে বিপৰীত হ'লগৈ। মাক-দেউতাকে তাক বিপথে পৰিচালিত হোৱাৰ পৰা উদ্ধাৰ কৰিবলৈ বহুত চেষ্টা কৰিছিল। শেষত তেওঁলোক ভাগৰি পৰিল আৰু সেয়ে তেওঁলোকে পুত্ৰৰ উপদ্ৰৱ সহ্য কৰি নিজৰ ওপৰতে ধিক্কাৰ দি মনে মনে থাকিবলৈ ল'লে।

দিনক দিনে মৃদুলৰ উপদ্ৰৱ টুটুক চাৰি বাঢ়িবলৈ ধৰিলে ফলত এসময়ৰ সুখৰ সংসাৰত অৰাজকতাই দেখা দিলে। তাৰোপৰি উচ্চতৰ মাধ্যমিকৰ চুড়ান্ত বৰ্ষৰ পৰীক্ষাত যেতিয়া সি দুবাৰ ফেইল কৰিলে তেতিয়া মাক-দেউতাকৰ আশা নিৰাশাত পৰিণত হ'ল। তেখেতসকলে সুখৰ মুখ দেখিবলৈ ব্যাকুল হৈ পৰিছিল। প্ৰথমে দেউতাকে মৃদুলৰ কথা আগতে নজনোৱাৰ বাবে মাকক খং কৰিছিল।

সেইদিনাও মৃদুলে আনদিনাৰ দৰে নিৰ্দিষ্ট সময়ত মাদক দ্ৰব্য সেৱন কৰি আহি মাকে আতৌ পুতৌকৈ বাঢ়ি থোৱা ভাত কেইটা খাই বিচনাত পৰিছিলহে মাত্ৰ তেনেতে আনটো কোঠাত মাক-দেউতাকৰ কৰুণসিক্ত বাৰ্ত্তালাপ আৰু উচুপনি তাৰ কাণত পৰিছিল। সি নিচাৰ মাজতে মাক-দেউতাকৰ কথোপকথন শুনিবৰ বাবে ব্যগ হৈ পৰিছিল।

দেউতাকে মাকক কৈছিল যে-"ঈশ্বৰে আমাক সন্তান দিব খোজা নাছিল আমি তাতে সন্তুষ্ট হৈ থাকিব লাগিছিল। তুমি অপুত্ৰক হৈ থাকোতেই সুখ আছিল। কিন্তু তুমি, তুমিয়েতো সন্তান এটা তুলি লোৱাৰ বাবে আশা কৰি বাৰম্বাৰ অনুৰোধ কৰিছিলা।

"তোমাৰ নিশ্চয় মনত আছে যিদিনা মই বজাৰলৈ যাওঁতে ডাষ্টবিনৰ পৰা সেই নিথৰুৱা শিশু মৃদুলক আমাৰ সন্তান বুলি পৰিচয় দিছিলো, তুমি সিদিনা আনন্দত আত্মহাৰা হৈ পৰিছিলা। আমাৰ সন্তান দেখি ঈশ্বৰে নিশ্চয় সহ্য কৰিব পৰা নাছিল। তাৰ ফলতেই সি আমাৰ নাক-কাণ কটালে। সকলো মানুহেই আমাক ঘৃণাৰ দৃষ্টিৰে চোৱা হ'ল। এনেকুৱা ঘৃণিত সন্তান নোহোৱা হ'লেই ভাল আছিল। শেষৰ ফালে দেউতাৰ মাতটো খঙত কঁপি উঠিছিল। দেউতাৰ কথাত মাকে চিঞৰি কৈছিল, "তাৰ বিষয়ে আৰু মোক বেয়াকৈ নক'ব। ডাষ্টবিনত পৰি থকা হ'লেও বৰ্তমান মৃদুল মোৰ ল'ৰা। তাক মই কেচুঁৱাৰ পৰাই বুকুৰ উম দি ডাঙৰ-দীঘল কৰিছো। তাৰ বিষয়ে ইমান বেয়াকৈ ক'বলৈ আপোনাৰ মন যায়নে?

শেষত মৃদুলে মাক-দেউতাকৰ উচুপনিৰ বাহিৰে আন একো শুনা নাছিল। বেদনাৰ জ্বালাত কোৱা মাক-দেউতাকৰ কথাবোৰ শুনি মৃদুলৰ নিচা কৰ্পূৰৰ দৰে উৰি গ'ল। তাৰ দুচকুৰে পাৰ ভঙা প্লাৱনৰ দৰে অশ্ৰুধাৰা নিগৰি আহিল। সি দুচকুৰে ধুঁৱলি-কুঁৱলি দেখিবলৈ ধৰিলে তাৰ মূৰটো আচন্দ্ৰাই ধৰিলে। তাৰ গোটেই ৰাতি টোপনি নাহিল। সি গোটেই ৰাতি মাকৰ উচুপনিৰ বাহিৰে আৰু একো শুনা নাপালে। হয়তো মাকে সদায় এনেদৰে উজাগৰে ৰাতি উচুপি পাৰ কৰে। নাই সি আজিৰে পৰা মাদক দ্ৰব্য, লগ সংগ সকলোবোৰ ত্যাগ কৰিব। সি দেউতাকৰ সন্মান ঘূৰাই আনি মাক-দেউতাকৰ মুখত হাঁহি বিৰিঙাব। আজিৰ পৰা সি প্ৰশান্ত শৰ্মা আৰু সোণপাহিৰ প্ৰকৃত সন্তান হ'ব সি সেই দিনাই সংকল্প ল'লে।

* ২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ গল্প প্ৰতিযোগিতাত (ঘৰত লিখা) দ্বিতীয় স্থান প্ৰাপ্ত। ❑


***Science is beautiful gift to humanity; we should not distort it.***

***– A.P.J. Abdul Kalam***

◆ চুটিগল্প —৪

# অনাকাংক্ষিত

অনিল ...
ৰসায়ন বিজ্ঞান বি...



পঢ়াৰ এটা সুন্দৰ পৰিৱেশ বিৰাজ কৰি থকা লাইব্ৰেৰীত কিতাপ পঢ়ি বহুত ভাল লাগে। সেয়ে দিনটোৰ ভিতৰত মনীষে এবাৰ হ'লেও লাইব্ৰেৰীটোত এপাক সোমাই অলপ সময় পঢ়ি যায়। আজিও সি লাইব্ৰেৰীটোৰ একেবাৰে চুকত অকলশৰে মনোযোগেৰে পঢ়ি আছে। এনেতে তাৰ মনোযোগত ব্যাঘাত জন্মোৱাকৈ এটা শব্দ তাৰ কাণত আহি পৰিল। সি বাহিৰলৈ চাই দেখে- এজন ১৬-১৭ বছৰীয়া ল'ৰাই ক্ষীপ্ৰগতিত মটৰ চাইকেলখন চলাই গৈছে। সঁচাকৈ কি যে সময় আহিল। ভালদৰে পঢ়িবলৈ সুন্দৰ পৰিৱেশ এটা পাবলৈ নাই। এইবোৰে নিজেটো মৰিবই, আনকো মাৰিব। মনীষে মনতে ভাবিলে। নাই পঢ়িব নোৱাৰে আৰু তাৰ বাবে বাবে ঘৰলৈ মনত পৰিছে। আজিৰ পৰা দুবছৰ আগতেই সি ঘৰৰ পৰা বাহিৰলৈ পঢ়িবলৈ আহিছিল। আজিলৈকে সি দেউতাকক একো কথাতে আপত্তি কৰিও পোৱা নাই, কোনো ধৰণৰ জেদো ধৰা নাই। কিন্তু তাৰ ভায়েক; সি তাৰ দৰে নহয়। সি এই মাত্র মটৰ চাইকেল লৈ যোৱা ল'ৰাজনৰ দৰে একেই। যে...
তাৰ ভায়েক মেট্ৰিক পাছ কৰিছিল তেতিয়াই তাক ম...
চাইকেল লাগে বুলি দেউতাকৰ লগত জেদ ধৰিছিল। সি...
সেইবাৰ মাক আৰু তাৰ বাধাত মান্তি হ'ল।

মনীষ এজন মধ্যবিত্ত পৰিয়ালৰ সন্তান। দেউতা...
এখন হাইস্কুলৰ এজন সাধাৰণ কেৰাণী। দৰমহাৰ ...
কেইটাৰে কোনোমতে তাক আৰু ভায়েকক পঢ়াইছে। ...
বুজি পাই দেউতাকক। দেউতাকে যিবোৰ যুক্তি দি...
সেইবোৰৰ লগত সি একমত। হয়তো কি দৰকাৰ পঢ়াত এ...
অসুবিধা নোপোৱা ল'ৰা এজনক আজি এই মটৰ চাইকে...
কিনাৰ যি প্ৰতিযোগিতা চলিছে তাৰ লগত তাল মিলাবলৈ ...
সিতো ঘৰৰ পৰা বহু মাইল দূৰত থকা কলেজলৈও ...
নালাগে। আজিৰ পৰা ছমাহৰ আগতে ভায়েক...
আঁকোৰগোজত দেউতাকে তাক মটৰ চাইকেল কিনি দিব...
বাধ্য হ'ল। এতিয়া গোটেই ঘৰখনেৰে তাকলৈ চিন্তা। মনী...
এনেদৰে মটৰ চাইকেল চলোৱা ল'ৰাবোৰ দেখিলে ...
ভায়েকলৈ মনত পৰে। এইবাৰ সি মনতে ভগৱানৰ ওচৰ...
প্ৰাৰ্থনা জনালে যাতে ভায়েকৰ ক'তো একো অঘটন নঘটে। ...
এনেতে নিৰৱতা ভংগ কৰি তাৰ জেপত থকা ম'বাই...
ফোনটোৱে ভোৰ-ভোৰাই বাজি উঠিল। খবৰ পালে ভায়েক...
দুৰ্ঘটনা হৈছে। তাৰ যেন মূৰৰ ওপৰত আকাশখন খহি পৰিল...
তাৰ মূৰটো আচন্দ্ৰাই আহিল। ❑


*(২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ ঠাইতে লিখা চুটি গল্প ...
প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত)*



◆ চুটিগল্প —৫

# অনিশ্চয়তা

সংগীতা চিৰিং
স্নাতক দ্বিতীয় ষাণ্মাসিক
প্ৰাণী বিজ্ঞান বিভাগ



হঠাতে কিবা এটা শব্দ শুনি উচপ্ খাই সাৰ পাই উঠিল মনোজ। ক'ত কি হৈ গ'ল, সিচোন হাস্পতালৰ বিচনাত..। মনত পৰিল তাৰ। উঃ! ক'ত যে কি হৈ গ'ল...। জীৱনত সুখ বিচাৰি গৈ কঙালহে হ'লচোন সি। অপৰাধবোধেৰে ভৰি পৰিল তাৰ মন। কি যে ৰঙীন সপোনত ডুব গৈ থকা ল'ৰা আছিল সি... সোণাপুৰ গাঁৱতে পাৰ হ'ল তাৰ শৈশৱ, কৈশোৰ..। সি আছিল এটা অত্যন্ত মেধাৱী ল'ৰা, তাক লৈ গৌৰৱ কৰিছিল ঘৰখনে। এতিয়া সকলো ধূলিস্যাৎ হৈ গ'ল। মেট্ৰিক পৰীক্ষাত ষ্টাৰসহ উত্তীৰ্ণ হৈ প্ৰথম লখিমপুৰ কলেজলৈ গৈছিলহে সি। লগৰ ল'ৰাবোৰৰ লগত লাহে লাহে দোকানৰ পাণমচলা, বিমলৰ নিয়মীয়া গ্ৰাহক হ'বলৈ ধৰিলে, নিজকে উটাই দিলে যুৱ-উচ্ছৃংখলতাত। বাইকৰ বাবে আব্দাৰ, ম'বাইলৰ বাবে আব্দাৰ। মধ্যবিত্ত পৰিয়ালৰ মাক-দেউতাকৰ যেন চিন্তাৰ অন্ত নাই। কোনোবাই তাক কৈছিল মদ খালে হেনো দুখবোৰ পাহৰি থাকিব পাৰি, সি মদ খাবলৈ ল'লে। মদৰ নিচা, পাণমচলাৰ নিচাই তাক গ্ৰাহ কৰিবলৈ ধৰিলে...। তাক আৰু নিচা লাগে, ইমান কম নিচাই হৃদয় নুজুৰায়। মাক-দেুতাকৰ বুজনি, সমনীয়া শুভাকাংক্ষী সকলৰ সকিয়নিয়ে একো কাম নিদিলে তাক। অধিক নিচা বিচাৰি সি ড্ৰাগ্ছৰ আসক্ত হ'ল। সেয়া নহ'লে যেন তাৰ প্ৰতিটো ক্ষণেই মিছা, ধূসৰ...। এইদৰে অনিশ্চয়তাৰে পাৰ হ'ল অমূল্য সময়বোৰ..। হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাৰ ৰিজাল্ট দিছিল সেইদিনা। কলেজৰ বহুত ভাল, তিনিজন ছাত্ৰ অসমৰ ভিতৰতে শীৰ্ষ স্থান পাইছে। মাথো ফেইল কৰিলে মনোজে। কি হ'ব এতিয়া? তাৰ নামৰ আগত মেধাৱী শব্দটো কেতিয়াবাই আঁতৰি গ'ল। অতিমাত্রা ড্ৰাগ্ছ সেৱন কৰি কেতিয়ানো বাইক চলাই খালত পৰি গ'ল ক'বই নোৱাৰিলে।

কাৰোবাৰ মাতত সি পিছলৈ ঘূৰি চালে। সজল চকুৰে মাকে তাক মাতিছে, এতিয়াও সময় আছে সোণ নিজকে শুধৰোৱা....।❑

*(২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ ঠাইতে লেখা চুটি গল্প প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত)*

# প্ৰাত্যহিক

বিজিত ...
ইংৰাজী বি...




ল'ৰাটো ঘৰলৈ উভতি অহা নাই। বৰুৱানীৰ চিন্তা বাঢ়ি গৈছে। সন্ধিয়া ভাগি ৰাতি গভীৰ হ'ল। বৰুৱা এটুপি ধৰি লৈ নাক বজাইছে। সময় বাঢ়ি যোৱাৰ লগে লগে বৰুৱানীৰ চিন্তা পৰ্বতৰ ৰূপ লৈছে।

আজিয়েই নহয়-যোৱা বহুদিন প্ৰতীম পলমকৈ ঘৰ সোমাইছে। কিন্তু আজিৰ দৰে ৰাতি ১২ বাজি যোৱা নাছিল। সংসাৰৰ বেয়া চিন্তাবোৰে বৰুৱানীক জুমুৰি দি ধৰিছে। বৰুৱানী মানে প্ৰতীমৰ মাকে থিৰেৰে থাকিব পৰা নাই।

অলপ দিনৰ পৰা প্ৰতীমৰ চাল-চলনবোৰ ... হৈছে। তাৰ মুখত পোৱা মদৰ গোন্ধ, নাকৰ বাটত লাগি ... বগা পাউডাৰ, কাপোৰৰ পৰা অহা চিগাৰেটৰ গোন্ধ - ... বৰুৱানী আৰু ভাবিব নোৱাৰা হৈ যায়। 'বাপেকৰ ... অভ্যাসবোৰে পুতেককো বেয়া কৰিলে'- ভোৰভোৰাই ... প্ৰতীমৰ মাক।

২ বাজিল। নাই, প্ৰতীম অহাই নাই। মাক অস্থিৰ ... উঠিছে। বৰুৱানীয়ে গিৰীয়েকক জগাবলৈ যাবলৈ লওঁতে ... কলিং বেল বাজি উঠিল। খপ্‌জপাই দুৱাৰখন খুলি ... বৰুৱানীয়ে দেখিলে লগৰ এটাৰ সৈতে প্ৰতীম। প্ৰতীম নি... বেহুচ। লগৰটোৱে কোনো কথা নোকোৱাকৈ প্ৰতীমক ... ৰুমৰ চোফাতে শুৱাই দিলে। অহাৰ দৰেই নিশব্দে ও... যোৱা ল'ৰাটোৱে বৰুৱানীক এটা কথা সোধাৰো অৱ... নিদিলে।

পিছে প্ৰতীমৰ মুখৰ পৰা ওলোৱা উৎকট গো... সকলোবোৰ বৰুৱানীক বুজাই দিলে। তেওঁ কান্দিব খুজি... কান্দিব পৰা নাই। কান্ধত কাৰোবাৰ হাত। সেয়া বৰুৱা-প্ৰতী... দেউতাক। দুয়ো দুয়োলৈ চালে। সেই চাৱনিত এসা... বিষন্নতাৰ বাদে একো নাই। ইয়াতে ল'ড শ্বেডিং। আন্ধা... গিলি পেলালে কোঠাটোক। শিলৰ দৰে বৈ থাকিল বৰু... আৰু বৰুৱানী। নিশাৰ নিস্তব্ধতা ভাঙি দেৱাল ঘড়ীটো বা... থাকে টিক্ টিক্ টিক্। □

(২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ ঠাইতে লেখা চুটি ... প্ৰতিযোগিতাত তৃতীয় স্থান প্ৰাপ্ত)





# অন্ধবিশ্বাস, কুসংস্কাৰ আৰু আমাৰ সমাজ

ড° অমল চন্দ্ৰ দত্ত
সহযোগী অধ্যাপক,
উদ্ভিদ বিজ্ঞান বিভাগ।



অন্ধবিশ্বাস— অন্ধভাবে বা কোনো বিচাৰ-বিশ্লেষণ নকৰাকৈ কৰি অহা বিশ্বাস। মানৱ সমাজত এনে ধৰণৰ বিচাৰ-বিশ্লেষণহীন বহু বিশ্বাস অতীতৰপৰা বৰ্তমানলৈকে প্ৰচলিত হৈ আহিছে। 'অন্ধবিশ্বাস'ৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ আগতে 'অন্ধবিশ্বাস' শব্দটোৰ অৰ্থ বিশ্লেষণ কৰি চোৱা যাওঁক।

প্ৰচলিত অসমীয়া 'অন্ধবিশ্বাস' শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হৈছে - 'Superstition' the Oxford Advanced Learner's Dictionary (1994) ৰ মতে Superstition ৰ অৰ্থ হৈছে -

1. idea, practice, etc. base on the belief that certain events can not be explained by human reason or physical laws; irrational fear of what is unknown or mysterious.

2. idea or belief held by many people for no good or logical reason.

'Superstition' শব্দটো বুজাবলৈ সচৰাচৰ অসমীয়া ভাষাত দুটা শব্দ ব্যৱহাৰ কৰা হয় - অন্ধবিশ্বাস আৰু কুসংস্কাৰ। হেমকোষত এই বহু প্ৰচলিত শব্দ দুটাৰ অৰ্থ হৈছে -

**অন্ধবিশ্বাস** -কণাৰ দৰে, অৰ্থাৎ বিবেচনা নকৰাকৈ কৰা বিশ্বাস (প্ৰায় ধৰ্মত খাটে), blind faith, bigotry.


**কুসংস্কাৰ** - নুবুজাকৈ কৰা সিদ্ধান্ত, prejudice, মিছা বস্তুক সঁচা বুলি কৰা বিশ্বাস, Superstition, যুক্তি নথকা নীতি বা ধৰ্মবিশ্বাস, wrong notion.

অসমীয়া শব্দকোষত (১৯৯২) অৰ্থ হৈছে -

**অন্ধবিশ্বাস** - বিবেচনা নকৰাকৈ বিশ্বাস কৰা কথা (Superstition)।

# অন্ধবিশ্বাস আৰু পৰম্পৰা

অংকুৰজ্যোতি দাস
স্নাতক তৃতীয় ষান্মাসিক, গণিত বিভাগ



বৰ্তমান সময়ত সমাজত দেখা পোৱা গভীৰ সমস্যা হ'ল পৰম্পৰা বা অন্ধবিশ্বাস। পৰম্পৰা বুলি কলে পোন-পতীয়াকৈ আমাৰ মনলৈ আহে পূৰ্বপুৰুষ সকলে ব্যৱহাৰ কৰা কিছুমান নীতি-নিয়ম আৰু অন্ধবিশ্বাস আৰু বিভিন্ন মাধ্যমত সঘনে দেখি অহা কিছু হৃদয় বিদাৰক ঘটনা।

বৰ্তমান যুগত বিজ্ঞানৰ অগ্ৰগতিৰ বিৰাজমান। ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি শোৱালৈকে আমি সকলোৱে বিজ্ঞানৰ আৱিস্কাৰ ওপৰত নিৰ্ভৰশীল। প্ৰতি বছৰে আমাৰ দেশত লাখ লাখ উচ্চ ডিগ্ৰীধাৰী ডাক্তৰ, অভিযন্ত্ৰা আদি উলায়। কিন্তু আচৰিত কথা তাৰে বিশ-ত্ৰিশ শতাংশ উচ্চ ডিগ্ৰীধাৰী লোকেহে বিজ্ঞানৰ ওপৰত বিশ্বাস ৰাখে। বিজ্ঞানৰ আৱিস্কাৰৰ ক্ষিপ্ৰতাৰে আগবঢ়াৰ অৱস্থাতে আমাৰ সমাজৰ এচাম কিন্তু এতিয়াও অন্ধবিশ্বাসৰ ডাৱৰৰ তলত।

বিজ্ঞান মনস্কতাৰ য'তে শেষ হৈছে সেইখন সমাজতে হৃদয়বিদাৰক ডাইনী হত্যা, তন্ত্ৰ-মন্ত্ৰ, বলি বিধান, ভূত-প্ৰেত, জ্যোতিষ বিদ্যাৰ দৰে কিছুমান অন্ধবিশ্বাস সৃষ্টি হৈছে। মনোবিজ্ঞানী সকলৰ মতে অতিকৈ ধৰ্মৰ প্ৰতি আকৰ্ষিত মানুহবোৰ বেছি অন্ধবিশ্বাসৰ বলি হয়। দেখা যায় বহু ক্ষেত্ৰত সৰ্বসাধাৰণলোকে তেওঁলোকৰ সমস্যা সমাধান কৰাত বিফল হৈ অন্ধবিশ্বাসত আশ্ৰয় লব লগা অৱস্থাত আহি পৰে। ইয়াৰ সুবিধা তান্ত্ৰিক, বাবা, জ্যোতিষী সকলে লয়। পৰম্পৰা বা অন্ধবিশ্বাসৰ কিছুমান বিষয় তলত বিস্তাৰ ভাৱে আলোচনা কৰা হ'ল-

**বলি প্ৰথা ঃ-** আমাৰ অসমত দুৰ্গা পূজাৰ সময়ত দুৰদৰ্শনকে ধৰি বিভিন্ন মাধ্যমত দেখা পোৱা এক দৃশ্য পশু পক্ষীৰ বলি। যি সময়ত বিজ্ঞানৰ আৱিস্কাৰ বিৰাজমান থিক সেই সময়ত ভগৱানক সন্তুষ্ট কৰিবলৈ ম'হ, হাঁহ, ছাগলী দৰে অসহায় প্ৰাণীবোৰক ৰাজহুৱা স্থানত শিৰচ্ছেদ কৰা কাৰ্য কিমান দূৰ গ্ৰহণযোগ্য। যিতো সময়ত বিজ্ঞানৰ মতে ভগৱানৰ কোনো সংজ্ঞা নাই থিক সেই সময়ত অসজ্ঞাহীন বস্তুক সন্তুষ্ট কৰিবলৈ অসহায় জীৱ এটা শিৰচ্ছেদ। বলি প্ৰথাৰ ফলত সমগ্ৰ পৃথিৱীত কিমান প্ৰাণী হত্যা হয় তাৰ তথ্য দিয়া ইমান সহজ নহয়।

এই সমস্যা পৰা আমাৰ ঢকুৱাখনাও বাদ পৰা নাই। দুৰ্গা পূজা সময়ত সমগ্ৰ অসমৰ লগতে হাৰ্হি দেৱালয়ত অতিতৰে পৰা বলি প্ৰথা চলি আহিছে। প্ৰত্যেক বছৰে হাৰ্হি দেৱালত একৰ পৰা দুটা ম'হ আৰু হাঁহ,ছাগলীৰ কিমান বলি দিয়া হয় তাৰ সীমা নাই। গতিকে ভগৱানক সন্তুষ্ট কৰিবলৈ বলি প্ৰথা কিমান গ্ৰহণযোগ্য তাৰ ওপৰত চিন্তা চৰ্চা কৰা সময় আহি পৰিছে।

**ডাইনী ঃ-** বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ সম্প্ৰসাৰণৰ সময়ত আমাৰ সমাজৰ পৰা অন্ধবিশ্বাস নামৰ শব্দটো আঁতৰ হোৱা নাই। ভূতপ্ৰেত, ডাইনী, তন্ত্ৰ, মন্ত্ৰ আদিবোৰ আছেনে নাই সেইটো কোৱা ইমান সহজ নহয় কিন্তু ইয়াক সত্তৰ শতাংশ মানুহে বিশ্বাস কৰে। বিজ্ঞান শিক্ষা বৃদ্ধিৰ লগে লগে আমাৰ সমাজৰ পৰা বহুতো অন্ধবিশ্বাস আঁতৰ হৈছে যদিও বিজ্ঞানৰ প্ৰভাৱ নপৰা কিছুমান ঠাইত অন্ধবিশ্বাস এতিয়াও সমাজত শিপাই আছে।

দৰাচলতে শিক্ষাৰ পোহৰ নোপোৱা অতি ভিতৰুৱা ঠাইত সহজ-সৰল মানুহক ডাইনীৰ সন্দেহত মানুহে শাৰিৰীক, মানসিকভাৱে অৱননীয় অত্যাচাৰ কৰি হত্যা কৰে।

ডাইনী সন্দেহত হত্যা অথবা নিৰ্যাতন এক সামাজিক ব্যাধি। এই কাৰ্য কোনো ব্যক্তিৰ উচতনি মূলক মন্তব্য ফলত হোৱা দেখা যায়। বিশেষকৈ গাঁৱত যদি অনেক লোকৰ বেমাৰ হয়, কোনো ব্যক্তিৰ বেলেগৰ প্ৰতি থকা শত্ৰুতা ইত্যাদিবোৰ উচটনি মূলক মন্তব্যই সমাজত ডাইনী বীজ সিঁচাত সহায় কৰে।

যি সময়ত দেশত বিজ্ঞানীয়ে মঙ্গল গ্ৰহ অভিযানত নেতৃত্ব লৈছে ঠিক সেই সময়ত কাবি আংলং জিলাত খোদ নামঘৰৰ ভিতৰত এগৰাকী আন্তঃৰাষ্ট্ৰীয় এথলেটিক খেলুৱৈ দেৱযানী বৰাক ডাইনী সন্দেহত নিৰ্যাতন দিয়া হয়। সামাজিক সংগঠন 'ব্ৰাদাৰ্হৰ' সচিব প্ৰধান দিব্যজ্যোতি শইকীয়াৰ মতে ২০০৮ চনৰ পৰা ২০১৪ চনৰ অক্টোবৰ মাহলৈ ৰাজ্যত ডাইনী সন্দেহত ১০০ জনতকৈও অধিক লোকক হত্যা কৰা হৈছে। এই জাতীয় ঘটনাবোৰ বিশেষকৈ একেবাৰে পিছপৰা ভিতৰুৱা ঠাই, চাহ-বাগিছা এলেকা বোৰত বেছিকৈ সংঘটিত হয়।

বৰ্তমান সময়ত ডাইনী সন্দেহৰ দৰে অন্ধবিশ্বাস আঁতৰ কৰিবলৈ হ'লে অসমৰ ভিতৰুৱা অঞ্চলবোৰৰ উন্নয়নত চৰকাৰে গুৰুত্ব দিব লাগে। উন্নত মান সম্পন্ন চিকিৎসা সেৱাৰ ব্যৱস্থাৰ, সজাগতা সভাৰ বৃদ্ধি, আদিৰ প্ৰসাৰ বৃদ্ধি কৰিব লাগে। তেতিয়াহে সৰ্ব-সাধাৰণ ৰাইজে এই অন্ধবিশ্বাসৰ পৰা অলপ হলেও সকাহ পাব।

**মেজি ঃ-** মেজি হৈছে মাঘ বিহুৰ উপলক্ষে তৈয়াৰ কৰা এক জাতীয় উৎসৱ প্ৰতীক। বৰ্তমান সময়ত মেজি তৈয়াৰ কৰা পৰম্পৰাই পৰিৱেশত সমস্যা হৈ থিয় দিছে। ই অসমৰ সমাজ জীৱনৰ বিশেষ নিৰ্দশন যদিও বৰ্তমান মেজি তৈয়াৰ কৰা প্ৰতিযোগিতাই বায়ুমণ্ডলত বিস্তৃৰভাৱে ক্ষতি সাধন কৰিছে। কিছু সংখ্যক ঠাই আৰু ঘৰে ঘৰে মেজি তৈয়াৰ কৰা পৰম্পৰাই বায়ুমণ্ডলত কাৰ্বনডাই অক্সাইড গেছ বৃদ্ধিত সহায় কৰিছে।

কোনো ঠাইত দেখা যায় মাঘ বিহু উপলক্ষে যি মেজি তৈয়াৰ কৰে সেই মেজি দৈঘ্য প্ৰায় ১০০ ফুট হয়। এতিয়া সমগ্ৰ অসমবাসীয়ে চিন্তা কৰা উচিত যে পৰম্পৰা নামত বিস্তাৰভাৱে প্ৰাকৃতিক সম্পদ ধ্বংস কৰা উচিত নে? উদাহৰণস্বৰূপে ১০০ ফুট উচ্চতা মেজি তৈয়াৰ কৰিবলৈ কমেও ৩০ জোপা ডাঙৰ গছ লাগিব। যদি তাৰ সলনি আমি যদি ১০ ফুট উচ্চতা মেজি তৈয়াৰ কৰো তেন্তে ভাৱক কিমান জোপা গছ বাছি যাব। এতিয়া প্ৰশ্ন হ'ল ক্ষন্তেকীয়া আনন্দৰ বাবে ইমান প্ৰাকৃতিক সম্পদ নষ্ট কৰা উচিত নে?

**সামৰণি ঃ-** এটা যুগৰ অন্ধবিশ্বাসেই আন এটা যুগৰ পৰম্পৰা হৈ থিয় দিয়ে। ঠিক সেইদৰে বলি হ'ল দেৱী উপসনাৰ নামত এটা সময়ত চলা অন্ধবিশ্বাস যি বৰ্তমান পৰম্পৰা। কিন্তু এটা কথা এৰাই চলিব নোৱাৰি যে আমাৰ সমাজ ব্যৱস্থাত সুস্থিৰ ভাৱে চলাবলৈ আমাক কিছুমান পৰম্পৰা লাগিব কিন্তু প্ৰশ্ন হয় আমাক কোনবোৰ পৰম্পৰা লাগে? যিবোৰ পৰম্পৰাই সমাজত কুসংস্কাৰ-বিশৃংখলতা সৃষ্টি কৰে তেনে পৰম্পৰা ত্যাগ কৰা উচিত। নিয়ম, পৰম্পৰা যি দৰে মানুহে প্ৰয়োজনত সৃষ্টি কৰিছে থিক সেই সময়ত বিজ্ঞান মনস্কতাৰে ইয়াৰ সমাধান আনিব লাগে।


এই সমস্যা পৰা হাত সাৰিবলৈ হ'লে প্ৰত্যেক জন মানুহে নিজৰ মানসিকতা সলনি কৰিব লাগিব আৰু বিজ্ঞান মনস্কতাৰ এটা মন তৈয়াৰ কৰিব লাগিব। ❑

তথ্য সংগ্ৰহ ঃ- ভাগৰ বৰঠাকুৰৰ প্ৰবন্ধ পৰা।

◆ বিশেষ নিৱন্ধ ঃ মৎস্য সম্পদ

# সংশয় আৰু সম্ভাৱনাৰ দোমোজাত ঢকুৱাখনাৰ জলাশয়ৰ আলংকাৰিক মাছ

নবেন্দ্র নাথ দত্ত
সহযোগী অধ্যাপক
প্ৰাণী বিজ্ঞান বিভাগ



Badis Asamensis

অসংখ্য নদ-নদী, বিল-পুখুৰী, পিটনি, এৰানদীৰ সুঁতি আদিৰ সমাহাৰেৰে আমাৰ ঢকুৱাখনা অঞ্চলটি জলাশয়ৰ দিশৰ পৰা বেচ চহকী। মূল অসম ভূ-খণ্ডৰ ব্ৰহ্মপুত্ৰ মহানদৰ উত্তৰপাৰে অৱস্থিত এই অঞ্চলটিৰ জলাশয় সমূহত প্ৰচুৰ জলজ সম্পদেৰে পৰিপূৰ্ণ হৈ আছে। ভৌগোলিকভাৱে এই অঞ্চলটি ২৭.৬০° - ২৭.৩৫° উত্তৰ অক্ষাংশ আৰু ৯৪.২৪° - ৯৪.৪২° পূৰ দ্ৰাঘিমাংশত অৱস্থান কৰিছে। মূল ভাৰত ভূমিৰ পৰা সুদূৰ উত্তৰ-পূৱত অৱস্থিত এই বিশাল অঞ্চলটি জৈৱ-বৈচিত্ৰ্যৰ দিশৰ পৰা সম্ভাৱনাপূৰ্ণ বুলি ইতিমধ্যে চিহ্নিত হৈছে। জৈৱ-বৈচিত্ৰ্যৰ তিনিওটা ৰূপ যেনে - প্ৰজাতিগত বৈচিত্ৰ্য (Species deviersity), পৰিস্থিতিতান্ত্ৰিক বৈচিত্ৰ্য (Ecological diversity), আৰু বংশগতিসম্পৰ্কীয় বৈচিত্ৰ্য (Genetic diversity) ঢকুৱাখনা অঞ্চলত চকুত লগাকৈ আছে। এই অঞ্চলটি উত্তৰ-পূৱ ভাৰতত অন্তৰ্ভূক্ত হোৱাৰ সুবাদতে অৱধাৰিতভাৱে অৰিয়েন্টল অঞ্চল (Oriental Region) ৰ ইন্দো-চাইনা (Indo-China) উপ-অঞ্চলৰ ভিতৰত পৰে। আমি যদি কেৱল মৎস্য বিবিধতা (Ichthyo diversity) ৰ কথা আলোচনাৰ মাজলৈ আনো তেনেহ'লে ক'ব পাৰি এই ঢকুৱাখনা অঞ্চলৰ মাছসমূহত বাস্তৱিকতে ইন্দোচীনীয় (Indo-China) উপাদানৰ প্ৰভাৱ বাৰুকৈয়ে পৰা দেখা পোৱা যায়।

বৰ্তমান আমাৰ আলোচনাৰ বিষয় হ'ল ঢকুৱাখনা অঞ্চলৰ আলংকাৰিক মৎস্য সম্ভাৰ আৰু সিবোৰৰ বৰ্তমানৰ স্থিতি। এই অঞ্চলৰ মৎস্য সম্পদ প্ৰধানকৈ অলংকাৰিক মাছৰ বিষয়ে এতিয়ালৈকে কোনোধৰণৰ পূৰ্ণাংগ অধ্যয়ন হৈছে বুলি নিশ্চিতভাৱে ক'ব পৰা হোৱা নাই। এইখিনিতে উল্লেখ কৰিব পাৰি যে উত্তৰ-পূৱ ভাৰতৰ গৰিষ্ঠ সংখ্যক লোকে জলাশয়ৰ স্থানীয় মাছসমূহ (Indigenous fishes) ক প্ৰ'টিনৰ উৎস হিচাপে খাদ্য তালিকাত স্থান দি আহিছে। আমাৰ এই অঞ্চলটিৰ ক্ষেত্ৰতো সেই একে কথাই হোৱা দেখা যায়। ইয়াৰ বাদেও বহুলোকে মৎস্য আহৰণ, বাণিজ্য, মাছধৰা সঁজুলি নিৰ্মাণ আদি নানান ব্যৱস্থাৰে জীৱন নিৰ্বাহ কৰি আহিছে। সেয়েহে এই অঞ্চলৰ মৎস্য সম্পদৰ সন্দৰ্ভত বিজ্ঞানসন্মত অধ্যয়ন কৰাৰ যুক্তি-যুক্ততা পূৰামাত্ৰাই আছে।

ঢকুৱাখনা অঞ্চলৰ জলাশয়সমূহত সমাপন কৰা কেতবোৰ হাইড্ৰ'বায়'লজিকেল (Hydrobiological) পৰীক্ষাৰ তথ্য-পাতিয়ে প্ৰমাণ কৰিছে যে এই অঞ্চলটি বিভিন্ন ধৰণৰ জীৱ-প্ৰজাতি আৰু সিবোৰৰ আবাদী (Population) ৰ বাবে উত্তম স্থান। অনেক মাছ, উভচৰ, পক্ষী, সৰীসৃপ, স্তন্যপায়ী, অমেৰুদণ্ডী, জলজ উদ্ভিদ এই অঞ্চলৰ চাবেক বাসিন্দা। এই অঞ্চলৰ জলাশয় সমূহক অনেক ৰূপত পাব পাৰি যেনে- নদ-নদী, বিল, দ-পুখুৰী, ডোবা, পিটনি, এৰানদী, ৰাইপেৰিয়ান জলগ্ৰহণ অঞ্চল আদি। এই সকলোবিলাকতে খাদ্যৰ বাবে উপযোগী মাছ, পলুখাদক মাছ, আলংকাৰিক, মাছ, পৰিৱেশ নিকাকাৰী মাছ আদিবোৰ পোৱা যায়। CAMP (Conservation Assessment and Management Plan, 1998) কে ধকি ভালেকেইটা ৰিপৰ্টৰ মতে ভাৰতবৰ্ষৰ **উত্তৰ-পূৱ অংশত মুঠ ৩৮ টা গোত্ৰৰ ১৩৩ টা গণৰ অন্তৰ্গত ৪২২ টা প্ৰজাতিৰ মাছ চিনাক্তকৰণ কৰা হৈছে। ইয়াৰ বিপৰীতে ঢকুৱাখনা অঞ্চলত ২৫০ টা মাছৰ প্ৰজাতি উপলব্ধ হোৱাৰ তথ্য লাভ কৰা হৈছে।**

উত্তৰ-পূৰ্বাঞ্চলৰ অংশবিশেষ আমাৰ ঢকুৱাখনা অঞ্চলৰ মৎস্যবিবিধতা চকুত লগা, এই কথা পূৰ্বে উল্লেখ কৰা হৈছে। এই মাছসমূহক কিছুমান বিশেষ ভাগত ভাগ কৰিব পাৰি। যেনে - ১। **কাৰ্প জাতীয় মাছ (Carps)** পুঠি, দৰিকণা, কুঢ়ি, মালী, নাদনি, সুন্দৰী, ৰৌ, ভকুৱা বা বাহু, বৰিয়লা, পুঠিকাইটা, এলেং, ভাঙোন, পিঠিয়া, শিলঘৰীয়া, লাচিং, বোকাঘৰীয়া, কৰটি ইত্যাদি। ২। **মুৰেলচ্ (Murrels)** গৰৈ, শ'ল, শাল, চেঙেলি, চেঙা, বৰচেঙা, তিলচেঙা ইত্যাদি। ৩। **ফিডাৰবেক** (Feather Back) চিতল আৰু কান্দুলি। ৪। **ক্লাইম্বিং পাৰ্চ (Climbing Perch)** কাৱৈ, খলিহা, চুমৈ ইত্যাদি। ৫। **কেটফিচ্ (Catfish)** বৰালি, আৰি, গাগল, শিঙি, মাগুৰ, পাভ, বৰদোৱা, শিঙৰা ইত্যাদি। এই বৈচিত্ৰময় মৎস্যপ্ৰজাতি সমূহক প্ৰধানকৈ খাদ্যৰূপে ব্যৱহাৰ কৰা হয় যদিও সিবোৰৰ কিছুমান শোভাবৰ্দ্ধক বা অলংকাৰিক আৰু আনবোৰ হয় পৰিবেশ নিকাকাৰক বা পলু ভক্ষীৰূপে পৰিবেশৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা মাছ।

আমাৰ আলোচনাৰ বিষয় যিহেতু ঢকুৱাখনাৰ আলংকাৰিক মাছ-সেয়েহে বাকী অন্যান্য মাছসমূহক এই আলোচনাৰ মাজলৈ অনা হোৱা নাই। ইংৰাজী ভাষাত আলংকাৰিক মাছক এনেদৰে কোৱা হৈছে "Ornamental fishes usually mean attractive colourful fishes of various characteristics which are kept as pets in aquarium or a garden pool for fun, fancy and also recreation.

বাস্তৱিকতে দেহৰ ৰং আচৰণ, দেহৰ গঠন, খাদ্যাভাষ আদি অনেক দিশৰ পৰা বিশ্লেষণ কৰি চাইহে একো একোটা মাছক আলংকাৰিক মাছৰ শাৰীলৈ অনা হয়। উদাহৰণ স্বৰূপে বটিয়া মাছ বা ৰান্ধনী মাছ *(Botia dario)* ৰ দেহৰ কলা-হালধীয়া ৰংযুক্ত আঁচবিলাকৰ বাবেই ইয়াক আলংকাৰিক মাছৰ শাৰীত ৰখা হৈছে। তেনেকৈ চেঙেলী মাছৰ টজবজীয়া আচৰণ, খলিহনাৰ চলন আদিবোৰ উন্নত মানৰ আলংকাৰিক মাছৰ চৰিত্ৰ বুলি গণ্য কৰা হয়।


এই আলংকাৰিক মাছসমূহক আমাৰ অঞ্চলত প্ৰধানকৈ নদী-বিল আদিৰ পৰা আহৰণ কৰি সাধাৰণ ভাৱে অথবা উন্নত বিজ্ঞানসন্মত গ্লাছৰ পাত্ৰ (Aquarium)ত শুৱনিকৈ ৰখাৰ ব্যৱস্থা কৰা হয়। এইখিনিতে এটা কথা উল্লেখ কৰা দৰকাৰ যে প্ৰাকৃতিক জলাশয়ৰ পৰা অবাধ গতিত সংগ্ৰহ কৰাৰ কাৰণে উত্তৰ-পূৰ্বাঞ্চলৰ লগতে আমাৰ ঢকুৱাখনা অঞ্চলতো এই মাছসমূহৰ পৰিসংখ্যা দ্ৰুতগতিত হ্ৰাস হ'বলৈ

ধৰিছে। ই কোনো কাৰণতে মৎস্য বিবিধতা সংৰক্ষণ-সংবৰ্দ্ধন আদি দিশৰ পৰা শুভলক্ষণ হ'ব নোৱাৰে। আধুনিক কৌশল বিশেষকৈ আৱিষ্ট প্ৰজনন (Induced Breeding) ৰ দ্বাৰা এই মাছবিলাকৰ সংখ্যা বৃদ্ধি কৰাই অন্য ঠাইলৈ প্ৰেৰণ কৰি আৰ্থিকভাৱে লাভান্বিত হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। সেয়েহে আলংকাৰিক মাছৰ সংবৰ্দ্ধন, বিপনন তথা বাণিজ্যই আমাৰ অঞ্চলৰ উদ্যমী যুৱক-যুৱতীসকলৰ বাবে এক বিপুল আৰ্থিকভাৱে লাভজনক ক্ষেত্ৰৰূপে ৰৈ আছে। কাৰণ ৱেকৰুবী বাৰ্ব, ডেনিচন বাৰ্ব, ডেনিঅ', ফাইটাৰ ফিচ, চিলভাৰ ড'লাৰ, গ'ল্ডফিছ, গুবী আদি বিদেশী মাছসমূহৰ লগত সমানে ফেৰ মাৰিব পৰা অনেক প্ৰজাতি আমাৰ ঢকুৱাখনা অঞ্চলত উপলব্ধ। অন্যভাৱে ক'বলৈ গ'লে ঢকুৱাখনাৰ আলংকাৰিক মাছসমূহ গুণগত দিশৰ পৰা অন্যান্য বিদেশী মাছতকৈ কোনোগুণে কম নহয়।

ঢকুৱাখনা অঞ্চলত ২১ টা গোত্ৰৰ ৪২ টা গণৰ অন্তৰ্গত ৬০ টা অলংকাৰিক মাছ চিনাক্ত কৰা হৈছে। ইয়াৰ বাদেও অন্য কেইটামান প্ৰজাতিৰ মাছকো যে আলংকাৰিক মাছ হিচাপে ব্যৱহাৰ কৰিব পাৰি সেই কথা বৰ্তমান পোহৰলৈ আহিছে। এই অঞ্চলৰ আলংকাৰিক মাছসমূহৰ কেইটামান হ'ল- চিতল, কান্দুলি, শাল, দৰিকণা, লাউপেটা, মালি, পুঠি, চেনী, কানীপুঠি, চেলকণা, মোৱা, ৰিয়লা, এলেং, লাচিম, ভাঙোন, বৰালি, আৰি, গাগল, লিথা, কৰটি, বালিবটীয়া, গেঠু, শিঙৰা, পাভ, বৰদোৱা, মাগুৰ, শিঙি, কুৰকুৰি, গৰুৱা, ককিলা, নাদনি, বচা, নেৰিয়া, কুচিয়া, চন্দা, ভেদ-ভেদি, পাটীত মুতুৰা, খলিহনা, ভেচেলী, লালখলিহনা, কাৱৈ, শাল, শ'ল, তিলচেঙা, বৰচেঙা, চেঙেলী, ধানকুটা চেঙেলি, গৰৈ, বামী, তোৰা, গংগাটোপ ইত্যাদি। উল্লেখযোগ্য যে এই মাছসমূহৰ কিছুমানৰ একাধিক প্ৰজাতি এই অঞ্চলত উপলব্ধ।

পৰিতাপৰ কথা যে ঢকুৱাখনা অঞ্চলৰ জলাশয়সমূহ আৰু ইয়াত থকা জৈৱ-বৈচিত্ৰ্য ক্ৰমে নিঃশেষ হোৱাৰ দিশে ধাৱমান। ইবোৰৰ উপযুক্ত সংৰক্ষণ কৰিবলৈ হ'লে কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰাতো অতিকৈ প্ৰয়োজনীয় হৈ পৰিছে। প্ৰাকৃতিক জলাশয়ত আঁঠুৱা-জাল সম্পূৰ্ণৰূপে বন্ধ কৰাৰ সপক্ষে জনমত গঠনৰ ব্যৱস্থা কৰা দৰকাৰ। বোঁৱতী নদীত বান্ধ নিৰ্মাণ অথবা ৰাসায়নিক দ্ৰব্য প্ৰয়োগ কৰি মাছ ধৰা বন্ধ কৰিব লাগে। জলাশয় সমূহৰ অপমৃত্যু ইউট্ৰফিকেচন্ (Eutrophication) নামৰ এক পৰিঘটনাৰ বাবেও হোৱা দেখা যায়। যিমানদূৰ সম্ভৱ এই পৰিঘটনাটো হ'ব পৰা কাৰকসমূহ নিবাৰণ কৰা উচিত। জলাশয়সমূহত অপতৃণৰ বৃদ্ধি ৰোধ হ'লে ইউট্ৰফিকেচন্ স্বাভাৱিকতেই ৰোধ হ'ব। কেতিয়াবা লক্ষ্য কৰা যায় যে প্ৰাকৃতিক জলাশয়সমূহলৈ যিকোনো প্ৰকাৰে বিদেশী মাছ (Exotic Fish) ৰ আগমন ঘটে। সেই মাছসমূহে স্থানিক মাছ (Indigenous Fish) প্ৰতি ভাবুকিস্বৰূপ হৈ পৰিব পাৰে। সেয়েহে যথাসম্ভৱ ব্যৱস্থা গ্ৰহণ কৰি প্ৰাকৃতিক জলাশয়ত যাতে বিদেশীমাছৰ আগমন হ'ব নোৱাৰে তাক নিশ্চিত কৰিব লাগে। যিকোনো ধৰণৰ জলপ্ৰদূষণ ৰোধ কৰাতো স্থানিক আলংকাৰিক মাছৰ সংৰক্ষণৰ দিশৰ পৰা জৰুৰী। ভাৰতীয় মীন আইন ১৯৫৩ (সংশোধন-২০০৫) ৰ মতে এপ্ৰিল মাহৰ প্ৰথম তাৰিখৰ পৰা ১৬ জুলাই লৈকে সকলোধৰণৰ প্ৰাকৃতিক জলাশয়ত মাছ ধৰা বন্ধ ৰখা হয়। এই ব্যৱস্থা আক্ষৰিক অৰ্থত মানি চলিলে কেৱল আলংকাৰিক মাছেই নহয় বৰঞ্চ অন্যান্য মাছ আৰু জলজ বৈচিত্ৰ্য সংৰক্ষিত হ'ব।

অলংকাৰিক মাছেৰে শোভাবৰ্দ্ধন কৰা এটা সুন্দৰ একুৱেৰিয়াম থকা এটা কোঠাত বৈ সিবোৰৰ দৃষ্টিনন্দন গতিবিধি নিৰীক্ষণ কৰি কোনজন লোকে বাৰু বেয়া পাব! কাজেই আমি সকলোৱে এবাৰ হ'লেও অনুভৱ কৰা উচিত যে আমাৰ অঞ্চলৰ জলাশয়ৰ সম্পদ এই অলংকাৰিক মাছসমূহৰ সুৰক্ষা, বৃদ্ধি, আবিষ্ট প্ৰজনন আদি দিশবোৰত আমাৰ কৰণীয় ভালেমান কাম আছে। অন্য অৰ্থত যাৰ লগত আমাৰ মানসিক তৃপ্তি, স্ব-নিয়োজন, প্ৰকৃতি সুৰক্ষা আদি অনেক দিশ সংপৃক্ত হৈ আছে। যিবোৰৰ প্ৰতি সজাগ হোৱাটো প্ৰয়োজনীয়।□





◆ বিশেষ নিৰন্ধ ঃ গণিত

# গাণিতীক ধাৰণাৰ বিকাশ

**টবেন্দ্ৰ নাথ দাস**
**সহকাৰী অধ্যাপক**
**গণিত বিভাগ**

মহামতি আকবৰৰ কাহিনী সকলোৱে মুখে মুখে শুনা যায়। তাৰে এটা কাহিনী হ'ল- ৰজা আকবৰ ৰাজ প্ৰসাদত নিগনিৰ উৎপাতত কোনো বস্তুৱেই ভালকৈ ৰাখিব নোৱাৰা হ'ল। ফলত আকবৰে ৰাজসভাত ঘোষণা কৰিলে বীৰবলকে ধৰি সকলোৱে ৰাজ প্ৰসাদৰ পৰা একোটাকৈ নিগনি জীয়াই জীয়াই ধৰি ৰজাৰ সন্মুখত ঠিয় কৰাব লাগে। কথামতেই কাম। মন্ত্ৰী, প্ৰজা সকলোৱে ৰাজ প্ৰসাদৰ য'তে ত'তে অনুসন্ধান কৰি একোটাকৈ নিগনি লৈ ৰজাৰ সন্মুখত হাজিৰ হ'ল। ৰজাই সকলোলৈকে দৃষ্টি নিক্ষেপ কৰি পুনৰ ঘোষণা কৰিলে যে প্ৰত্যেকেই নিজৰ নিজৰ নিগনিটো গাখীৰ খুৱাই নোদোকা কৰি এমাহৰ পাছত পুনৰ ৰজাৰ সন্মুখত হাজিৰ কৰা লাগিব। যাৰ নিগনি আটাইতকৈ বেছি নোদোকা হ'ব তেওঁকেই বিশেষভাৱে পুৰস্কৃত কৰা হ'ব। আকবৰৰ এই আদেশ শিৰোধাৰ্য কৰি সকলোৱে নিজ নিজ নিগনিটো যিমান সোনকালে পাৰি গাখীৰ খুৱাবলৈ ঘৰা-ঘৰি গ'ল। বীৰবলেও ৰজাৰ আজ্ঞা পালনৰ হেতু ঘৰলৈ আহি উতলা গৰম গাখীৰ নিগনিটোক খাবলৈ দিলে। ভোকাতুৰ নিগনিটোৱে গাখীৰত মুখ দিয়াৰ লগে লগে চিৎকাৰ মাৰি জপিয়াবলৈ ধৰিলে। পিছদিনা বীৰবলে নিগনিটোক ঠাণ্ডা গাখীৰ খাবলৈ দিলে। গাখীৰ দিয়াৰ লগে লগে নিগনিটোৱে পুনৰ চিৎকাৰ মাৰি জপিয়াবলৈ ধৰিলে। এনেদৰে প্ৰত্যেকদিনাই বীৰবলে গাখীৰ আনি নিগনিটোৰ সন্মুখত থয় যদিও কোনোদিন নিগনিটোৱে গাখীৰ নাখালে। এমাহৰ পাছত ৰজাই ৰাজসভালৈ সকলোকে নিমন্ত্ৰণ কৰিলে। সকলো প্ৰজাই নিজন নিজৰ নোদোকা নিগনিটো হাতত লৈ ৰজাৰ সন্মুখত ঠিয় হৈ পুৰস্কাৰ আশাত থাকিল আৰু বীৰবলে মৃতপ্ৰায় নিগনিটো হাতত লৈ সকলোৰে পাছত থাকিল। ৰজাই সকলো নিগনি দৃষ্টি নিক্ষেপ কৰাৰ পাছত বীৰবলক প্ৰশ্ন কৰিলে- "বীৰবল তুমি মোৰ আদেশ অমান্য কৰিছা যাৰ ফলত নিগনিটোৰ এই অৱস্থা হ'ল। বীৰবলে তপৰাই উত্তৰ দিলে- ক্ষমা কৰিব জাহাপানা, মই ৰাজ প্ৰসাদৰ পৰা যিটো নিগনি ধৰিবলৈ সক্ষম হৈছিলো সি কোনোদিন গাখীৰ ভক্ষন নকৰিলে। ৰজাই ক'লে-তেন্তে প্ৰমাণ চোৱা যাওঁক। লগোৱাৰ হতুৱাই গাখীৰ অনাই নিগনিটোক খাবলৈ কৰিবলৈ দিয়া হ'ল। গাখীৰ দেখাৰ লগে লগে নিগনিটোৱে পুনৰ চিৎকাৰ কৰি জপিয়াই আঁতৰি যাবলৈ চেষ্টা কৰিলে। নিগনিটোৱে গাখীৰ ভক্ষন নকৰাৰ অন্তৰালৰ কথাটো নিৰ্ভয়ে প্ৰকাশ কৰিবলৈ ৰজাই বীৰবলক আদেশ দিলে। বীৰবলে আকবৰক সেৱা আগবঢ়াই ক'লে- ক্ষমা কৰিব জাহাপানা, নিগনিৰ উৎপাতে ৰাজপ্ৰসাদ আচলাৱস্থা কৰিছে। গতিকে অভাজনে নিগনিটো ঠাণ্ডা গাখীৰ খুৱাই নোদোকা কৰাতকৈ গৰম গাখীৰ দি খাব নোৱাৰাটোহে বেছি সমীচীন ভাবি প্ৰথম দিনাই উতলা গৰম গাখীৰ খাবলৈ দিয়া হ'ল। যাৰ ফলত গাখীৰ দেখিলেই নিগনিটোৱে চিৎকাৰ কৰি জপিয়াবলৈ ধৰে। বীৰবলৰ এই বুদ্ধিত ৰজা সন্তুষ্ট হ'ল আৰু তেওঁক সোণৰ মুকুটেৰে পুৰস্কৃত কৰিলে। বাকী সকলোকে নিজৰ নিজৰ নিগনিটোক মাৰি কুকুৰক ভক্ষন কৰোৱাবলৈ আদেশ দিলে।

আকবৰৰ ৰাজ প্ৰসাদত বীৰবলৰ বুদ্ধিৰ ই এক আমোদজনক কাহিনী। কিন্তু গণিতত ইয়াৰ প্ৰয়োগ অতি গ্ৰহণযোগ্য। বীৰবলৰ নিগনিটোৰ দৰে কোনো গাণিতিক সমস্যা জটিল ৰূপত ছাত্ৰাৱস্থাত উপস্থাপন কৰিলে সি কেতিয়াও বোধগম্য নহয়। ফলত স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বহুতেই গণিত এটা জটিল বিষয় বুলি তথাকথিত ধাৰণাটোৰ গৰাহত পৰে। যাৰ বাবে তেওঁলোকে গণিত বিষয়টো বোজা হিচাপে লয়, বিষয়টো আমেজ ল'ব নোৱাৰা হয়। গতিকে তেওঁলোকে বিষয়টোৰ ৰস আস্বাদন কৰাৰ মানসিকতা হেৰুৱাই পেলায়। বহুতো অভিভাৱকে গণিত বিষয়টো এক

জীৱনত আগবাঢ়ি যাওঁতে বিভিন্ন কাৰকে ছাত্ৰ-ছাত্ৰী সকলক বাধা দিয়ে। অনৈতিক আচৰণ, অসৎ ব্যৱহাৰ আৰু মাদক দ্ৰব্য ব্যৱহাৰৰ দৰে গঢ়ি উঠা কাৰ্যবোৰ সাধাৰণতে আমি কৈশোৰ কালতে দেখিবলৈ পাওঁ। ১৩ বছৰ বয়সৰ পৰা ১৯ বছৰ বয়সলৈ এই সময়ছোৱাক টিনেজ (Teenage) বুলি কোৱা হয়। এই সময়ছোৱা বিশিষ্ট ব্যক্তি সকলৰ মতে জীৱনৰ আটাইতকৈ জটিল সময়। এই কালছোৱাত ল'ৰা বা ছোৱালী এজনীৰ জীৱনলৈ শাৰীৰিক আৰু মানসিকভাৱে দ্ৰুতগতিত পৰিৱৰ্তন আহিবলৈ ধৰে। আৱেগ অনুভূতিবোৰে গভীৰভাৱে মনৰ মাজত ক্ৰিয়া কৰিবলৈ আৰম্ভ কৰে। আনহাতে এই সময়ছোৱাতে মাক দেউতাকৰ ছত্ৰছায়াৰ পৰা আঁতৰি স্ব-ব্যক্তিত্ব বিকাশ তথা সৃজনী প্ৰতিভা গঢ়ি তোলাৰ বাবে অগ্ৰসৰ হোৱাৰ সময়। জীৱন গঢ়াৰ উপযুক্ত সময় যিদেৰ এই সময়ছোৱা ঠিক সেইদৰে এই সময়ছোৱাই জীৱনক পংকিলতাৰ দিশলৈও টানি নিয়ে।

পিতৃ-মাতৃ শাসনৰ পৰা তথা বান্ধোনৰ পৰা যেতিয়া আঁতৰি আহি স্বাধীন মনৰ গৰাকী হৈ তেওঁলোকে নিজৰ মতামত তথা দৃষ্টিভংগীৰে সিদ্ধান্তসমূহ লবলৈ আৰম্ভ কৰে। ইয়াৰোপৰি নতুন নতুন বন্ধুৰ আগমনে তেওঁলোকৰ কথা আৰু কৰ্মত পৰিৱৰ্তন আহিবলৈ ধৰে। এনেদৰেই ল'ৰা ছোৱালীৰ মাক দেউতাকৰ লগত এক ব্যৱধান আহি পৰে। যাৰ ফলত পিতৃ-মাতৃ আৰু সন্তানৰ মাজত সুস্থ কথোপকথনৰ সলনি কথাই কথাই গঞ্জনা, ককৰ্থনা আৰু অভিমানৰ সূত্ৰপাত হয়।

বৰ্তমান প্ৰতিযোগিতা তথা বিশ্বায়নৰ যুগ। প্ৰযুক্তি বিদ্যাই আমাক বহুতো সুবিধা প্ৰদান কৰিছে। টেলিভিচন, ইন্টাৰনেট, মোবাইল ফোন আদিয়ে ভাল বেয়া সকলোধৰণৰ তথ্য, ছবি আৰু দৃশ্যৰ উভৈনদী অৱস্থা এটাৰ সৃষ্টি কৰিছে। বৰ্তমান ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰত্যেকৰে হাতত দামী মোবাইল দেখিবলৈ পোৱা যায়। তেওঁলোকৰ আবেগ, অনুভূতি, আগ্ৰহ, অভিৰুচী সমূহো এই ইলেকট্ৰনিক মাধ্যমসমূহে গ্ৰাস কৰি পেলায়। এনেবোৰ কাৰণতে কৈশোৰ আৰু যৌৱনৰ সন্ধিক্ষণৰ এই স্পৰ্শকাতৰ সময়ত কিছুমান ছাত্ৰ-ছত্ৰী সামাজিক ভাৱে নিষিদ্ধ, মানসিকভাৱে ক্ষতিকাৰক আচৰণৰ প্ৰতি আকৃষ্ট হয়। আমাৰ ৰাজ্যত মাদক দ্ৰব্যৰ সহজ লভ্যতাই এই ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাইছে। বিশেষকৈ স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰী সকলো এই মাদক দ্ৰব্য সেৱনৰ পৰা পিছ পৰি থকা নাই। স্কুল-কলেজৰ সন্মুখত, শ্ৰেণীকোঠাত, প্ৰসাৰ গাৰৰ ভিতৰত সোমাই, নিজৰ নিজৰ কায়দাৰে ছাত্ৰসকলৰ গুটখা খোৱা সকলোৰে দেখিবলৈ পাইছে। তদুপৰি বিভিন্ন উপলক্ষ উলিয়াই মাদক দ্ৰব্য সেৱন কৰাই নহয় এক হুলস্থুলীয়া পৰিৱেশ সৃষ্টি কৰাৰ লগতে তেওঁলোকৰ মাজতো উশৃংখল জীৱন একোটা গঢ় লৈ উঠিছে। এই ক্ষেত্ৰত যে কেৱল ছাত্ৰ সকলেই আসক্ত তেনে নহয়, ছাত্ৰী তথা কিশোৰীসকলো আসক্ত হোৱা দেখা গৈছে। নিচাসক্ত দ্ৰব্য সেৱনৰ ফলত হোৱা অপৰাধৰ বিষয়ে বাতৰি কাকত বা ইলেক্টনিক মাধ্যমৰ যোগেদি আমি প্ৰায়ে পাই থাকোঁ।

যি কি নহওক, এই ক্ষেত্ৰত আমি সময়ৰ লগত খাপ খোৱাই ক'ব বিচাৰো যে মাক-দেউতাক তথা অভিভাৱকে নিজৰ সন্তানৰ লগত সৰুৰে পৰা বন্ধুত্ব পূৰ্ণ সম্পৰ্ক গঢ় লৈ উঠোৱাৰ ওপৰি প্ৰতিটো কথা মুকলিকৈ আলোচনা কৰা উচিত। পাৰস্পৰিক মৰম, বিশ্বাস আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্কইহে সন্তানক অপৰাধ প্ৰৱণত আৰু মাদক দ্ৰব্য সেৱনৰ পৰা দূৰৈত ৰাখিব।

ওপৰত আলোচনা কৰা শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যৰ সম্পৰ্কে ক'বলৈ যাওঁতে ইয়াৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত আহি পৰা বাধা তথা মাদক দ্ৰব্য প্ৰভাৱৰ কথাও উল্লেখ কৰিছো। এই ক্ষেত্ৰত সচেতন ছাত্ৰ-ছাত্ৰী সকলৰ লগতে শিক্ষক, অভিভাৱক তথা জ্যেষ্ঠ সকলে শিক্ষানুষ্ঠানত কিছুমান পদক্ষেপ লব পাৰে। তেনে কিছু পদক্ষেপ হ'ল -

ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কোনো সংস্কাৰমুখী চিন্তা উদ্ৰেককাৰী বিষয়ৰ ওপৰত অথবা মহান ব্যক্তি সকলৰ জীৱন আৰু কৰ্মভিত্তীক বিষয়ৰ ওপৰত সময়ে সময়ে অনুষ্ঠান অনুষ্ঠিত কৰিব পাৰি।

যোগাসন, প্ৰাণায়ম, ধ্যান আদিৰ নিয়মীয়া অনুশীলনেও ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধন কৰে। যদি এনে এটা বাধ্যতামূলক শ্ৰেণীৰ ব্যৱস্থা কৰা হয় তেন্তে বহু ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব।

সময়ে সময়ে শৰীৰ সঞ্চালনকাৰী খেল যেনে- ফুটবল, বেডমিন্টন, দৌৰ, কাবাডী আদি ব্যৱস্থাই ছাত্ৰ-ছাত্ৰী সকলক আনন্দিত তথা কমৰ্থ কৰি তুলিব।

বিভিন্ন ৰাজহুৱা সভা সমিতিত ছাত্ৰ-ছাত্ৰী সকলক যদি নিৰ্দিষ্টকৈ দায়িত্ব দিয়া হয় তেওঁলোক তেওঁলোকৰ দায়িত্বৰ প্ৰতি সচেষ্ট হ'ব আৰু বিভিন্ন কথাত আগবাঢ়ি যাবলৈ সক্ষম হ'ব।

বিভিন্ন অভাৱ অভিযোগবোৰো ছাত্ৰ-ছাত্ৰীসকলে বিষয় ববীয়া সকলৰ লগত আলোচনা কৰি সমাধান কৰিব পাৰে।

মুঠৰ ওপৰত তেওঁলোকৰ লক্ষ্যত উপনীত হ'বলৈ সকলো পথ সুগম কৰি তোলাৰ উপৰিও এক আদৰ্শনীয় জীৱনৰ গৰাকী হৈ উঠিব পাৰে তেওঁলোকৰ কৰ্মৰ জৰিয়তে।❑

* ইন্টাৰনেটৰ পৰা কিছু সহায় লোৱা হৈছে।





# শিক্ষা আৰু সমাজ

*দীপশিখা চমুৱা*
*একাদশ শ্ৰেণী, (বিজ্ঞান শাখা)*

> *মানুহ উচ্চ শিক্ষাৰে শিক্ষিত হৈছে সঁচা। কিন্তু তেওঁলোকৰ মাজৰ সৰহসংখ্যকেই যে জ্ঞানশূণ্য সেইটোও সম্পূৰ্ণ সঁচা।*

মানৱ অজ্ঞানতা আঁতৰাই জগতখনক নতুন দৃষ্টিৰে চাব পৰা ক্ষমতাই হ'ল শিক্ষা। শিক্ষা এক জীৱনযোৰা প্ৰক্ৰিয়া বুলিও পণ্ডিত সকলে কৈ গৈছে।

বৰ্তমান সময়ত সমাজ আৰু শিক্ষা এটা আনটোৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে। সুস্থ সমাজ এখন গঢ়াৰ বাবে যিদৰে শিক্ষাৰ প্ৰয়োজন প্ৰকৃত শিক্ষা প্ৰদানো সমাজৰেই দায়িত্ব।

বৰ্তমান সময়ত শিক্ষা বুলিলে কেৱল আনুষ্ঠানিক শিক্ষাৰ কথাহে বুজা যায়। শিক্ষাৰ আনুষ্ঠানিকতা সমাজৰেই এক দানস্বৰূপ। মানৱ সমাজ সভ্য আৰু সচেতন হৈ অহাৰ লগে লগে আনুষ্ঠানিক শিক্ষাৰ প্ৰয়োজনীয়তা দেখিবলৈ পোৱা যায়। কিন্তু বৰ্তমান সময়ত আনুষ্ঠানিক শিক্ষাই এক ঋণাত্মক দিশ প্ৰদৰ্শন কৰা যেন হে ভাব হয়। বৰ্তমান শিক্ষা নম্বৰমূখীহে, জ্ঞানমুখী নহয়। ছাত্ৰ-ছাত্ৰীসকলে কিমান জ্ঞান আহৰণ কৰিছে তাৰ ওপৰত গুৰুত্ব নিদিয়ে। তেওঁলোকে গুৰুত্ব দিয়ে তেওঁলোকে লাভ কৰা নম্বৰৰ ওপৰতহে। মাক-দেইতাকেও তালৈ সিমান গুৰুত্ব নিদিয়ে। তেওঁলোকে ল'ৰা-ছোৱালীয়ে কিমান নম্বৰ পাই উৰ্ত্তীণ হৈছে বা সৰ্বোচ্চ নম্বৰ পাই এটা শ্ৰেণীৰ পৰা আনটো শ্ৰেণীলৈ প্ৰথম হৈছে নে নাই তাতহে বেছ গুৰুত্ব দিয়ে। ইয়াৰ উপৰিও আজিকালিৰ শিক্ষাৰ্থীৰ মানসিকতাৰ ফলতো আমাৰ শিক্ষা ব্যৱস্থাটো ক্ৰঃমশ নিম্নতৰ স্তৰলৈ গতি কৰিছে। ছাত্ৰ-ছাত্ৰীসকলৰ লক্ষ্য ডাক্তৰ, ইঞ্জিনীয়াৰ আদি উচ্চভিলাৰ্ষী বৃত্তিৰ সৈতে ঐকান্তিক হৈ পৰাৰ পৰিপ্ৰেক্ষিতত নিবনুৱা সমস্যাৰ বৃদ্ধি হৈছে। আমাৰ অৰ্থ ব্যৱস্থাৰ কামিহাড়স্বৰূপ কৃষকসকল সকলোৰে পুতৌ পাত্ৰ হৈ পৰিছে।

মানুহ উচ্চ শিক্ষাৰে শিক্ষিত হৈছে সঁচা। কিন্তু তেওঁলোকৰ মাজৰ সৰহসংখ্যকেই যে জ্ঞানশূণ্য সেইটোও সম্পূৰ্ণ সঁচা। নহ'লে আজি যুৱ উশৃংখলতাৰ কালচক্ৰত বিভিন্ন সময়ত বহু প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ অকাল মৃত্যু নহ'লহেঁতেন। বহু অভিভাৱকে নিজৰ সন্তানৰ হাতত তুলি দিছে ম'বাইল, দামী বাইক, লেপটপ আদি। এয়া কিন্তু মাক দেউতাকে নিজ ইচ্ছাৰে সন্তানৰ হাতত তুলি দিয়া নাই। বাধ্য কৰাইছে সন্তানে মাক-দেউতাকক এনে কৰিবলৈ। যিটো সময়ক পঢ়াৰ সময় বুলি কোৱা হয় সেইটো সময়ত ম'বাইলৰ লগত সময় অতিবাহিত কৰাৰ কি প্ৰয়োজন? কলেজত পঢ়াই থকাৰ সময়ত শেষৰ বেঞ্চত বহি শিক্ষকে নেদেখাকৈ ম'বাইলৰ লগত ব্যস্ত হৈ থাকিব। তাকে দেখি লগৰ কেইজনমানে গৈ ঘৰত হুলস্থূল কৰিব তেনেকুৱা এটা ম'বাইল কিনিবলৈ। যিটো ম'বাইল এতিয়া নহ'লেও একো অসুবিধা নহয়। এনে সন্তানৰ উশৃংখলতাই সামাজিক শৃংখল ভংগ কৰি বিভিন্ন সমস্যাৰ সৃষ্টি কৰিছে। সেয়ে এইক্ষেত্ৰত অভিভাৱকসকল সচেতন হ'বৰ হ'ল। সন্তানৰ দাবী পূৰণেই পিতৃ-মাতৃৰ কৰ্তব্য বা দায়িত্ব নহয়। স্বাধীনতাক শৃংখলাবদ্ধভাৱে ব্যৱহাৰ কৰি সামাজিক দায়বদ্ধতাৰে নিজক পৰিচালিত কৰাৰ শিক্ষাও সন্তানক অভিভাৱকেই দিব লাগিব।

সাম্প্ৰতিক যুগত দেখা গৈছে যে অসমৰ বিভিন্ন অঞ্চল আজিও অন্ধবিশ্বাস আৰু কু-সংস্কাৰেৰে আবৃত। ডিম্বেশ্বৰ নেওগদেৱে কোৱাৰ দৰে "বিশ্বৰ উন্নত দেশসমূহ ইয়াৰ তিনি-চাৰিশ বছৰ আগেয়ে যি অৱস্থাত আছিল, আমাৰ দেশৰ একাংশ আজিও সেই একেই অৱস্থাতেই আছে।" এনে হোৱাৰ প্ৰধান কাৰণ হ'ল শিক্ষাৰ অভাৱ। শিক্ষাৰ অভাৱৰ বাবেই আজি অসমত অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ দৰে জঘন্য আৰু অমানৱীয় ঘনটাসমূহ সংঘটিত হ'বৰ বাবে সুযোগ পাইছে। চ'চিয়েল মিডিয়াৰ অপপ্ৰচাৰ আৰু সমাজৰ অন্ধবিশ্বাসৰ বাবেই অসমৰ দুজন প্ৰতিভাৱান যুৱক নীলোৎপল দাস আৰু অভিজিৎ নাথক সোপাধৰাৰ আখ্যা দি কাৰ্বি আংলঙৰ ডকমকা নামৰ ঠাইত অতি নিৰ্মমভাৱে হত্যা কৰা হয়। এনে ঘটনা অতি দুৰ্ভাগ্যজনক। এই ঘটনাৰ পাছত জীৱনৰ প্ৰতিটো খোজতে অনুভৱ হয় যে অসমীয়া হৈও আমি অসমতেই সুৰক্ষিত নহয়। অন্ধবিশ্বাস আৰু কু-সংস্কাৰে কিছুমান অঞ্চলক এনেদৰে গ্ৰাস কৰি তুলিছে যে ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈও ইমান সহজ নহয়। শিক্ষাৰ পোহৰেহে এই অন্ধবিশ্বাস সমাজৰ পৰা আঁতৰাব পাৰিব। গতিকে বৰ্তমান সময়ত শিক্ষা ইমানেই গুৰুত্বপূৰ্ণ যে শিক্ষাৰ অবিহনে এখন সমাজ ক্ৰমান্বয়ে অন্ধকাৰৰ দিশে গতি কৰিব।

এনে দিশসমূহৰ প্ৰতি সজাগ হ'ব লাগিব সমাজ, পৰিয়াল, সমাজত বাস কৰা প্ৰত্যেকজন ব্যক্তি। তেতিয়াহে শিক্ষাৰ সঠিক মূল্যায়ন হৈছে বুলি ক'ব পাৰি। কেৱল প্ৰতিযোগিতামূলক মনোভাৱেৰে শিক্ষা গ্ৰহণ কৰিবলৈ গ'লে তাৰ সুফল পোৱা নাযায়। বিভিন্ন ধৰণৰ সৰু সৰু পদক্ষেপেৰে এখন সুষ্ঠ আৰু সবল সমাজ গঢ়াৰ দায়িত্ব আমাৰ সকলোৰে। এই ক্ষমতা কেৱল আমাৰ হাততহে আছে। ❑








# পৰিৱেশ, প্ৰকৃতি আৰু মানুহ

দেৱজিৎ ফুকন
মেগামিক্স প্ৰকৃতি সংঘ
ঢকুৱাখনা



পৃথিৱীৰ প্ৰত্যেকটো জীৱই জীৱন ধাৰণ কৰে নিজৰ চৌপাশে থকা জৈৱবৈচিত্ৰ্যৰ খৰচেৰে। অৰ্থাৎ একো-একোটা জীৱই জীৱন ধাৰণ কৰাৰ বিনিময়ত খৰচ কৰিবলগা হয় কিছু জৈৱবৈচিত্ৰ্য বা পৰিৱেশৰ উপাদান। এনেদৰে কৰা খৰচৰ বেলিকা জীৱশ্ৰেষ্ঠ মানুহৰ স্থানকনো ইতৰ প্ৰাণীৰ শাৰীতেই পৰিছে। পিচে দুয়োবিধৰ মাজত খৰচৰ পৰিমানটো তুলনা কৰি চালে দেখা যাব যেন ইতৰ প্ৰাণীয়ে খৰচ কৰিছে মানৱীয় ভাৱে আৰু মানৱজাতিয়ে খৰচ কৰিছে দানৱীয় ভাৱে। ইয়াৰ মূল কাৰণ এটাই। পৃথিৱীত মানুহেই একমাত্ৰ প্ৰাণী যাৰ হাতত বিজ্ঞান আৰু প্ৰযুক্তি হৈ পৰিছে প্ৰধানতম আহিলা। ইয়াৰ সহায়ত আজিৰ মানুহে নিজৰ জীৱনক উপহাৰ দিব লাগিছে ধুমুহাৰ দৰে গতি, আৰাম, বিলাসিতাৰ এক সীমাহীন যাত্ৰা, পৰিশ্ৰম শূণ্য কৰ্ম সম্পাদন আৰু অতি দৰকাৰী, কম দৰকাৰী আৰু অদৰকাৰী ধৰণৰ নানাবিধ প্ৰয়োজনৰ এখন অন্তহীন দীঘল তালিকা। এই ক্ষেত্ৰত আটাইতকৈ ভয়ংকৰ কথাতো হ'ল- আজিৰ মানুহৰ এই সকলোবোৰ প্ৰয়োজন পূৰ কৰা হৈছে নিজৰ চৌপাশৰ পৰিৱেশৰ আৰু জৈৱবৈচিত্ৰৰ অনুপম উপাদান সমূহক পন্যদ্ৰব্য হিচাবে ব্যৱহাৰ কৰি। তাতে ভূতৰ ওপৰতো দানৱৰ দৰে হৈ দেখা দিছে আজিৰ বিশ্বৰ বিশাল জনসংখ্যাই।

পিচে তাহানিৰ দিনবোৰত পৃথিৱীখনত মানুহৰ জনসংখ্যা আছিল সীমিত। তাতে আকৌ তেওঁলোকৰ জীৱন যাত্ৰা আছিল সহজ-সৰল, পৰিশ্ৰম-প্ৰাচুৰ্য্য আদিৰে ভৰা আৰু বিশেষভাৱে নিজৰ চৌপাশৰ প্ৰকৃতিজগতখনৰ সৈতে বহু পৰিমানে বন্ধুত্বপূৰ্ণভাৱে সাঙুৰ খোৱা। তেনেবোৰ দিনত জনসাধাৰণৰ মাজত আৰাম, বিনোদন, বিলাসিতা আদিবোৰ নিতান্তই কম আছিল। এনেবোৰ কাৰণতে সেই কালত প্ৰকৃতি, পৰিৱেশ আৰু জৈৱবৈচিত্ৰ্যৰ বিশেষ কোনো ক্ষতি হোৱা

ধ্বংস সাধনৰ পথ মুকলি কৰাহে হয়। তদুপৰি দহন কাৰ্যৰ ফলত হোৱা গেছীয় প্ৰদূষণ আৰু অপদ্ৰব্যজাত প্ৰদূষণ আছেই।

এইবাৰ আহোঁ পৰিৱেশৰ সবাতোকৈ গুৰুতৰ অৱনতিৰ বিষয়টোলৈ। সেইটো হ'ল "গ্ৰীণ হাউচ এফেক্ট" যাৰ ফলত বৃদ্ধি হ'ব ধৰিছে গোলকীয় উত্তাপ আৰু পৰিণতিত আহি পৰা জলবায়ুৰ পৰিৱৰ্ত্তন, বতৰ-পানীৰ বিচ্যুতি, উষ্ণ প্ৰবাহ, শীতপ্ৰবাহ, অতিবৃষ্টি বা তীব্ৰ খৰাং, নতুন নতুন ৰোগৰ আগমন আদি। ইয়াৰ বাবে দায়ী মানুহৰ প্ৰধানকৈ তিনিটা ব্যাপক কাৰ্যকলাপ। প্ৰথমটো কাৰণ হৈছে এঙাৰ গেছৰ ($CO_2$) মাত্ৰাধিক উৎপাদন। এই গেছৰ প্ৰভাৱত উত্তাপ বৃদ্ধি হোৱা প্ৰক্ৰিয়াটোৰ নামেই হৈছে "গ্ৰীণ হাউচ এফেক্ট"। এতিয়া কথাতো হ'ল পৃথিৱীৰ সৰ্বত্ৰ চলাচল কৰি থকা কোটি সংখ্যক যানবাহন, কোটিসংখ্যক ৰন্ধন চৌকা, লাখ সংখ্যক কল-কাৰখানা আদিয়ে আমাৰ সা-সুবিধা, আৰাম আদি ... সঁচা, কিন্তু তাৰ বিপৰীতে ...

সংশ্লেষণৰ প্ৰয়োজনত শোষণহে কৰে। কিন্তু তাৰ বিপৰীতে এই ধাতৱ পদাৰ্থবোৰ সূৰ্যৰ তাপত নিজে উত্তপ্ত হৈ উঠা উপৰিও প্ৰতিফলন আৰু বীকিৰণৰ দ্বাৰা তাপৰ প্ৰখৰতা দুগুণে বঢ়াই তোলে। প্ৰধানকৈ এই তিনিটা কাৰণতে পৃথিৱীৰ গোলকীয় উত্তাপ দিনক দিনে বৃদ্ধি পাব লাগিছে। ইয়াৰ পৰিণতিত প্ৰায় প্ৰত্যেকটো বছৰেই শতিকাটোৰ উষ্ণতম বছৰত পৰিণত হ'ব ধৰিছে।

এইখিনি কথাৰ পৰা ইয়াকেই বুজা গ'ল যে পৃথিৱীখনৰ পৰিৱেশগত অৱণতিৰ গুৰিতে আছে আধুনিক মানুহৰ দ্বাৰা ব্যাপকভাৱে ৰূপায়িত হোৱা বিজ্ঞান আৰু প্ৰযুক্তি নিৰ্ভৰ কাৰ্য্যকলাপবোৰ। গতিকে এই প্ৰত্যাহ্বানৰ প্ৰধানতম সমাধান সূত্ৰ হৈছে মানৱজাতিৰ পৰিৱেশ বিষয়ক সচেতনতা আৰু পৰিৱেশ বিষয়ক বিধি বিধান। ইয়াৰ দ্বাৰা সামৰি ...

কিন্তু তুমি বাঁহীত সুললিত সুৰ তুলি
গুচি গ'লা অচিন ঘাটলৈ।
নিজান নৈৰ ঘাটৰ, নিৰ্জন সময়
কিনো যে আতুৰ থুৰীয়া তামোলখনত
ভাষাহীন বহুকথাৰ নিজৰা বয়।
সপোনৰ বসন্ত
সপোন দেখো মইও
ঢোল-পেঁপাৰ শব্দত
আজি চৌদিশ মুখৰিত
কিন্তু মই নাচিব পৰা নাই
গাব পৰা নাই,
আহিঅ' আনে যিয়েই নকওক
অস্থায়ী বসন্তৰ উৰণীয়া
গানৰ স্বৰলিপি........। □□□






◆ কবিতা —১

# দিপালী বাইদেউ

(৩০ জানুৱাৰী দিপালী বৰঠাকুৰৰ জন্ম দিনৰ শুভেচ্ছাৰে)


ভাৰতী গগৈ
সহযোগী অধ্যাপিকা

অজন্ম প্ৰতিভা লৈ অসমভূমিত জন্মিলা তুমি
পদ্মশ্ৰী উপাধিৰে সন্মানিতও হ'লা।
ধন্য হ'ল তোমাৰ জন্মদাত্ৰী আই, ধন্য হ'ল তোমাৰ বংশ।
তোমাৰ সুন্দৰতাত ফুলেশ্বৰী হাইস্কুল, কটন কলেজ, সন্দিকৈ কলেজ,
এতিয়াও মুখৰ হৈয়ে আছে।
তোমাৰ পদচিহ্ন সকলোতে [illegible]

তুমি বিচক্ষণ
তুমি হাজাৰ জনৰ জ্ঞানৰ শলিতা
তুমি মহাপ্ৰাণা, কৰ্তব্য পৰায়ণা।
বিলালা তুমি
প্ৰজ্ঞানৰ সৌৰভ জ্যোতি
পিন্ধালা সম্প্ৰীতিৰ সুৰুষ তিলক
দহক শিকালা, মানৱৰ জয়গান
তুমি হৃদয়ৰ, সম্প্ৰীতিৰ মালা।
আজি তোমাৰ বিদায় বেলাত
বেথাৰ মোৰ নিজৰাত
উচুঁপি উঠা দুধাৰি অশ্ৰুত
তোমাৰ এসোঁতা বান
সুৰৰ মালিতা হৈ তুমি
পঞ্চমৰ সুৰ ঢালি
বোৱালা মহা ভৈৰৱীৰ.....।
তুমিতো এখনি মৌনভৰা অভিধান।
তোমাৰ ত্যাগ, শৰতৰ বোল সনা এটি হাঁহি
তুমি এটি আজন্ম স্বপ্ন
কামনাৰ এটি সীৰলুত
আহিনৰ মুখ চোৱা
এখনি মসৃণ দাপোণ।
অথনুত তোমাৰ
কলিজাত পিৰ্ পিৰাই ফুৰে
শাওণৰ বানে।

ন-কাচোনৰ বাঁহীৰ সুৰত
যুগৰ চেতনা বাজে
তোমাৰ মুখৰ সুকোমল মাতত
বিশ্বৰ সম্বন্ধ সাৰ পাই উঠে।

তুমি অনন্য
তুমি জোনাকৰ কামিনী
তোমাৰ শিৰত জিলিকিছিল
পূণ্য আশীষ সোনালী ভৈৰৱ ৰাগৰ।
দুচকুৰ তীৰত
জাক পাতি বহিছে
সাদৰী শাৰদী জোনাকৰ ছায়া
তোমাৰ ওঁঠত কঁপিছে
নুবুজা ভাষাৰ, শব্দৰ ভাণ্ডাৰ
তুমিতো গীতৰ উচ্চাংগ শিখৰ......।
হে সত্য সাধক, জোনাকৰ জেউতি
সাধনাৰ ফুলনিত
মাধুৰী ফুলাই তুমি
মানৱৰ জয়গান গোৱা
হেঁপাহেৰে দুহাত বোলাই
গাঁঠি দিলা এধাৰি
সম্প্ৰীতিৰ সুৰুষৰ মালা.....।

ধ্বংস সাধনৰ পথ মুকলি কৰাহে হয়। তদুপৰি দহন কাৰ্যৰ ফলত হোৱা গেছীয় প্ৰদূষণ আৰু অপদ্ৰব্যজাত প্ৰদূষণ আছেই।

এইবাৰ আহোঁ পৰিৱেশৰ সবাতোকৈ গুৰুতৰ অৱনতিৰ বিষয়টোলৈ। সেইটো হ'ল "গ্ৰীণ হাউচ এফেক্ট" যাৰ ফলত বৃদ্ধি হ'ব ধৰিছে গোলকীয় উত্তাপ আৰু পৰিণতিত আহি পৰা জলবায়ুৰ পৰিৱৰ্ত্তন, বতৰ-পানীৰ বিচ্যুতি, উষ্ণ প্ৰবাহ, শীতপ্ৰবাহ, অতিবৃষ্টি বা তীব্ৰ খৰাং, নতুন নতুন ৰোগৰ আগমন আদি। ইয়াৰ বাবে দায়ী মানুহৰ প্ৰধানকৈ তিনিটা ব্যাপক কাৰ্যকলাপ। প্ৰথমটো কাৰণ হৈছে এঙাৰ গেছৰ ($CO_2$) মাত্ৰাধিক উৎপাদন। এই গেছৰ প্ৰভাৱত উত্তাপ বৃদ্ধি হোৱা প্ৰক্ৰিয়াটোৰ নামেই হৈছে "গ্ৰীণ হাউচ এফেক্ট"। এতিয়া কথাতো হ'ল পৃথিৱীৰ সৰ্বত্ৰ চলাচল কৰি থকা কোটি সংখ্যক যানবাহন, কোটিসংখ্যক ৰন্ধন চৌকা, লাখ সংখ্যক কল-কাৰখানা আদিয়ে আমাৰ সা-সুবিধা, আৰাম আদি বৃদ্ধি কৰিছে সঁচা, কিন্তু তাৰ বিপৰীতে সেই দহন কাৰ্যত টন টন হিচাবত উৎপন্ন হোৱা এঙাৰ গেছবোৰ যাব ক'লৈ। সেইবিলাক চামে চামে জমা হ'ব ধৰিছে বায়ুমণ্ডলত। এবিলাকে দিনক দিনে বঢ়াব লাগিছে "গ্ৰীণ হাউচ এফেক্ট"ৰ মাত্ৰা। তদুপৰি বিভিন্ন জৈৱিক কাৰণত উৎপন্ন হোৱা মিথেন নামৰ গেছবিধো উত্তাপ বৃদ্ধিৰ ক্ষেত্ৰত এঙাচ গেছৰ সহযোগী।

দ্বিতীয়টো কাৰণ হৈছে অৰণ্য হ্ৰাস। উদ্ভিদ জগতখনে সম্পাদন কৰা সালোক সংশ্লেষণ নামৰ ৰাসায়নিক প্ৰক্ৰিয়াটোৱেই একমাত্ৰ সূত্ৰ যাৰ জৰিয়তে উৎপাদন হয় পৃথিৱীৰ সমগ্ৰ জীৱজগতখনৰ বাবে আহাৰ। একমাত্ৰ সেউজীয়া উদ্ভিদ জগত খনৰহে আছে সালোক সংশ্লেষণ ঘটোৱাৰ নিজস্ব ক্ষমতা। এতিয়া মন কৰিব লগা কথাতো হ'ল যি এঙাৰ গেছৰ বৃদ্ধিৰ বাবে গোলকীয় উষ্ণতা উৰ্দ্ধগামী হৈছে, সেই এঙাৰ গেছ সালোক সংশ্লেষণ প্ৰক্ৰিয়াত শোষণ কৰি আহিছে কেৱল উদ্ভিদ জগতখনে। পিচে এনেহেন উদ্ভিদ ৰাশিক আজিৰ মানুহে পণ্যদ্ৰব্য হিচাবে জ্ঞান কৰি নিঃশেষ কৰিব ধৰিছে দ্ৰুত গতিৰে।

তৃতীয়টো কাৰণ হৈছে নানা ধাতৱ পদাৰ্থৰ সমাৱেশ। আধুনিক মানুহৰ জীৱন যাত্ৰাত বিজ্ঞান-প্ৰযুক্তিৰ ব্যৱহাৰৰ মাত্ৰা বঢ়াৰ লগে লগে সমগ্ৰ ভূ-পৃষ্ঠখন ঢাকি ধৰিছে নানা প্ৰকাৰৰ ধাতৱ সমাহাৰেৰে। তাহানিৰ খেৰ, বাঁহ, কাঠ, বেট, ইকৰা, তৰা, উলু, বিৰিণা আদিৰ ঠাইবোৰ আজি অধিকাৰ কৰি পেলাইছে টিনপাত, লোহা, চিমেণ্ট, কংক্ৰিত, প্লাষ্টিক, এলুমিনিয়াম আদি কৰি বিবিধ পদাৰ্থই। সূৰ্যৰ তাপত গছৰ পাতবোৰ উত্তপ্ত হৈতো নুঠেই বৰঞ্চ তাপখিনি সালোক সংশ্লেষণৰ প্ৰয়োজনত শোষণহে কৰে। কিন্তু তাৰ বিপৰীতে এই ধাতৱ পদাৰ্থবোৰ সূৰ্যৰ তাপত নিজে উত্তপ্ত হৈ উঠাৰ উপৰিও প্ৰতিফলন আৰু বীকিৰণৰ দ্বাৰা তাপৰ প্ৰখৰতা দুগুণে বঢ়াই তোলে। প্ৰধানকৈ এই তিনিটা কাৰণতে পৃথিৱীৰ গোলকীয় উত্তাপ দিনক দিনে বৃদ্ধি পাব লাগিছে। ইয়াৰ পৰিণতিত প্ৰায় প্ৰত্যেকটো বছৰেই শতিকাটোৰ উষ্ণতম বছৰত পৰিণত হ'ব ধৰিছে।

এইখিনি কথাৰ পৰা ইয়াকেই বুজা গ'ল যে পৃথিৱীখনৰ পৰিৱেশগত অৱণতিৰ গুৰিতে আছে আধুনিক মানুহৰ দ্বাৰা ব্যাপকভাৱে ৰূপায়িত হোৱা বিজ্ঞান আৰু প্ৰযুক্তি নিৰ্ভৰ কাৰ্য্যকলাপবোৰ। গতিকে এই প্ৰত্যাহ্বানৰ প্ৰধানতম সমাধান সূত্ৰ হৈছে মানৱজাতিৰ পৰিৱেশ বিষয়ক সচেতনতা আৰু পৰিৱেশ বিষয়ক বিধি বিধান। ইয়াৰ দ্বাৰা সামৰি ল'ব লাগিব প্ৰত্যেকখন দেশৰ শাসক বৰ্গৰ পৰা আৰম্ভ কৰি সমাজৰ সকলো স্তৰৰ নাগৰিকক। ইতিমধ্যে বিশ্বৰ একাংশ উন্নত দেশে এই ক্ষেত্ৰত কেইবাটাও পদক্ষেপ আগুৱাই গৈছে। এনেবোৰ দেশৰ নেতৃত্বত বিশ্ব সম্প্ৰদায়ে গ্ৰহণ কৰিছে বিবিধ সমাধান সূত্ৰ। সেই অনুসৰি পৃথিৱীৰ পৰিৱেশৰ সুৰক্ষাৰ স্বাৰ্থত বিশ্বজুৰি গ্ৰহণ কৰা হৈছে বিভিন্ন চুক্তি, বিধি-বিধান, বুজাবুজি, স্বাক্ষৰ, ঐক্যমত আদি। এইবিলাকৰ সঠিক ৰূপায়নৰ দ্বাৰাহে পৃথিৱীৰ পৰিৱেশগত সংকট সমাধান কৰা সম্ভৱ হৈ উঠিব। "তাৰবাবে *প্ৰত্যেকজন নাগৰিকে নৱীকৰণ কৰি ল'ব লাগিব নিজৰ পৰিৱেশ বিষয়ক আচৰণবোৰ আৰু গঢ়ি তুলিব লাগিব নিজৰ পৰিৱেশ বিষয়ক সৰ্বাত্মক সচেতনতা। সেই অনুসৰি এই লিখনিৰ দ্বাৰা আমাৰ অঞ্চলৰ, আমাৰ পৰিৱেশৰ বিষয়ে কৰিবলগা চিন্তা চৰ্চাৰ এখন মেনু বা তালিকাৰ কিছু আভাস দিয়া হৈছে। এইবিলাকৰ দ্বাৰা আমাৰ আজিৰ যুগৰ এটা অতি গুৰুত্বপূৰ্ণ পৰিচয় আহি পৰিব- সেইটো হৈছে "পৰিৱেশ সচেতন নাগৰিক সমাজ"।* ❑

* লেখক অসমৰ এজন প্ৰসিদ্ধ পৰিৱেশ কৰ্মী, মেগামিঞ্জ প্ৰকৃতি সংঘৰ জন্মদাতা, বৰ্ত্তমান সংঘৰ মুখ্য সমন্বয়ক আৰু সম্পাদক।

* তেখেত অসমৰ ৰাজ্যপালে নিযুক্তি দিয়া ধেমাজি জিলাৰ প্ৰাক্তন Honorary Wildlife Warden (1997-2001)।

* লেখক ২০১৮ চনৰ অসম সাহিত্য সভাৰ "সেউজ যাত্ৰা" বঁটা প্ৰাপক।

*****




◆ কবিতা —১

# দিপালী বাইদেউ

## (৩০ জানুৱাৰী দিপালী বৰঠাকুৰৰ জন্ম দিনৰ শুভেচ্ছাৰে)

ভাৰতী গগৈ
সহযোগী অধ্যাপিকা



অজস্ৰ প্ৰতিভা লৈ অসমভূমিত জন্মিলা তুমি
পদ্মশ্ৰী উপাধিৰে সন্মানিতও হ'লা।
ধন্য হ'ল তোমাৰ জন্মদাত্ৰী আই, ধন্য হ'ল তোমাৰ বংশ।
তোমাৰ সুন্দৰতাত ফুলেশ্বৰী হাইস্কুল, কটন কলেজ, সন্দিকৈ কলেজ,
এতিয়াও মুখৰ হৈয়ে আছে।
তোমাৰ পদচিহ্ন সকলোতে পৰি ৰ'ল।
যাদুকৰী কণ্ঠত মুগ্ধ হ'ল দেশবাসী, আলোকিত হ'ল আকাশবাণী।
কটন কলেজত গীত গাওঁতে তুমি বৰ ধুনীয়া আছিলা।
কুকিল কণ্ঠত মগ্ন হৈ তোমাক জুমি জুমি চাইছিল ডেকাবোৰে।
সহজ সৰল গাঁৱৰ মানুহ চাবলৈ বন্ধুক যে সময় পালে
আহিবলৈ কৈছিলা, আহিলেনে বাৰু?
"চেনাই মই যাওঁদেই বিহুতে আহিমগৈ" বুলি প্ৰতি বিহুতে
মনৰ কথা তুমি গীতেৰে ক'লা।
'বৰশীৰ চিপ' মাৰি দিওঁতে মাছটো বামত পৰি জপিয়াই গুছি গ'ল।
তুমি ৰ'লাগি চাই ৰ'লা।
কাষত কলহ লৈ ৰূপৱতী জনীয়ে তোমাকে চালে।
'অ' তুলতুল, অ' বুলবুল', বুলি মাতোতে সিহঁতে দৰা-কইনা
খেলিবলৈ দৌৰি আহিছিল।
বিহু আহিলে পিঠাগুৰি খুন্দি পকুৱা-পিপৰাক খাবলৈ দিব
পাৰানে বাৰু আজিও?
তোমাৰ সুললিত কণ্ঠত গীতে জীৱন পালে।
নীলাবাইদেউৰে তোমাৰ বাবে মনোৰম উপহাৰ দিলে।
সেই গীতবোৰে জীয়াই ৰাখিব অসমৰ সংস্কৃতি পৰম্পৰা।
সোণৰ খাৰু নেলাগে বুলি আইক কৈছিলা নহয়,
তুমিয়ে দেখোন সোণৰ খাৰু। আমিও তাকেই পিন্ধিম, গাম।
তুমি সৌভাগ্যৱতী, তোমাৰ স্বামী দেৱতুল্য।
অ'ত মৰম চেনেহ, আলপৈচানেৰে তোমাৰ মুখৰ
হাঁহি জিলিকাই ৰাখিছে। তোমাৰ স্বামীলৈও
জনাইছো প্ৰণাম।
জন্ম দিনৰ শুভেচ্ছা জনালো, এগৰাকী গাঁৱলীয়া মহিলা হিচাপে।
❑❑❑

◆ কবিতা —২

# বসন্ত আৰু মই

প্ৰিয়ংকা বৰুৱা
ষষ্ঠ যান্মাসিক, অসমীয়া বিভাগ।

যোৱা ৰাতি কুলিজনীয়ে বৰকৈ বিনালে
তাকে দেখি মোৰ আইৰ কলিজাই ধৰফৰাই উঠিলে
বসন্ত আহি দেখোন আমাৰ ওচৰ পালে।
ভনীজনীয়ে বৰকৈ আমনি কৰিছে
তাইক লাগে বিহুতলী শুৱাবলৈ
হেজাৰটকীয়া মুগাৰ সাজ
ক'ৰপৰা দিয়ে দেহি!
এসাঁজ খাই আমি নেখাওযে দুসাঁজ।
প্ৰেমিক বসন্ত,
তুমি অহাৰ দিন ধৰি
বুকুখন বৰকৈ বিষাইছে
সিদিনাযে গ'লাই, তুমি অহা নাই
বৰপথাৰৰ বাকৰিত ৰৈ ৰৈ
মইজনী ভাগৰি পৰিছোঁ।
কিন্তু তুমি বাঁহীত সুললিত সুৰ তুলি
গুচি গ'লা অচিন ঘাটলৈ।
নিজান নৈৰ ঘাটৰ, নিৰ্জন সময়
কিনো যে আতুৰ থুৰীয়া তামোলখনত
ভাষাহীন বহুকথাৰ নিজৰা বয়।
সপোনৰ বসন্ত
সপোন দেখো মইও
ঢোল-পেঁপাৰ শব্দত
আজি চৌদিশ মুখৰিত
কিন্তু মই নাচিব পৰা নাই
গাব পৰা নাই,
আই অ' আনে যিয়েই নকওক
অস্থায়ী বসন্তৰ উৰণীয়া
গানৰ স্বৰলিপি.......।







◆ কবিতা —৩

# ড° ভূপেন হাজৰিকা
## সোঁৱৰণীৰ স্মৃতিৰ সঁফুৰা খুলি........

জয়শ্ৰী দাস
প্ৰথম যান্মাসিক, ৰাজনীতি বিভাগ।



তুমি অনন্য
তুমি বিচক্ষণ
তুমি হাজাৰ জনৰ জ্ঞানৰ শলিতা
তুমি মহাপ্ৰাণা, কৰ্তব্য পৰায়ণা।
বিলালা তুমি
প্ৰজ্ঞানৰ সৌৰভ জ্যোতি
পিন্ধালা সম্প্ৰীতিৰ সুৰুয তিলক
দহক শিকালা, মানৱৰ জয়গান
তুমি হৃদয়ৰ, সম্প্ৰীতিৰ মালা।
আজি তোমাৰ বিদায় বেলাত
বেথাৰ মোৰ নিজৰাত
উচুঁপি উঠা দুধাৰি অশ্ৰুত
তোমাৰ এসোঁতা বান
সুৰৰ মালিতা হৈ তুমি
পঞ্চমৰ সুৰ ঢালি
বোৱালা মহা ভৈৰবীৰ.....।
তুমিতো এখনি মৌনভৰা অভিধান।
তোমাৰ ত্যাগ, শৰতৰ বোল সনা এটি হাঁহি
তুমি এটি আজন্ম স্বপ্ন
কামনাৰ এটি সীৰলুত
আহিনৰ মুখ চোৰা
এখনি মসৃণ দাপোণ।
অথনুত তোমাৰ
কলিজাত পিৰ্ পিৰাই ফুৰে
শাওণৰ বানে।

ন-কাচোনৰ বাঁহীৰ সুৰত
যুগৰ চেতনা বাজে
তোমাৰ মুখৰ সুকোমল মাতত
বিশ্বৰ সম্বন্ধ সাৰ পাই উঠে।

তুমি অনন্য
তুমি জোনাকৰ কামিনী
তোমাৰ শিৰত জিলিকিছিল
পূণ্য আশীষ সোনালী ভৈৰৱ ৰাগৰ।
দুচকুৰ তীৰত
জাক পাতি বহিছে
সাদৰী শাৰদী জোনাকৰ ছায়া
তোমাৰ ওঁঠত কঁপিছে
নুবুজা ভাষাৰ, শব্দৰ ভাণ্ডাৰ
তুমিতো গীতৰ উচ্চাংগ শিখৰ......।
হে সত্য সাধক, জোনাকৰ জেউতি
সাধনাৰ ফুলনিত
মাধুৰী ফুলাই তুমি
মানৱৰ জয়গান গোৱা
হেঁপাহেৰে দুহাত বোলাই
গাঁঠি দিলা এধাৰি
সম্প্ৰীতিৰ সুৰুযৰ মালা.....।

# গুৰু

অনিল দাস
বি.এছ.চি. পঞ্চম যান্মাসিক

গুৰু......,
যাৰ পৰশত,
জীৱন দস্তাবেজৰ
এমা-ডিমা ডেওনাৰে সপোনৰ উকমুকনি
সেয়া আছিল আঙুলিৰ পৰশ।
সান্নিধ্যৰে জ্বলাইছিল আলোকৰ বন্তি।

দুৰ্গম দুৰ্লভ সময়ৰ দেওলগা সাৰথি
পথভ্ৰষ্ট পথিক বিচ্ছিন্ন পথত
দুৰ্জেয় সাহসেৰে উদ্ভাসিত কৰা
মূল্যবোধৰ চাকি
তেওঁৱেই আমাৰ আদিম গুৰু.....।

মহৰ্ষি,
তোমাৰ স্পৰ্শত প্ৰাণ পায়
প্ৰেম আৰু আদৰ্শৰ প্ৰতীক
তোমাৰ ভৰিত খোপনি পুতি আগবাঢ়িছো
সফলতাৰ শিখৰলৈ.....।
মানৱতাৰ মানস পটত তুমি
শিলাদিত্য.....।







# আই

পলি দলে
ৰাজনীতি বিজ্ঞান বিভাগ

আই তুমি সৃষ্টিৰ বাটত যাব খোজা নাৰী
তোমাৰ নাৰীত্বৰ মৰ্যাদা তুমি
ঢাকি নথবা চাদৰৰ আঁচলেৰে

আই তুমি পূৰ্বঠ মগজুৰ
বিকশিত যাত্ৰাৰ নাৰী
মই জানো।।

আই তুমি পিতাইৰ ভয়ত
লুকুৱাই নথবা সেই যে
তোমাৰ সাহিত্য চৰ্চাৰ বাসনাক
অগ্নিস্ফুলিং হৈ চিটিকি পৰিব দিয়া
নাৰী যে পুৰুষতকৈ আগত।

আই তোমাৰ দোকানত
নতুন সুৰৰ লহৰ তুলিম
পিতায়েৰে কেতিয়া বুজিব
নাৰী হৃদয়ৰ কান্দোনক?


আই তুমি গঢ়া তোমাৰ, আমাৰ
নাৰীত্বৰ পৃথিৱীক দৃঢ়তাৰে
কিয় জানা কেতিয়া পুৰুষ সকল
আমাৰ শত্ৰু হৈ পৰে ক'বতো নোৱাৰো।

আই তুমিতো কাম কৰা যন্ত্ৰ নহয়
কিয় সকলোবোৰ কাম হাত পাতি লোৱা
আই সন্তানৰ হৃদয়ে কষ্ট পায়
যেতিয়া তোমাৰ দেহাক
অৱসাদে ঘেৰি ধৰে।
আই তুমি ওলাই আহা
ন সূৰুযৰ ৰশ্মিৰ দিশে।।



# মাজুলী

বিদ্যাৱতী পেগু
স্নাতক প্ৰথম ষান্মাসিক
অসমীয়া বিভাগ



মাজুলীক লগা পাইছানে তুমি ?
নাইপোৱা
দহোবন কাটি কৰি
আহি যাবা এপাক
অন্ততঃ

কান্দিব পৰাকৈ লুইতৰ বুকুত।
তুমি লগ পাই যাবা মাজুলীক,
কমলাবাৰীৰ ডৰিয়া ঘাটত
পাকঘূৰনি খাই মৰা
এজাক জাকৈয়া কনেঙৰ
নাঙঠ শৰীৰবোৰৰ কথা,
এবাৰ আহি যাবাছোন
পীতাম্বৰ প্ৰভুৰ ভাওনা সবাহলৈ
গড়মূৰ, চামগুৰিৰ ৰাস উৎসৱলৈ
দক্ষিণপাট বেঙেনাআটীৰ তীৰ্থভূমিলৈ
শেনচোৱাৰ মায়ামৰা বুকুলৈ
লগ পাই যাবা তুমি
মাজুলীক।





# চকু মেলা আই

ছোনিয়া গগৈ
স্নাতক তৃতীয় ষান্মাসিক
অসমীয়া বিভাগ



চকু মেলা আই
গৰ্ভ ফালি মাতুল ঘাটক নবীৰ
আৰ্তনাদ আকৌ শুনক মোৰ অসমীয়াই
হিংসা, বিদ্বেষ, বৰ্বতাৰ ক্লেশৰ সোঁতত
উটি গ'ল তোমাৰ তিনিবৰণীয়া জাতিৰ প্ৰতীক
তমসা ৰাতিৰ জোনাকীৰ টঙিঘৰ
থানবান পশ্চিমৰ বতাহত
নাই আজি তোমাৰ পুঁৱতিৰ ফেহুজালিৰ
নানাৰঙী আশাৰ ৰেঙনি
চাৰিওফালে কেৱল মোৰ আৰু মোৰ
মোৰ স্বাৰ্থ, মোৰ বৰ্বৰতা
ছানি পৰিল তোমাৰ শুকুলা আকাশ
কলা ডাৱৰে,
শেষ কৰি গৈছে মোৰ দেশ, জাতিৰ ভৱিষ্যত
হিংসা, বিদ্বেষ বৰ্বৰতাৰ দুৰাত্মাই
ঠিকনাবিহীন হ'ব তোমাৰ পৰিয়াল সহোদৰ
এতিয়াও মাৰ যোৱা নাই ৰবি
চকু মেলা আই
পাহৰণিৰ গৰ্ভত হেৰাব নিদিবা তোমাৰ হৃদয়ক
চকু মেলা আই
বিৰামৰ আৰু অৱকাশ নাই
মেলি দিয়া তোমাৰ তিনিবৰণীয়া জাতিৰ প্ৰতীক
উৰুৱাই এছাতি শান্তিৰ বতাহ
মৰহি যাব নিদিবা চকুৰ পতা।

# কবিতা

মৃদুল শইকীয়া
পঞ্চম ষান্মাসিক

যন্ত্ৰণাকাতৰ দিনবোৰৰ টিক টিক
ঘণ্টাধ্বনিৰ বিষাদেৰে উপচাই তোলে
মৌনতা যেন সপোনৰ কলাজ
অতীত দিনৰ ক্ৰিয়াকলাপৰ
ধূসৰ বেদনাই
জোকাৰি গৈছে জীয়াই থকাৰ মাদকতাক
জয়াল আজি এই আইৰ কোলা
আৰ্থিক দীনতাৰ তাড়নাত
হিয়া ভুকুৱাই কান্দি কান্দি
পাৰ কৰে ক'ত উজাগৰী নিশা
কোনোবা মাতৃহাৰা পুত্ৰই
এইয়া দোভাগ নিশা, ৰেলৰ চিৰিত আৰ্তনাদৰ
বিলাপ কৰা কোনোবা দুখিনী আইৰ
জাৰজ পুত্ৰৰ হিয়াঢাকুৰা বিননি
উঁই.... অতি বেদনাগধুৰ দিন এইয়া।।
পথৰ দাঁতিত ক'ত জনগন নিতৌ অহা যোৱা
কাৰোবাৰ জানো ভ্ৰূক্ষেপ
ভোকাতুৰ হৈ পৰি থকা
দীঘল চুলি, মলিয়ন কাপোৰেৰে আবৃত্ত
শোতোৰা শোতোৰ গাৰ চালেৰে
সেইজন অসহায় ব্যক্তিলৈ
যিজন ব্যক্তিয়ে! দেশৰ হকে, নিজৰ মাটিৰ হকে
ৰাইজৰ স্বাৰ্থত প্ৰাণ আহুতি দিছিল।।
স্বাৰ্থপৰ....? অ স্বাৰ্থপৰ আজিৰ যুগৰ মানুহ
প্ৰচুৰ ধনৰ বিলাসীতাই
পাহৰাই তুলিছে জননী আই
জন্মভূমিৰ কথা।।
কোনে দিশে লৈছে গতিপথ
আজিৰ জনতাই.....
নিজক জীয়াই ৰখাৰ স্বাৰ্থত নে অন্য কিবা...
কিবা যেন আউল লগা পাক
জুকীয়াই নাপাওঁ পাৰ
মাথোঁ পাওঁ আৰ্থিক দীনতাৰ ভাৰ।







# আত্মাৰ অনুভৱ


ৰাজীৱ দাস
অসমীয়া বিভাগ
স্নাতক তৃতীয় ষান্মাসিক

এইজাক বৰষুণ সেইজাকৰ দৰেই আছিল
যিজাক বৰষুণত তিতি মোৰ মাৰাত্মক জ্বৰ হৈছিল।
এতিয়া এইজাক বৰষুণে মোক তিয়াব নোৱাৰে
এতিয়া বৌতিয়েও মোক বিচাৰি নাহে।
পৃথিৱীৰ দীঘল ৰাতিবোৰ নাজানো কেতিয়া পুৱাব
আকৌ এবাৰ উভতি চাওঁ, দুখতে সুখ অনুভৱ
কৰি জীয়াই থকা মানুহবোৰক।
সামান্য কষ্ট সহ্য কৰিব নোৱাৰি আত্মহত্যা কৰা
কাপুৰুষীয়া দেহক হাজাৰ সপোনে হাতবাউলি মাতে।
কুলিৰ মাতটো মোৰ অচিনাকী লাগে
ঢোলৰ মাতে মোক ৰিঙিয়াই নামাতে।
দুপৰৰ ৰ'দালীজাকৰ পোহৰ তোমাৰ চুলিত
দেখিলেও ডালিম গুটীয়া দাত পাৰিয়ে মিচিকীয়াই।
চকু পিৰিকীয়াই কোনোবাই চালেও মোৰ হিয়া কঁপি নুঠে
নিস্তব্ধ এই নিশা শুনা পাঁও ভেকুলীৰ টোৰটোৰনি
জিলিৰ জিলজিলনি।
ক'ত দিন হ'ল সেউজীয়া পথাৰখন সোণালী নেদেখা
বৌতিয়ে বতাহে হেলনীয়া কৰা চাকিৰ পোহৰত
মূৰ কপালে হাত দি কি ভাবিছে?
দেউতাই পিছফালৰ কুঁৱাটোৰ আৰ হৈ কিয় চকুলোঁ টুকিছে।
তেজৰ পানী টুপি নয়নৰ দুপাহি মেলি সৰি পৰিছে।
এতিয়া এই আত্মাই জানো পাৰিব আত্মহত্যা কৰিব।



# নদীখন গাভৰু হ'ল

মমী দত্ত
স্নাতক চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ



অজলা আকাশখনে কান্দি উঠে
বৰষুণ হৈ টোপে টোপে সৰে
সাৰ পাই উঠে নদীৰ বুকু।
মানুহৰ বুকুৰ টৌবোৰো নামি আহে
ক্ৰমশঃ লাহে লাহে...
সেউজীয়া সপোনবোৰক বিদায় দি,
চহা কৃষকে আপোন কৰে
গাভৰু নদীক।
লগৰীয়া হয় বলিয়া বতাহছাটি,
বানবিধ্বস্তৰ বুকুত মেঘে খুন্দিয়াই
জোৰেৰে...
মাথো বহু জোৰেৰে।

* মাজুলীত হোৱা প্ৰলয়ংকাৰী বানৰ পৰিস্থিতিৰ আধাৰত।

(২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত ঠাইতে লেখা কবিতা প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত)






# মৃত্যুশৰ্য্যাত তোমাৰ আলিংগন

সংগীতা চিৰিং
প্ৰাণী বিজ্ঞান বিভাগ

জীৱনৰ জঁটা বন্ধা ঘন ৰহস্যত
কক্‌বকাই ফুৰিছে শৰীৰ, মন, হৃদয়...
নিৰৱে পৰি আছো মৃত্যুশৰ্য্যাত...
শেতা দুচকুৰে বিচাৰি ফুৰিছো
পোৱা নোপোৱাৰ বহু হিচাপ...

দেওলগা পথটোৰ আঁজুৰি নিলা মোৰ হৃদয়সত্ত্বা;
মইযে অকলশৰে উভটি আহিছিলো
তুমি দিয়া চেপা বিষাদৰ চেকুৰা লৈ...
মোৰ হেঁপাহবোৰ অনাদৰ কৰি দুহাত
গুজি দিলা কোনোবা অনামিকাৰ হাতত...!
বিশ্বাসঘাতকতা মোৰ প্ৰাচীন শত্ৰু
বিশ্বাস যেন আজি দুৰ্বোধ্য সাঁথৰ
যাক বিচাৰি মিছায়ে হাবাথুৰি খালো...
মোৰ কপালত এদিন উজ্বলি উঠিল
কাৰোবাৰ নামত দগ্‌মগীয়া ৰঙা বেলি
অথচ তুমিবিহীন জীৱনৰ প্ৰতিটো উশাহে
সংগোপনে বিচাৰি ফুৰে তোমাক...
তুমিযে আকাশ মোৰ অৱচেতন প্ৰাণত,
কোনেও নজনাকৈ...
কোনোবা দেৱশিশুৰ কোমল স্পৰ্শত এদিন
মই মাতৃত্বৰ আকুলতাৰে জাগি উঠিছিলো,
আজিৰ একান্নবৈ বছৰীয়া মইজনীক
এতিয়া কাৰো প্ৰয়োজন নাই...
সেয়েহে তিল তিলকৈ গণিছো মৃত্যুৰ ক্ষণ
মৃত্যু হেনো চিৰসুন্দৰ, চিৰশান্তি...
তুমিওটো চিৰ আকাংক্ষিত মোৰ...
ফুলৰ সুগন্ধিৰে ভৰা এই মৃত্যুশৰ্য্যাত
অনুভৱ কৰিছো তোমাৰ উষ্ম আলিংগন...।



(২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত ঠাইতে লেখা কবিতা প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত)

◆ কবিতা —১২

# আকাশৰ বিশালতা

শিখামণি দাস
অসমীয়া বিভাগ



মৌন আকাশৰ বুকুত বিশালতা
কিবাযেন আজব আজব লগা পৰিবৰ্তন।
বহু দিনেই হ'ল লক্ষ্য কৰি থকা
ভাগৰি পৰিলো
ই দেখোন একোকে নকয়
মাথো সময়ৰ আৱৰ্তত
বৰণ সলায়;
আৰু সলনি কৰে বাগৰ
যেনে দৰে ই আগুৱাই যায়
প্ৰতিমুহূৰ্ত্তত।
একোকে নকয় কাকো
আৰু নৰয় কাৰো বাবে।
পাৰ হৈ যোৱা অতীতবোৰ বিচাৰি
আকাশৰ বুকুলৈ চায় ফেকুৰী উঠো
কিন্তু ই বৰ কঠোৰ
তথাপিও ই এনেকৈয়ে ৰয়
ইমান বিশালতাই
যেন মোক অপেক্ষা কৰে
যেন কেৱল মোৰ কথাবোৰহে
শুনি যায়.....।

(২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত ঠাইতে লেখা কবিতা প্ৰতিযোগিতাত তৃতীয় স্থান প্ৰাপ্ত)



# অতীত সোঁৱৰণ



অম্বিকাগিৰি ৰায়চৌধুৰী
(১৮৮৮-১৯৬৭)

## শুনিবি ভাই! দেশৰ কথা কওঁ...

শুনিবি ভাই! দেশৰ কথা কওঁ....
বুকুভৰা মোৰ বেথাৰ বোজা নমাই পাতল হওঁ...
হে ভাই! দেশৰ কথা কওঁ।

কাল অগনি সৌ জ্বলে তোৰ আকাশ-পাতাল ছানি,
নদী-নলা গ'ল যে শুকাই নাই এটোপা পানী।
গছে-গছে ফলে ভৰি তোৰ মধুৰ ফলৰ জাক,
তাতো যে সৌ ডাল-শলিয়াই ঘটালে বিপাক।

খেতি পথাৰ হৈ পৰিল তোৰ শুকান শিলৰ গুৰি,
পথাৰভৰা জীপ্‌খিনি তোৰ গ'ল যে তেনেই পুৰি....
ঘৰ-বাৰী তোৰ পোহৰ কৰি সোণৰ উঁৱাল জ্বলে,
তইতো নাপাৱ কণা এটি লুটে দলে-দলে।

ভাত-কাপোৰ ওপচা তোৰ জন্মভূমিৰ পাৰ,
তথাপিও দেশজুৰি হায়! ভাতৰ হাহাকাৰ।

তোৰ চোতালত আনে তোলে কিমান চমকনি,
তই দেখোঁ হায়! ঘৰৰ চুকত আছ প্ৰমাদ গণি
আশাৰ সুৰুয ঢাকি পৰে ক'লা মেঘৰ ছায়া
দেশময় তোৰ গোটমৰা হায়! চেতনাহীন কায়া,

নহ'বতো এইদৰে তোৰ দেশত জীয়াই থকা,
নিশ্চিহ্ন হৈ মৰিবি খাই কেৱল গঁতা-ঢকা
হে ভাই! দেশৰ কথা কওঁ,
শুনিবি ভাই দেশৰ কথা কওঁ।।

◆ অনুভৱ —১

# নৈ

বিশ্ব[illegible]
কলা শাখা, উঃমাঃ প্ৰথম [illegible]

নৈ সভ্যতা-সংস্কৃতিৰ বুনিয়াদ। জনজীৱনৰ সাহ, প্ৰেৰণা। জীৱন-জীৱিকাৰ আধাৰ। নৈপৰীয়া মানুহ নৈকে আশ্ৰয় হিচাপে লৈ জীয়াই থাকে। নৈৰ পৰশত উৰ্বৰা হয় কৃষকৰ ঘামসৰা মাটি। নৈয়ে ভঙা-পতাৰ খেল খেলে। পুৰণি পৃথিৱীৰ সৈতে মানুহক একাত্ম কৰি নৈ বৈ থাকে, নৈ সময়ৰ ধাৰাভাষ্যকাৰ। বৈ থকা মানেই নৈ এখন জীয়াই থকা। কথাতে কয় নৈৰ সমান ব'ৰ কোন আইৰ সমান হ'ব কোন? এই নৈ মাতৃস্বৰূপা। নৈৰ লক্ষ্য বিশালতাৰ বুকুলৈ ধাৱমান হোৱা। সময়ৰ সৈতে সহাৱস্থান কৰিব নোৱাৰি পৃথিৱীৰ বুকুৰ পৰা যিদৰে অসংখ্য জীৱকুলে চিৰদিনৰ বাবে মেলানি মাগিছে, পৰ্বত-পাহাৰে অস্তিত্ব হেৰুৱাইছে, অসংখ্য উদ্ভিদ প্ৰজাতিৰ চিন-মোকাম নাইকিয়া হৈছে, সেইদৰে চঞ্চলা-চপলা ক'ত কিমান মনোমোহা নৈ মৰিসুঁতি, শুকান পথাৰত পৰিণত হৈছে তাৰ সঠিক হিচাপ পাবলৈ নাই। মানুহৰ হঠকাৰিতাৰ পৰিনতিতে সলনি হৈছে অপৰূপা পৃথিৱীৰ ৰূপ। প্ৰকৃতিৰ ওপৰত চলা আক্ৰমণ, নিৰ্যাতনৰ বিৰুদ্ধে সমাজৰ এটা ক্ষুদ্ৰ অংশই মাত মাতি আহিছে যদিও সেয়া মাথোন অৰণ্যৰোদন।

নৈৰ অস্তিত্বৰ প্ৰতি প্ৰাকৃতিক ঘটনা-পৰিঘটনাতকৈ মানুহেই বেছি ভাবুকি সৃষ্টি কৰি আহিছে। অবিবেচক মানুহৰ বাবেই আজি অসমৰ জনজীৱনৰ আয়ুসৰেখা স্বৰূপ বৰলুইতৰো বুকু তৰাং হৈ আহিছে। গেলা-পচা আৱৰ্জনা কঢ়িয়াই ভাগৰি পৰিছে স্ৰোতস্বিনী। ঠায়ে ঠায়ে স্বাভাৱিক গতিপ্ৰৱাহ স্তব্ধ হৈছে, ফলত লুইতে দেখুৱাব বলিয়া খেলা। বিজ্ঞান সন্মতভাৱে মথাউৰি, বান্ধ আদি নিৰ্মাণ নকৰাৰ ফলত বান-খহনীয়াই লৈছে ভয়াবহ ৰূপ।

নদীদ্বীপ মাজুলীয়েই ইয়াৰ জ্বলন্ত সাক্ষী। বৰলুইতৰে এই দশা। অসমৰ বুকুৰে বৈ যোৱা সৰু সৰু নৈৰ জীৱ[illegible] কি হ'ব পাৰে, সেয়া সহজেই অনুমেয়। কলং, [illegible] ধনশিৰি আদি নৈ লাহে লাহে জড়াগ্ৰস্ত। বাৰিষাৰ দুই[illegible] দিনক বাদ দিলে বছৰটোৰ বাকীখিনি সময় পক্ষাঘাতত [illegible] ৰোগীৰ দৰে ক্ষত-বিক্ষত দেহা লৈ যান্ত্ৰনাত চিঞৰি[illegible] থাকে ভোগদৈ, কলং আদি মৰমী নৈয়ে। কলগুৰু [illegible] কবিতাৰ যৌৱন জগাই তোলা দেৱকান্ত অথবা নৱকান্ত[illegible] অতীত হ'ল। ভোগদৈৰ পাৰত বহি সূৰ্যাস্ত চাবলৈ [illegible] আহৰিয়েই বা ক'ত। কথাশিল্পী হোমেন বৰগোহাঞি[illegible] অহনিশে বুকুৰ মাজত কঢ়িয়াই লৈ ফুৰা চাৰিকড়ীয়া[illegible] কোনোবাই ৰাখিছেনে? নদীদ্বীপ মাজুলীৰ বুকুৰে [illegible] বৈ যোৱা কণমানি টুনীৰ মৃত্যু খবৰো ক'তোৱেই নহ[illegible] এনেকৈয়ে বৈ যোৱা নৈ মৰিশালি হয়। সেই মৰি[illegible] বহি মানুহে প্ৰীতিভোজ খায়। নিৰ্দয়-অবিবেচক মা[illegible] অভিশাপ দি দি কলং, ভোগদৈ লাহে লাহে মৰি [illegible] আধুনিক শিক্ষাৰে শিক্ষিত আমি আকাশত উৰিছোঁ, মাটি[illegible] উলিয়াইছোঁ মহামূল্যৱান সম্পদ, মঙ্গল, চন্দ্ৰ এতিয়া [illegible] নিকটাত্মীয় অথচ নদীমাতৃক হানি-খুচি হত্যা কৰি [illegible] পৈশাচিক কিৰীলি পাৰিছোঁ। এয়াই আমাৰ মাতৃপ্ৰেমৰ [illegible] নমুনা। ব্যাপক প্ৰদূষণ, খহনীয়া, জধে-মধে নিৰ্মাণ [illegible] মথাউৰি, নদীবান্ধ আদিৰ ফলতে বিপদাপন্ন হৈছে নৈৰ [illegible] কল-কাৰখানাৰ নগতে, দৈনন্দিন সৃষ্টি হোৱা আৱৰ্জনা [illegible] পেলোৱাৰ ফলত নৈৰ গতি ৰুদ্ধ হৈ পৰিছে। বহু গভীৰ [illegible] বুকু আজি তৰাং। চিৰদিনৰ বাবে হেৰাই গৈছে সংখ্য[illegible] জলজ উদ্ভিদ, কীট-পতংগ। জীয়া জীয়া নৈ চকুৰ [illegible] মৰি আহিছে। এই সকৰুণ দৃশ্য চাই আমি নিৰ্বাক। [illegible]



পৃথিৱীৰ বুকুৰ পৰা হেৰাই গৈছে কত নৈ। নৈৰ এই অপমৃত্যুত মানুহৰ বুকু নকঁপা হ'ল। যন্ত্ৰৱৎ আমাৰ জীৱন। নৈৰ পাৰত বহি সূৰ্য্যোদয়-সূৰ্য্যাস্তৰ মায়া যেন দূৰ আকাশ চাবলৈ অতি আধুনিক মানুহৰ আহৰিয়েই বা ক'ত।

শেহতীয়া এক তথ্যত প্ৰকাশ যে যোৱা শতিকাটোতে বিশ্বত ৫০,০০০ বৃহৎ নদীবান্ধ নিৰ্মাণ হৈছে। ইয়াৰ ফলত বিশ্বৰ দুই তৃতীয়াংশ নৈ গভীৰ সংকটত পৰিছে। এই বৃহৎ বৃহৎ নদীবান্ধৰ ফলত সিন্ধু, কলৰাডু, নৰ্মদাৰ দৰে বৃহৎ নৈও গভীৰ সংকটত পৰিছে। ইয়াৰ লগে লগে আমাৰ পাৰিপাৰ্শ্বিকতাৰ দ্ৰুতি পৰিৱৰ্তন ঘটিছে।

মানুহে বাস কৰা পৃথিৱীখন একপ্ৰকাৰ পানীয়েই ওপঙাই ৰাখিছে। এই চিৰবিন্দীয়া প্ৰকৃতিত স্তব্ধ হৈছে নৈৰ গতি প্ৰৱাহ। আমাৰ কলং, ভোগদৈৰ দৰে অসংখ্য নৈ পৃথিৱীৰ মানচিত্ৰৰ পৰাই হেৰাই গৈছে, হেৰাই যোৱাৰ উপক্ৰম হৈছে। নৈ মৰি অহাৰ ফলত প্ৰাকৃতিক দুৰ্যোগৰ হাৰ দিনক দিনে বৃদ্ধি পাইছে। একে সময়তে সৃষ্টি হৈছে জলসংকট। এটুপি খোৱাপানীৰ বাবে দেশে দেশে হাহাকাৰ। নৈক লৈ ৰাজনীতি, বিবাদৰ সূত্ৰপাত।

'অ মোৰ আপোনাৰ দেশ' নদীমাতৃক। পলস পেলাই খেতিয়কৰ মাটি উৰ্বৰ কৰিবলৈ এতিয়া কলং, কপিলী, ভোগদৈৰ শকতি নাই। চকুৰ আগতে মৃত্যুপথৰ যাত্ৰী হোৱা নৈৰ জীৱন ৰক্ষাৰ বাবে এতিয়া এক বিপ্লৱৰ প্ৰয়োজন। নৈৰ মৃত্যু মানেই আমাৰো মৃত্যু। আত্মঘাতী হোৱাৰ বাট ৰুদ্ধ কৰি প্ৰকৃতি ৰক্ষাৰ শপত লৈ কলং, ভোগদৈ, ধনশিৰি আদিৰ যৌৱন ঘূৰাই দিয়াৰ বাবে কোনে সূচনা কৰিব এক নতুন বিপ্লৱ? এয়াই এতিয়া সময়ৰ আহ্বান। নৈ বৈ যায়। বোৱঁতী নৈক ভেটা দিয়া মানেই নৈৰ মৃত্যু অনিবাৰ্য। এই সত্যক আমি উপলব্ধি কৰিম কেতিয়া?

**পুনশ্চ** ঃ- নৈক লৈ যুগ যুগ ধৰি সৃষ্টি হৈ আহিছে কালজয়ী গল্প-উপন্যাস, গীত-কবিতা, অজস্ৰ সুৰ। চিত্ৰকৰৰ তুলিকাত জিলিকি উঠিছে নৈক লৈ ক'ত বিস্ময়কৰ ছবি। সূৰ্য্যোদয়-সূৰ্য্যাস্তৰ অপৰূপ ছবি নৈয়ে কঢ়িয়াই লৈ ফুৰিছে অহৰ্নিশে। এই নৈ শুকাই গ'লে শুকাই যাব সৃষ্টিৰ অমল উৎস। বিহুগীত, বনগীত, ঐনিতমৰ মিঠা সুৰবোৰ চিৰদিনৰ বাবে হেৰাই যাব। আৰু আমি? আত্মা হেৰুৱাই হ'ম একো একোটা যন্ত্ৰ-মানৱত। তেনে এক দিনলৈ আমি যেন অপেক্ষাৰত।❑



◆ অনুভৱ —১

# অনুভৱৰ দলিচাত মোৰ 'গাঁওখন'

*তুলিকা ৰাজখোৱা*
*একাদশ শ্ৰেণী (বিজ্ঞান শাখা)*

*প্ৰভাতৰ ৰাগৰেখা প্ৰকৃতি বুকুত*
*কিবা ৰূপ বিশ্ববিমোহন*
*জাতিস্কাৰ সেইজীয়া ধাননি পথাৰ*
*সেউজীয়া বন উপবন।*

প্ৰকৃতিৰ কিযে অনুপম শোভা। প্ৰকৃতিৰ উমাল পৰশত সাৰ পাই উঠা নদীৰ পাৰৰ সেই সেউজ সজীৱ সৌন্দৰ্য, সেইজ ঘাঁহনি পথাৰ, সোণালী ধাননি, আহ কি যে সুন্দৰ! বতাহৰ তালে তালে নচা সেই কহুৱা বননি আৰু খিল খিলকৈ হাঁহি হাঁহি উৰামাৰি যোৱা বনহাঁহজাক, আহ! মোক ব্যাকুল কৰি তুলিছে। মনত পৰিছে শৰতৰ ৰাতি কজলা ডাৱৰ মচি সৰু সৰু চিক্ মিক্ তৰাৰে ভৰি থকা হিৰকমণ্ডিত আকাশখনলৈ। কিযে এক বিমল আকৰ্ষণ; দূৰত থাকিলেও যেন আঁতৰি যাব নিদিয়ে। স্মৃতিৰ মধুৰ মলয়াই মনত পেলাই দিয়ে মনত দোলা দি থকা গাঁৱৰ সেই সজীৱ সেউজ ছবিখন।

কুঁৱলীৰ আঁচল খহাই যেতিয়া ধীৰে ধীৰে দিগন্তত ভাঁহি উঠে, তেতিয়া বিবিধ পক্ষীৰ কলকলনিয়ে মুখৰিত হৈ উঠে গাঁৱৰ আকাশ-বতাহ। কান্ধত নাঙল-যুৱলি আৰু গোহালিৰ গৰুহাল লৈ পথাৰৰ ফালে ওলাই যায় খেতিয়কসকল। সেউজ দলিচাক শস্য-শ্যামালা কৰাৰ উদ্দেশ্যত জিলিকি উঠে তেওঁলোকৰ দুচকু। সেয়ে মনত অসীম আশালৈ তেওঁলোক ঢলপুৱাতেই নিয়ৰ সেমেকা দুবৰি গচকি পথাৰলৈ বুলি ওলাই যায়। ঘৰত জীয়ৰী-বোৱাৰীৰ নিজ নিজ কামৰ ব্যস্ততা আৰু কণ কণহঁতৰ কলকলনিত মুখৰিত পৰিৱেশ। কিযে এক অপূৰ্ব এই পৰিৱেশ। হৃদয়ৰ কোনোবা কোণত বৈ কোনোবাই যেন নিৰলে বাঁহী বজাই মোক ব্যাকুল কৰি তুলিছে।

হৰি নামৰ ৰসে
বৈকুণ্ঠ প্ৰকাশে
প্ৰেমময় অমৃতৰ নদী
ভাদমহীয়া আবেলিত যেন গাঁৱৰ আকাশ-বতাহক
মুগদ্ধ কৰি ভক্তৰ অহ্লানত গাঁৱলৈ যেন সাক্ষাৎ ভগৱানৰহে

আগমন ঘটে। গাঁৱৰ মধ্যমস্থানত অৱস্থিত নামঘৰৰ শংখ, দবা, খোল, তাল আৰু হৰিনামৰ ধ্বনিয়ে গোটেই গাঁৱৰ আকাশ-বতাহতে বিয়পি পৰি গাঁৱলৈ যেন পৱিত্ৰতাৰ বণ্যাহে বোৱাই আনে। আজৰি সময়ত গাঁৱৰ ৰাইজে নামঘৰত অনুষ্ঠিত কৰা হৰিনামৰ আখৰা, বৰগীত, ভাওঁনা আদিৰ আখৰাই সোণালী ধৰ্মীয় ক্ষেত্ৰত যেন সোণালী সজীৱ বীজৰ অংকুৰণ ঘটাইছে।

গাঁৱৰ কাষতে থকা বাসুদেৱৰ বিষয়ে নকলে মোৰ এই অনুভৱ আধৰুৱা হ'ব। সঁচাই প্ৰকৃতিৰ কিযে এক অপূৰ্ব সৃষ্টি। মই ভাষাৰেও বুজাব নোৱাৰিম। চাৰিওপাশৰ সেউজ পৰিৱেশ আৰু বৰটোকোলা, শামুকভঙা আদি চৰাইৰ কলকলনিয়ে ঠাইডোখৰৰ ধৰ্মীয় পৱিত্ৰতাত প্ৰকৃতিৰ পৱিত্ৰতাৰ বহন সানি এক অতুলনীয় ৰূপ দান কৰিছে। বাসুদেৱ থানৰ চাৰিওপাশৰ অপূৰ্বসমলৰ মাজত মূৰ দাঙি পৱিত্ৰতা আৰু ধৰ্মীয় ঐতিহ্যক জীয়াই ৰখা বাসুদেৱথানলৈ আগমন ঘটা দেশী-বিদেশী পৰ্যটকৰ পদধূলিয়ে গোটেই অঞ্চলটোকে মহিমাণ্ডিত কৰি তুলিছে।

সোণালী গাঁৱৰ সোণালী স্মৃতিবোৰে হৃদয়ত কল্পনাৰ হিল্লোল তোলে। শৈশৱৰ মধুৰ স্মৃতিবোৰলৈ মনত পৰি যায়। মনত পৰি যায় শৰতৰ ৰাতিপুৱা তলসৰা শেৱালীথিনিলৈ। দুচকুতে ভাঁহি উঠে অলেখ ছবি। শৈশৱৰ মিঠা ধেমালীবোৰলৈ মনত পৰে, যাক মই কেতিয়াও পাহৰিব নোৱাৰিম। মনত ৰাখিছো চৰাইৰদৰে উৰা আৰু ফুলৰ দৰে ফুলাৰ এবোজা কামনা। যিখন গাঁৱৰ ধূলি বালিৰ বুকুত উমলি-জামলি, যাৰ কোলাত হাৱা-পানী খাই, প্ৰকৃতিৰে পৰিবেষ্টিত সেউজীয়া কোলাত ডাঙৰ-দীঘল হ'লো, যাৰ আকাশে-বতাহে আমাৰ জন্ম জন্মান্তৰ স্মৃতি বিজড়িত হৈ আছে, সেইখনি গাঁৱৰ আপোন ছবিখনে হৃদয়ৰ ৰন্ধ্ৰে ৰন্ধ্ৰে তুলে নিবিড় ভালপোৱাৰ ঢৌ। এই সেউজ সজীৱ ছবিখন মানসপটত চিৰযুগমীয়া হৈ ৰ'ব। আজীৱন হৃদয়ত চিনাকী বাঁহীৰ সুৰ তুলি হৃদয়লৈ অনুভূতিৰ বণ্যা বোৱাই আনিব।□



# উপ-সভাপতিৰ প্ৰতিবেদন



যিসকল নিঃস্বাৰ্থ মহান ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাত ঢকুৱাখনা মহাবিদ্যালয়খনে আজিৰ এই অৱস্থা লাভ কৰিছে সেইসকল মহান ব্যক্তিলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰি প্ৰতিবেদনৰ পাতনি মেলিছো।

ঢকুৱাখনা মহাবিদ্যালয় ২০১৭-২০১৮ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ উপ-সভাপতি হিচাপে আহৰণ কৰা অভিজ্ঞতা মাত্ৰ কেইটামান বাক্যৰে প্ৰকাশ কৰাতো নিশ্চয় সহজ নহয় যদিও ইয়াক সংক্ষিপ্ত কৰি প্ৰকাশ কৰিবৰ প্ৰয়াস কৰিছো।

মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ হৈ শিক্ষানুষ্ঠানটিৰ প্ৰায় ১৫০০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ প্ৰতিনিধি হিচাপে এটা বছৰে সেৱা আগবঢ়াবলৈ পোৱাটো আছিল মোৰ বাবে সৌভাগ্যৰ কথা, মই এই সুযোগৰ কিমান দূৰ সৎ ব্যৱহাৰ কৰিছোঁ, সেইয়া মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, মোৰ সতীৰ্থ আৰু ছাত্ৰ-ছাত্ৰীসকলে নিৰ্ধাৰণ কৰিব। কিন্তু এবছৰীয়া কাৰ্যকালত মহাবিদ্যালয়ত নিষ্ঠ সহকাৰে সেৱা আগবঢ়োৱাত অলপো কৃপণালি কৰা নাছিলো।

মহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ এবছৰীয়া কাৰ্যকালৰ ভিতৰত যিসমূহ অনুষ্ঠান অনুষ্ঠিত হৈছিল, যিমান পাৰো সফলৰূপে ৰূপায়ণ কৰিবলৈ চেষ্টা কৰিছিলো। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিশেষ কাৰ্যসূচী মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰি সফল ৰূপায়ণ কৰিবলৈ অশেষ চেষ্টা কৰিছিলো। কিমান দূৰ সফল হ'ব পাৰিছিলো সেইয়া আপোনাসৱৰ বিচাৰ্য বিষয়। অতিকে গুৰুত্বপূৰ্ণ কথাটো হ'ল আমাৰ কাৰ্যকালত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণেৰে অতি উৎসাহেৰে আৰু সুন্দৰ পাৰদৰ্শিতাৰে প্ৰতিযোগিতাসমূহ আদৰি লৈ সূচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰিছিল। এই আপাহতে সমূহ ছাত্ৰ-ছাত্ৰীলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোক দিহা-পৰামৰ্শ আৰু সহায়ৰ হাত উজান দিয়া ছাত্ৰ-একতাসভাৰ প্ৰতিজন বিষয়ববীয়াৰ লগতে অধ্যক্ষ মহোদয় আৰু মহাবিদ্যালয়ৰ সন্মানীয় শিক্ষাগুৰু সকলৰ লগতে সমূহ কৰ্মচাৰী আৰু বন্ধু-বান্ধৱী, ভাইটি-ভন্টিসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভূল ত্ৰুটিৰ বাবে মহাবিদ্যালয় সমূহ শিক্ষাগুৰু, কৰ্মচাৰী তথা দাদা-বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি-ভন্টিৰ ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন ইমানতে সামৰণি মাৰিছোঁ।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয"
"জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ-একতা সভা"

— পৰিণীতা সূত

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতেই যি সকল স্বনামধন্য লোকৰ আপ্ৰাণ চেষ্টা, মহান ত্যাগ আৰু হাড় ভগা কষ্টৰ বিনিময়ত গঢ় লৈ উঠা আমাৰ মহাবিদ্যালয়খনি আজি এই উচ্চ মৰ্যদাপূৰ্ণ শিক্ষানুস্থানলৈ পৰিণত হ'ল, সেই সকলো বৰেণ্য মহাত্মালৈ সশ্ৰদ্ধ প্ৰণাম যাচিলো। লগতে বৰ্তমান মহাবিদ্যালয়খনক চিৰ সুন্দৰ কৰি তুলিবলৈ আপ্ৰাণ চেষ্টা কৰা অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা মণ্ডলী, কৰ্মচাৰীবৃন্দ, সতীৰ্থ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে সমূহ ঢকুৱাখনাবাসীক কৃতজ্ঞতা জনাইছোঁ।

যিসকল সতীৰ্থ, অগ্ৰজ, অনুজ ছাত্ৰ-ছাত্ৰীৰ বিশ্বাস আৰু সহায় সহযোগিতাৰ ফলস্বৰূপে ঢকুৱাখনা মহাবিদ্যালয়ৰ দৰে এখন গৌৰৱোজ্জ্বল তথা অগ্ৰণী শিক্ষানুস্থানৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদৰ দৰে এটা গধুৰ দায়িত্ব পালন কৰিবলৈ সমৰ্থৱান হ'লো, তেওঁলোকক এই আপাহতে মই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সম্পূৰ্ণ এবছৰ কাল ঢকুৱাখনা মহাবিদ্যালয়ৰ নিচিনা এক আগশাৰীৰ শিক্ষানুস্থানত সেৱা আগবঢ়াবলৈ পোৱাটো মোৰ জীৱনৰ এক ডাঙৰ সৌভাগ্য। সাধাৰণ সম্পাদকৰ দৰে এক গধুৰ দায়িত্ব পালন কৰোতে বিভিন্ন সময়ত অজানিতে বহুতো ভুল হ'ব পাৰে। এই ক্ষেত্ৰত মই মোৰ নৈতিক দায়িত্ব পালন কৰিছো। মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ প্ৰতি সেৱা আগবঢ়োৱাত অকনো কৃপনালি কৰা নাছিলো যদিও সাধাৰণ সম্পাদক হিচাপে কেনেদৰে কাৰ্য সম্পাদন কৰিছিলো সেইয়া আপোনালোকৰ বিচাৰ্য বিষয়।

মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ দায়িত্ব লোৱাৰ পাছৰে পৰা মহাবিদ্যালয়ত শৈক্ষিক বাতাৱৰণ, শাৰীৰিক বিকাশ, বৌদ্ধিক বিকাশ, কলা-সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰত অধিক নতুনত্ব অনাৰ প্ৰয়াস কৰিছিলো আৰু সম্পূৰ্ণ সফলো হৈছিলো। যাৰ জলন্ত উদাহৰণ আছিল জাক-জমকতাৰে অনুষ্ঠিত হোৱা '৫২' সংখ্যক মহাবিদ্যালয় সপ্তাহ আৰু '৫৩' সংখ্যক নৱাগত আদৰণি সভাত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি আৰু ব্যাপক অংশগ্ৰহণ। পূৰ্বৰ তুলনাত অধিক উন্নত মানদণ্ডৰ হৈ উঠিছিল প্ৰতিটো কাৰ্যসূচী। ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ তথা অংশ গ্ৰহণে সকলোকে আনন্দিত কৰি তুলিছিল। এইবাৰ মহাবিদ্যালয় সপ্তাহত সংযোজন কৰা তিনিতাকৈ নতুন কাৰ্যসূচী - মাঁচপাষ্ট, ফেশ্বন শ্ব আৰু বেষ্ট ডিপাৰ্টমেন্টক পুৰস্কৃত কৰা আদি কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীক উৎফুল্লিত কৰি তুলিছিল। ইয়াৰোপৰি সৰস্বতী পূজা আৰু প্ৰহ্লাদ গোহাঁই সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাখনৰো সফল ৰূপায়ণ হৈছিল।

আমাৰ মহাবিদ্যালয়খনি পৰিস্কাৰ কৰি ৰখাৰ ক্ষেত্ৰত আমি ছাত্ৰ একতা সভাই বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছিলো। ধপাত তথা গোট্‌খা মুক্ত আৰু প্লাষ্টিক মুক্ত চৌহদ গঢ়ি তুলিবলৈ চেষ্টা কৰিছিলো আৰু এই ক্ষেত্ৰত সকলোৰে সহাঁৰি লাভ কৰিবলৈ সক্ষম হৈছিলো। লগতে পৰিৱেশৰ প্ৰতি জনসাধাৰণক সজাগ কৰাৰ উদ্দেশ্যেৰে ছাত্ৰ একতা সভাই NSS গোটৰ সহাযোগত এক বিশাল চাইকেল ৰেলি উলিয়াইছিলো।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

মোৰ এই কাৰ্যকালত বিভিন্ন দিশত সু-দিহা পৰামৰ্শ প্ৰদান কৰা শ্ৰদ্ধাৰ ড° যুগানন্দ সূত ছাৰ, ড° সত্যৰঞ্জন নেওগ ছাৰ, পংকজ বৰা ছাৰ, ড° কাঞ্চন গগৈ ছাৰ, ধ্ৰুৱজ্যোতি গগৈ ছাৰৰ লগতে শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু কৰ্মচাৰী সকলক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। তদুপৰি প্ৰতিটো মূহুৰ্ততে সহায় সহযোগিতা আগবঢ়োৱা মৰমৰ বন্ধু-বান্ধৱী - হৰ্ষ, উমেন, অৰিস, দিবাকৰ, দেৱকৃষ্ণ, প্ৰণৱ, মানস, লিটোৰাজ, অম্বৰীজ, মৃণালী, লভিতা, ৰিমি, অপৰাজিতা ভন্টিৰ লগতে সকলো ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰলো।

অতি কম সময়ৰ বাবে দায়িত্ব পোৱাত কৰিব লগা বহু কামেই অনিচ্ছাকৃতভাৱে কৰিব পৰা নগ'ল। শেষত মোৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে বৈ যোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ চমু প্ৰতিবেদন সামৰিছো।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়।"
"জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা"

— ভৱেশ শৰ্মা

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



সৰ্ব প্ৰথমে মই সেই সকল ব্যক্তিক সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ যি সকলৰ আপ্ৰাণ প্ৰচেষ্টা আৰু ত্যাগৰ ফলত ঢকুৱাখনাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ ঢকুৱাখনা মহাবিদ্যালয় নামৰ শিক্ষা অনুষ্ঠানটি গঢ় লৈ উঠে আৰু বৰ্তমান ৫১ বছৰীয়া সোণালী যাত্ৰাৰ ইতিহাস লিখিবলৈ সক্ষম হয়। লগতে মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়কে আদি কৰি মোৰ সকলো শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ, সতীৰ্থ, অগ্ৰজ আৰু অনুজ সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ যি সকলৰ অশেষ কষ্টৰ ফলত মহাবিদ্যালয়খনে বৰ্তমান এক নিজস্ব মাত্ৰা লাভ কৰিছে।

বিগত পাঁচটা বছৰে প্ৰতিক্ষণতে মই ঋণী হৈ ৰোৱা ঢকুৱাখনা মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে ১৯ চেপ্তেম্বৰ ২০১৭ ত দায়িত্ব লাভ কৰিছিলোঁ আৰু যিমান দূৰ সম্ভৱ মোৰ লগতে ছাত্ৰ একতা সভাখনৰ প্ৰতিটো দায়িত্ব আৰু কৰ্তব্য নিষ্ঠা আৰু সততাৰে পালন কৰাৰ চেষ্টা কৰিছিলোঁ। যদি অজানিতে বা অনিচ্ছাকৃতভাৱে কিবা ভুল ত্ৰুটি কৰিছিলোঁ তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

এবছৰীয়া কাৰ্যকালত ছাত্ৰ একতা সভাৰ এজন সদস্য হিচাপে ° প্ৰহ্লাদ গোহাঁই সোঁৱৰণী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ পৰা আৰম্ভ কৰি ২০১৮ বৰ্ষৰ নৱাগত আদৰণি সভালৈকে বিভিন্ন অনুষ্ঠান সফলভাৱে অনুষ্ঠিত কৰাৰ চেষ্টা কৰিছিলোঁ। সকলোবোৰ অনুষ্ঠান ৰূপায়ণ কৰাত ইতিবাচক সহাৰি লাভ কৰিছিলোঁ। মহাবিদ্যালয় পৰিয়ালৰ সকলো সদস্যৰ লগতে বিভিন্ন ব্যক্তি আৰু অনুষ্ঠানৰ পৰা, যিয়ে আমাক নিজৰ কৰ্তব্য পালনত উৎসাহ যোগাইছিল। বিশেষভাৱে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° বিৰেন্দৰ পাল ছাৰ, ড° সত্যৰঞ্জন নেওগ ছাৰ, টবেন্দ্ৰ নাথ দাস ছাৰ, ধ্ৰুৱজ্যোতি গগৈ ছাৰ লগতে আন বহুতো শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীয়ে আমাক ইতিবাচক আৰু নীতিবাচক বিভিন্ন দিশ আঙুলিয়াই দিয়াৰ লগতে বিভিন্ন সময়ত কৰা অনেক সহায়ৰ বাবে মই চিৰ কৃতজ্ঞ।

মহাবিদ্যালয়ৰ এখন তেতিয়াহে সফল হয় যেতিয়া ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষাৰ লগতে সুপ্ত প্ৰতিভা বিকাশ আৰু প্ৰকাশৰ মঞ্চহৈ পৰে। মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ সাহিত্য, সাংস্কৃতিক, শাৰীৰিক, বৌদ্ধিক আদি দিশত প্ৰতিভা বিকাশৰ বাবে মহাবিদ্যালয় সপ্তাহে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এনে উদ্দেশ্যেৰে ৫২ সংখ্যক মহাবিদ্যালয় সপ্তাহ ছদিনিয়াকৈ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল আৰু কিছু নতুনত্ব প্ৰদানৰ বাবে মাৰ্চপাষ্ট আৰু মহাবিদ্যালয় সপ্তাহৰ ফলাফল ভিত্তিত শ্ৰেষ্ঠ তিনিটা বিভাগ নিৰ্বাচন কৰাৰ সিদ্ধান্ত হৈছিল। সকলো অনুষ্ঠানতে বিগত বৰ্ষবোৰতকৈ অধিক হাৰত ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণে আমাক উৎফুল্লিত কৰিছিল। যাৰ বাবে প্ৰত্যেককে ওচৰত সদায় কৃতজ্ঞ।

মহাবিদ্যালয়ৰ চৌদিশ পৰিষ্কাৰ আৰু প্লাষ্টিক মুক্ত কৰি ৰখাৰ চেষ্টা কৰিছিলোঁ আৰু শৈক্ষিক পৰিৱেশ সুৰক্ষা দিয়াৰ প্ৰতি লক্ষ্য ৰাখিছিলোঁ। এই উদ্দেশ্য সাধন কৰাত মহাবিদ্যালয়ৰ NSS গোটৰ ছাত্ৰ-ছাত্ৰী সকলে আমাক বহু সহায় কৰিছিল।

শেষত মোৰ কাৰ্য সম্পাদনত যি সকলে প্ৰতিক্ষণতে দিহা পৰামৰ্শ দিয়াৰ লগতে বিভিন্ন সময়ত সহায় কৰিছিল তেওঁলোকলৈ পুণৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ অন্য সদস্য সকলকো নিজৰ দায়িত্ব সূচাৰুৰূপে আৰু নিষ্ঠাৰে পালন কৰাৰ বাবে ধন্যবাদ জনাইছোঁ। ঢকুৱাখনা মহাবিদ্যালয়ৰ সবাংগীন উন্নতিৰ কামনাৰে প্ৰতিবেদন সামৰিছোঁ।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়"

"জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা"

— দেৱকৃষ্ণ শৰ্মা

# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন



সোঁৱৰণিৰ কুঁৱলী ফালি উভটি যাব খোজো তাহানিৰ
সেই দিনলৈ .... য'ত আছিল স্নেহৰ অযুত বুলণি।।

প্ৰতিবেদন আৰম্ভণিতেই মই সেইসকল মহান ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছো, যিসকলৰ স্নেহ আৰু ত্যাগৰ ফলতেই ঢকুৱাখনাৰ চাৰিকড়ীয়া নৈৰ পাৰত প্ৰতিষ্ঠা হৈছিল সকলোৰে মৰমৰ ঢকুৱাখনা মহাবিদ্যালয়খনি। লগতে বৰ্তমান সময়ত মহাবিদ্যালয়খনক চিৰ সুন্দৰ কৰি তুলিবলৈ আপ্ৰাণ চেষ্টা কৰা অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা মণ্ডলী, কৰ্মচাৰীবৃন্দ, সতীৰ্থ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে সমূহ ঢকুৱাখনাবাসীক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সাধাৰণ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈ এই মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ শপত গ্ৰহণ অনুষ্ঠানত এই



ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানটিৰ সুস্থ শৈক্ষিক পৰিৱেশ ধাৰাবাহিকভাৱে বজাই ৰখাত গুৰুত্ব দিয়া আৰু মহাবিদ্যালয়ৰ সমগ্ৰ ছাত্ৰ-শক্তিকে একেখন মঞ্চতে থিয় কৰাই কাৰ্যক্ষেত্ৰত মহাবিদ্যালয়ৰ সৰ্বাংগন উন্নতি সাধন কৰিবলৈ সংকল্পবদ্ধ হৈছিলো আৰু সেইমতে কামত অগ্ৰসৰ হৈছিলো।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই ২৭ জানুৱাৰী, ২০১৮ তাৰিখৰ পৰা হোৱা মহাবিদ্যালয় সপ্তাহৰ দুদিনীয়া কাৰ্যসূচীৰে সাংস্কৃতিক শাখাৰ প্ৰতিযোগিতাসমূহ সূচাৰুৰূপে চলাই নিবলৈ একান্তই চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত উপদেষ্টা হিচাপে মই ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক শ্ৰী পংকজ বৰা ছাৰক নিৰ্বাচিত কৰি লৈছিলো। কিন্তু ছাৰৰ কিছু ব্যক্তিগত অসুবিধাৰ বাবে মহাবিদ্যালয় সপ্তাহত উপস্থিত থাকিব পৰা নাছিল যদিও ছাৰে সকলো সময়তে মোক সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শ আগবঢ়াইছিল। ছাৰৰ অনুপস্থিতিত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° বিভাৰাণী দাস বাইদেউ মোৰ উপদেষ্টা হিচাপে আছিল। মহাবিদ্যালয় সপ্তাহখনি সূচাৰুৰূপে চলাই নিয়াত বাইদেউৰে প্ৰতিটো মুহূৰ্ততে দিয়া দিহা-পৰামৰ্শৰ বাবে কৃতজ্ঞ হৈ ৰ'ম। মোৰ এই কাৰ্যকালত ছাত্ৰ-ছাত্ৰীসকলৰ সাংস্কৃতিক দিশটোৰ প্ৰতি যথেষ্ট আগ্ৰহ থকা দেখা পাইছিলো। মহাবিদ্যালয় সপ্তাহত প্ৰতিযোগীৰ সংখ্যা যিমান হ'ব লাগিছিল, সিমান হোৱা নাই। সেইয়ে এই প্ৰতিবেদনৰ যোগেদি সমূহ ছাত্ৰ-ছাত্ৰীক অনুৰোধ কৰিছো যাতে তেওঁলোকে সুপ্ত প্ৰতিভাসমূহ জাগ্ৰত কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ চেষ্টা কৰে যেন। ২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰ শ্ৰীমান লক্ষ্যজ্যোতি বৰুৱাই শ্ৰেষ্ঠ্য গায়ক আৰু শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়।

ইয়াৰ পিছতেই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ যুৱমহোৎসৱখনি তিনিদিনীয়া কাৰ্যসূচীৰে শিৱসাগৰ মহাবিদ্যালয়ত ১৮ জানুৱাৰী,২০১৮ তাৰিখৰ পৰা অনুষ্ঠিত কৰা হৈছিল। আমাৰ মহাবিদ্যালয়ৰ পৰা ১৬ জনীয়া এটা দ'লৰ সকলো অনুশীলন সমাপ্ত হোৱাৰ পিছতো কিছু অসুবিধাৰ বাবে অংশগ্ৰহণ কৰিবলৈ যাব পৰা নহ'ল। গতিকে এই আপাহতে মই সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা মাগিছো।

মোৰ এই কাৰ্যকালত বিভিন্ন দিশত সু-দিহা-পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ ড° সত্যৰঞ্জন নেওগ ছাৰ, দীপক কুমাৰ শৰ্মা ছাৰ, খনিন্দ্ৰ দত্ত ছাৰ, ধ্ৰুৱজ্যোতি গগৈ ছাৰ, গায়ত্ৰী সূত বাইদেউ, ড° কাঞ্চন গগৈ ছাৰৰ লগতে শ্ৰদ্ধাৰ সকলো শিক্ষাগুৰু আৰু কৰ্মচাৰী সকলক আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। তদুপৰি মোৰ প্ৰতিটো কাৰ্যসূচীতে সহায়-সহযোগিতা লগতে উৎসাহ-উদ্দীপনা আগবঢ়োৱা ছাত্ৰ-একতা সভাৰ বিষয়ববীয়াসকলক ধন্যবাদ জ্ঞাপন কৰিলো। চাঁৰ দলে প্ৰতিটো ক্ষণতে মোৰ লগত থকা ক্ৰমে- মৃণালী, লভিতা, ডিম্পী, অম্বৰীশ দা, কল্যাণ দা, বিজন দা, লক্ষ্যজিৎ, যোগান্ত আৰু মৰমৰ ভন্টি প্ৰাৰ্থনাৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লো।

মই সাধ্যানুসাৰে মহাবিদ্যালয়খনিৰ উন্নতিৰ হকে কাম কৰি যাবলৈ অৱহেলা কৰা নাছিলো। তথাপিও মোৰ কাৰ্যকালত যিখিনি কাম মই কৰিব নোৱাৰিলো আৰু জ্ঞাতে-অজ্ঞাতে হৈ যোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছো।

সদৌ শেষত ইয়াকেই প্ৰাৰ্থনা কৰিছো যে "ঢকুৱাখনা মহাবিদ্যালয়" নামৰ ঢকুৱাখনাৰ জ্যোতি উদ্ভাসিত কৰা বিদ্যামণ্ডিৰটি নিজেও চিৰকাললৈ নক্ষত্ৰৰ দৰে জিলিকি থাকি চাৰিকড়ীয়াৰ পাৰৰ সৌষ্ঠৱ বৃদ্ধি কৰক আৰু ইয়াৰ প্ৰতিজন সদস্যই সৰ্বাংগন অগ্ৰগতি লাভ কৰি ভৱিষ্যৎৰ দিশেৰে ৰাওনা হওঁক।"

**"জয়তু ঢকুৱাখনা মহাবিদ্যালয়"**

**"জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ-একতা সভা"**

— কাকলি দত্ত

# সাহিত্য আৰু আলোচনী শাখাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভনিতে সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছো যিসকল বৰণ্য ব্যক্তিৰ অসীম ত্যাগ, পৰিশ্ৰম আৰু সু-সংগত চিন্তা চৰ্চাৰ ফলশ্ৰুতিত আমাৰ পৱিত্ৰ ঢকুৱাখনা মহাবিদ্যালয়খনিয়ে প্ৰতিষ্ঠা লাভ কৰিছে। লগতে মহাবিদ্যালয়খনি বিকাশত অৰিহণা যোগোৱা, শিক্ষাৰ পোহৰ বিলোৱা সেইসকল মহান অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক-অধ্যাপিকা মণ্ডলী, কৰ্মচাৰীবৃন্দ, ছাত্ৰ-ছাত্ৰী সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ঢকুৱাখনা মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ নিৰ্বাচনত সাহিত্য আৰু আলোচনী বিভাগত বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনিৰ সৰ্বাংগন উন্নতি সাধন কৰিবলৈ আৰু নিষ্ঠাৰে কাম কৰি যাবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছিলো।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতে ২০১৮ বৰ্ষৰ জানুৱাৰী মাহত হোৱা মহাবিদ্যালয় সপ্তাহত হোৱা সাহিত্য শাখাৰ কাৰ্যসূচী সমূহ সুচাৰুৰূপে চলাই নিবলৈ চেষ্টা চলাইছিলো। এই বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ খনি আগতকৈ উন্নত কৰিবলৈ ছাত্ৰ-একতা সভাৰ বিষয়ববীয়াসকলৰ লগতে শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলেও আপ্ৰাণ চেষ্টা কৰিছিল। মহাবিদ্যালয় সপ্তাহৰ সাহিত্য শাখাৰ প্ৰতিযোগিতা সমূহত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল। লগতে শোভাযাত্ৰা অনুষ্ঠানটি বৰ্ণাঢ্য কাৰ্যসূচীৰে সমাপন কৰিছিল। ইয়াৰ পাছত মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা নৱাগত আদৰণি সভা, সৰস্বতী পূজা, লগতে আন আন অনুষ্ঠান সমূহ সুচাৰুৰূপে সমাপন হৈছিল।

আমাৰ কাৰ্যকালৰ সময়তে মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ শ্ৰীযুক্তা বিজয়া দত্ত বাইদেৱে চাকৰি জীৱনৰ পৰা বিদায় সম্ভাষণ জনোৱা হয়।

ঢকুৱাখনা মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'অন্তৰীক্ষ' প্ৰকাশৰ কাৰণে যথেষ্ট চেষ্টা কৰিছিলো। মোৰ শাৰীৰিক অসুস্থতাৰ কাৰণে সাহিত্য চৰ্চাৰ কাৰণে কৰিম বুলি ভবা কিছুমান কাৰ্যসূচী ৰূপায়ণ কৰিব নোৱাৰিলো। পৰৱৰ্তী সম্পাদক সকলে সাহিত্য আৰু আলোচনীৰ বিভাগত অধিক নতুনত্ব আনিবলৈ চেষ্টা কৰিব বুলি অনুৰোধ জনালোঁ।

মোৰ কাৰ্যকালৰ প্ৰতি মুহূৰ্ত্ততে প্ৰতিটো কামতে পৰামৰ্শ তথা সহায়-সহযোগিতা আগবঢ়োৱা 'সাহিত্য আৰু আলোচনী' বিভাগৰ তত্বাৱধায়ৰ শ্ৰদ্ধাৰ ড° অমল চন্দ্ৰ দত্ত ছাৰলৈ অশেষ কৃতজ্ঞতা জনোৱাৰ লগতে 'আলোচনী' প্ৰকাশত প্ৰতিটো দিশত সহায় তথা পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ শ্ৰীযুত চিত্ৰ কুমাৰ কোঁচ ছাৰ, ড° সত্যৰঞ্জন নেওগ ছাৰ, ৰিংকু হাজৰিকা ছাৰ, গীতাৰ্থী বৰগোঁহাই, বাইদেউ, বিভাৰাণী দাস বাইদেউৰ লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। প্ৰতিটো অনুষ্ঠানতে সহযোগিতা আগবঢ়োৱা পাৰ্থ প্ৰতিম দা, ভবেশ দা, দেৱকৃষ্ণ দা, বন্ধু-বান্ধৱী স্নিগ্ধাৰাণী, জুমি, নীলাক্ষী, মানস, অসীম, গায়ত্ৰী, সোনমণি লগতে সমূহ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লো।

শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃত ভাৱে হোৱা ভুলৰ বাবে সমূহ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত ক্ষমা মাগিছো আৰু মহাবিদ্যালয়খনিৰ উজ্জ্বল ভৱিষ্যৎ আৰু দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়"
"জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ-একতা সভা"

— পলি দলে



# ক্ৰীড়া শাখাৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে যিসকল মহান ব্যক্তিৰ অশেষ ত্যাগ, পৰিশ্ৰম, ঐকান্তিক প্ৰচেষ্টাৰ ফলত জ্ঞানৰ ভাণ্ডাৰ ৰূপে ঢকুৱাখনা মহাবিদ্যালয়খনি গঢ় লৈ উঠিল, সেইসকল মহান ব্যক্তিলৈ মই মোৰ সশ্ৰদ্ধ প্ৰণাম আৰু সেৱা জনাইছোঁ। লগতে যিসকল বীৰাঙ্গনাই নিজৰ দেশৰ হকে জাতিৰ হকে আৰু ভাষাৰ হকে নিজৰ কথা নাভাবি প্ৰাণ আহুতি দিলে, সেইসকল মহান ব্যক্তি আৰু শ্বহীদলৈ মই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

এনে এখন সুন্দৰ সমাজৰ লগতে এনে এখন অতি মনোমোহা শিক্ষানুষ্ঠান, এইখন পবিত্ৰ ঢকুৱাখনা মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ ক্ৰীড়া সম্পাদকৰ পদ অংলকৃত কৰিবলৈ পাই মই অতিকৈ আনন্দিত। এই গুৰুত্বপূৰ্ণ পদবীলৈ মহাবিদ্যালয়খনিৰ হকে সেৱা আগবঢ়াবলৈ মোক নিৰ্বাচিত কৰি সুবিধা প্ৰদান কৰাৰ বাবে মই অধ্যক্ষ মহোদয়লৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ঢকুৱাখনা মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ ক্ৰীড়া সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত মোৰ দায়িত্বত থকা সকলোবোৰ কাম মই সঠিকভাৱে নিষ্ঠাৰে কৰিবলৈ যত্ন কৰিলো। সকলো দাদা বাইদেউ, বন্ধু-বান্ধৱী, ভাইটি-ভন্টিৰ উৎসাহ-উদ্দীপনাৰে প্ৰতিযোগিতাত ভাগ লৈছিল। অৱশ্যে মোৰ কাৰ্যকালত দায়িত্ব পালনৰ কিমান দূৰ সফলতা লাভ কৰিব পাৰিলো সেয়া বিচাৰ কৰাৰ দায়িত্ব আপোনালোকৰ হাতত অৰ্পণ কৰিছো।

**কৃতজ্ঞতা স্বীকাৰ ঃ-**

মোৰ কাৰ্যকতাৰ প্ৰতিটো মুহূৰ্ত্তত সহায়ৰ হাত আগবঢ়োৱা পৰামৰ্শদাতা ক্ৰীড়া বিভাগৰ তত্বাৱধায়ক ড° কাঞ্চন গগৈ ছাৰলৈ মোৰ ফালৰ পৰা অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মোক বিশেষ সহায়ৰ হাত আগবঢ়োৱা মৌচম, মৃণাল, জয়, পিংকুলৈ মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

**ক্ষমা প্ৰাৰ্থনা ঃ-**

সমাজৰ স্বাৰ্থৰ হকে কাম কৰি মই ভাল পাওঁ। সমাজৰ সকলো কামতে দায়বদ্ধ থাকি কাম কৰি অহাৰ দৰে নিজৰ সাধ্যানুসাৰে মহাবিদ্যালয়খনিৰ উন্নতিৰ হকে কাম কৰি যাবলৈ কেতিয়াও অৱহেলা কৰা নাছিলো। তথাপি মোৰ কৰ্মৰত অৱস্থাত হৈ যোৱা অনিশ্চাকৃত ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা মাগিছো।

সদৌ শেষত ঢকুৱাখনা মহাবিদ্যালয়ে যাতে সুদীৰ্ঘ বছৰবোৰৰ দৰে অনাগত সময়তো নিৰবচ্ছিন্ন পদ্ধতিৰে জ্ঞান, শিক্ষাৰ পোহৰেৰে আলোকিত হৈ থাকে আজিৰ এই পবিত্ৰ ক্ষণত তাকেই কামনা কৰিলো। ঢকুৱাখনা মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰে উন্নতিৰ হকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰি শিক্ষাগুৰু সমন্বিতে ছাত্ৰ-ছাত্ৰীলৈ প্ৰণাম, শ্ৰদ্ধা, স্নেহ আৰু আন্তৰিক ধন্যবাদ জনাই মোৰ প্ৰতিবেদন সামৰিছোঁ।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়"
"জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ-একতা সভা"

— পংকজ বৰুৱা

## ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল মহান ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছো, যিসকলৰ অসীম কষ্ট আৰু ত্যাগৰ ফলত প্ৰতিষ্ঠা হৈছিল চাৰিকড়ীয়া নৈৰ পাৰত গৌৰৱোজ্বল সোণালী জয়ন্তী অতিক্ৰম কৰা এই ঢকুৱাখনা মহাবিদ্যালয়খনি।

ঢকুৱাখনা মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ পদত নিৰ্বাচিত হৈ গুৰু দায়িত্ব পালন কৰিবলৈ সুবিধা পালো। সেয়েহে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰস্তাৱক শ্ৰীমতী দেৱাশ্ৰী চুতীয়া আৰু সমৰ্থক শ্ৰীমতী কৃষ্ণা দলেলৈ অশেষ ধন্যবাদ জনাইছো।

**কাৰ্যভাৰ গ্ৰহণ ঃ-** ২০১৭ বৰ্ষৰ ছেপ্তেম্বৰ মাহত অনুষ্ঠিত হোৱা মহাবিদ্যালয়ৰ এই ছাত্ৰ-একতা সভাৰ শপত গ্ৰহণ অনুষ্ঠানত ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানটিৰ সুস্থ শৈক্ষিক পৰিৱেশ বৰ্তাই ৰখাত আৰু মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি সাধন কৰিবলৈ দৃঢ় সংকল্পবদ্ধ হৈছিলো।

**কাৰ্যকালৰ খতিয়ান ঃ-** কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই মহাবিদ্যালয় সপ্তাহ আৰম্ভ হোৱাত মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি ছাত্ৰী জিৰণি কোঠাৰ খেলসমূহৰ প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে চলাই নিবলৈ আপ্ৰাণ চেষ্টা কৰিছিলো। এই প্ৰতিযোগিতাসমূহত ছাত্ৰীসকলৰ যথেষ্ট সহায় সহযোগিতা পোৱা গৈছিল। মহাবিদ্যালয় সপ্তাহ সুকলমে হৈ যোৱাৰ পাছত মহাবিদ্যালয়ত অনুষ্ঠিত হৈ থকা প্ৰতিটো অনুষ্ঠান যেনে শ্ৰীশ্ৰী সৰস্বতী পূজা, নৱাগত আদৰণি সভা ইত্যাদি অনুষ্ঠানবোৰত মোৰ ফালৰ পৰা কৰিব লগা কামবোৰ কৰাৰ উপৰিও সাধাৰণ সম্পাদকৰ লগতে সকলো বিভাগৰ সম্পাদকৰ কাৰ্যসূচী চলাই নিয়াত যিমান পাৰো সহায় কৰি দিছিলো।

**কৃতজ্ঞতা স্বীকাৰ ঃ-** মোৰ কাৰ্যকালৰ প্ৰতিটো দিশতে সহায়-সহযোগিতা আগবঢ়োৱা মোৰ বিভাগীয় তত্ত্বাৱধায়ক মহোদয়া শ্ৰীযুক্তা গীতাৰ্থী বৰগোহাঁই বাইদেউলৈ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনোৱাৰ লগতে মোৰ এই এবছৰীয়া কাৰ্যকালত সহায়ৰ হাত আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ আৰু লগতে মোৰ দাদা-বাইদেউ, বন্ধু-বান্ধৱী, ভাইটি-ভন্টি সকললৈ মোৰ ফালৰ পৰা অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে হোৱা ভুলৰ বাবে মহাবিদ্যালয়সমূহৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীবৃন্দৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো। লগতে সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা এই ঐতিহ্যমণ্ডিত ঢকুৱাখনা মহাবিদ্যালয়ৰ উন্নতি আৰু দীৰ্ঘায়ু কামনাৰে মোৰ প্ৰতিবেদন সামৰিছোঁ।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়"
"জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ-একতা সভা"

— স্নিগ্ধাৰাণী শৰ্মা



## ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাকমূহুৰ্তত সেইসকল মহান মানৱক আন্তৰিক কৃতজ্ঞতা আৰু সশ্ৰদ্ধাৰে সুঁৱৰিছো, যি সকলৰ মহান চিন্তা আপ্ৰান চেষ্টাৰ ফলত ঢকুৱাখনা মহাবিদ্যালয় নামৰ এই শিক্ষাৰ মন্দিৰটোৱে প্ৰাণ পাই সোণালী জয়ন্তীবৰ্ষ অতিক্ৰম কৰি ৫১ বছৰত ভৰি দিলেহি। চাৰিকড়ীয়া নদীৰ পাৰত অৱস্থিত এই শিক্ষানুষ্ঠান হৈছে ঢকুৱাখনা তথা ওচৰ-পাজৰৰ শিক্ষাৰ ক্ষেত্ৰত অতি অগ্ৰণী শিক্ষানুষ্ঠান তথা উচ্চ শিক্ষাৰ প্ৰাণ কেন্দ্ৰ। প্ৰতিস্থাৰে পাৰ ঢকুৱাখনা মহাবিদ্যালয়ে শিক্ষাৰ জ্যোতিৰে নিজকে উদভাসিত কৰাৰ লগতে সুনাম কঢ়িয়াই আনি ঢকুৱাখনা অঞ্চললৈ গৌৰৱ, মৰ্যদা যাচিবলৈ সক্ষম হৈছে।

ঢকুাৱখনা মহাবিদ্যালয় ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদক হিচাপে ২০১৭ চনৰ ১৯ ছেপ্তেম্বৰ দায়িয়ত্ব লাভ কৰিছিলো। মহাবিদ্যালয়ত ছাত্ৰ-জিৰণি কোঠাৰ স্থায়ী আৱাস গৃহৰ অভাৱ যদিও অন্যান্য সকলো দিশত পূৰ্বৰে পৰা ছাত্ৰ-জিৰণি কোঠাৰ সকলো কাৰ্য সমাপন কৰা হৈছিল। তদুপৰি ছাত্ৰ-একতা সভাৰ তৰফৰ পৰা বিভিন্ন কাৰ্য যেনে - প্লাষ্টিক মুক্ত, ধপাত মুক্ত, স্বচ্চতা মুখৰ পৰিৱেশ, গঢ়ি তোলাৰ ওপৰত যিমান সম্ভৱ তাৰ ব্যৱস্থা লোৱাৰ চেষ্টা কৰা হৈছিল। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ NSS গোটৰ সক্ৰিয়তাক স্বীকাৰ কৰিব লাগিব। ইয়াৰ মাজৰে শৈক্ষিক দিশৰ উপৰিও সাহিত্য, সাংস্কৃতিক, শাৰীৰিক, বৌদ্ধিক আদি দিশত প্ৰতিভা বিকাশৰ বাবে বহুতো অনুষ্ঠান হাতত লোৱা হৈছিল। তাৰ ভিতৰত ৫২ সংখ্যক মহাবিদ্যালয় সপ্তাহ উল্লেখযোগ্য।

**মহাবিদ্যালয় সপ্তাহ ঃ-** প্ৰতি বছৰৰ দৰেই এই বছৰো ছাত্ৰ জিৰণি কোঠাৰ দায়িত্বত থকা খেলসমূহ যেনে কেৰম, বেডমিন্টন, দবা, লুডু ইত্যাদি খেল সমূহ অনুষ্ঠিত কৰা হয়। পূৰ্বৰ তুলনাত মহাবিদ্যালয়ৰ ছাত্ৰ সকলৰ অত্যাধিক অংশগ্ৰহনে আমাক বাৰুকৈয়ে উৎফুল্লিত কৰিলে আৰু দায়িত্বভাৰ পালনৰ অনুপ্ৰেৰণা যোগালে। মোৰ দৃষ্টিৰে সকলোৰে সহায় সহযোগিতাত কাৰ্যভাৰ চলাবলৈ সক্ষম হৈছো বুলি ভাবো, অৱশ্যে এই দায়িত্বভাৰ পালনত কিমান দূৰ সফল হ'লোসেয়া মহাবিদ্যালয়ৰ পৰিয়ালৰ বিচাৰ্য বিষয়। তদুপৰি নতুনকৈ সংযোজিত হোৱা প্ৰতিযোগিতা ফেশ্বন শ্বয়ে যথেষ্ট সমাদৰ লাভ কৰা পৰিলক্ষিত হয়।

**কৃতজ্ঞতা স্বীকাৰ ঃ-** এবছৰীয়া কাৰ্যকালত সকলোদিশৰে অভিভাকৰূপে মোৰ কাষত থাকি প্ৰতিটো বিষয়ত সঠিক নিৰ্দেশনাৰে সহায়ৰ হাত আগবঢ়োৱা তত্বৱধায়ক শ্ৰদ্ধাৰ ধ্ৰুৱজ্যোতি গগৈ ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। তাৰোপৰি শ্ৰদ্ধাৰ শিক্ষাগুৰু জয় বিকাশ গগৈ ছাৰকে প্ৰমুখ্য কৰি টবেন্দ্ৰ দাস ছাৰ, ড° কঞ্চন গগৈ ছাৰ, যামিনী কুমাৰ শইকীয়া ছাৰ, ড° সত্যৰঞ্জন নেওগ ছাৰ, মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° বিৰেন্দৰ পাল ছাৰলৈ অশেষ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

প্ৰতিটো ক্ষেত্ৰতে মোক সহায় কৰা সহপাৰ্থী হৰ্ষ প্ৰতীম বৰা, জয় পেগু, মনোৰঞ্জন বৰা, দেৱকৃষ্ণ শৰ্মা, বিজিত লাহন, মৌচম, পাৰ্থ এইসকলৰ ওচৰত কৃতজ্ঞ হৈ ৰলো।

শেষত ঢকুাৱখনা মহাবিদ্যালয়ে চিৰকাললৈ ইয়াৰ গুণ, গৰিমা বৃদ্ধিৰে অঞ্চলবোৰ লগতে সকলোৰে সৌষ্ঠৱ বৃদ্ধিৰ লগতে মহাবিদ্যালয়খনে সৰ্বাংগীন উন্নতি লাভ কৰক ইয়াকে কামনা কৰিছোঁ।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়"
"জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা"

— বৰ্ণম দত্ত

# সমাজসেৱা সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই মহান ব্যক্তিসকলক শ্ৰদ্ধাৰে সোঁৱৰিছো, যিসকলৰ অসীম কষ্ট আৰু ত্যাগৰ ফলত প্ৰতিষ্ঠা হৈছিল চাৰিকড়ীয়া নৈৰ পাৰত সকলোৰে মৰমৰ এই ঢকুৱাখনা মহাবিদ্যালখনি।

ঢকুৱাখনা মহাবিদ্যালয়ৰ ২০১৭-২০১৮ বৰ্ষৰ ছাত্ৰ একতা সভা সাধাৰণ নিৰ্বাচনৰ দ্বাৰা সমাজ সেৱা বিভাগৰ সম্পাদৰ পদত নিৰ্বাচিত হৈ গুৰু দায়িত্ব পালন কৰিবলৈ সুবিধা পালো। সেয়েহে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰস্তাৱক শ্ৰী লক্ষ্যজিৎ বৰুৱা আৰু সমৰ্থক শ্ৰী প্ৰদীপজ্যোতি খনিকৰলৈ ধন্যবাদ জনাইছোঁ।

**কাৰ্যভাৰ গ্ৰহণ** ঃ- ২০১৭ বৰ্ষৰ ছেপ্তেম্বৰ মাহত অনুষ্ঠিত হোৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ শপত গ্ৰহণ অনুষ্ঠানত এই ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানটিৰ সুস্থ শৈক্ষিক পৰিৱেশ বৰ্তাই ৰখাত আৰু মহাবিদ্যালয়ৰ সবাংগীন উন্নতি সাধন কৰিবলৈ দৃঢ় সংকল্পবদ্ধ হৈছিলো।

**কাৰ্যকালৰ খতিয়ান** ঃ- কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই মহাবিদ্যালয় সপ্তাহ আৰম্ভ হোৱাত মহাবিদ্যালয়ৰ চৌহদটোৰ লগতে শ্বহীদ বেদী, স্মৃতিসোধ, প্ৰস্ৰাৱগাৰ আদি পৰিষ্কাৰ কৰিছিলো। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি এখনি চাফাই প্ৰতিযোগিতা পাতিছিলো। প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল। মহাবিদ্যালয় সপ্তাহ সুকলমে হৈ যোৱাৰ পাছত মহাবিদ্যালয়ত অনুষ্ঠিত হৈ থকা প্ৰতিটো অনুষ্ঠান যেনে - শ্ৰীশ্ৰী সৰস্বতী পূজা, নৱাগত আদৰণি সভা ইত্যাদি অনুষ্ঠানবোৰত মোৰ ফালৰ পৰা কৰিব লগা কামবোৰ কৰাৰ উপৰিও সাধাৰণ সম্পাদকৰ লগতে সকলো বিভাগৰ সম্পাদকৰ কাৰ্যসূচী চলাই নিয়াত যিমান পাৰো সহায় কৰি দিছিলো।

প্ৰতিবেদনৰ শেষত মই মোৰ অতি শ্ৰদ্ধাৰ শিক্ষাগুৰু সমাজসেৱা বিভাগৰ তত্বাবধায়ক শ্ৰীযুত টবেন্দ্ৰ নাথ দাস ছাৰলৈ অশেষ কৃতজ্ঞতা জনোৱাৰ লগতে মোৰ এই এবছৰীয়া কাৰ্যকালত সহায়ৰ হাত আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ কৰ্মচাৰী - নিপেন খুড়া, ঘটি খুড়া আৰু লগতে মোৰ দাদা-বাইদেউ, বন্ধু-বান্ধৱী, ভাইটি-ভন্টী (পৰিণীতা, বৰ্ণম, দেৱকৃষ্ণ, প্ৰতিমা, বিনোদ, স্নিগ্ধা, শেৱালি, নিশান্ত, নয়ন) সকলোলৈকে মোৰ ফালৰ পৰা অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ এই বছৰেকীয়া কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচৰাৰ লগতে সদৌ শেষত পঞ্চাচটা বছৰ অতিক্ৰম কৰা এই ঐতিহ্যমণ্ডিত ঢকুৱাখনা মহাবিদ্যালয়ৰ উন্নতি আৰু দীৰ্ঘায়ু হোৱাৰ কামনাৰে মই প্ৰতিবেদন সামৰিলোঁ।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়"
"জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা"

— কৃষ্ণমাধৱ বড়া



# ৫২ সংখ্যক মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফলসমূহ

## ।। সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাসমূহৰ ফলাফল ।।

**১) বৰগীত ঃ**
প্ৰথম ঃ লক্ষ্যজ্যোতি বৰুৱা
দ্বিতীয় ঃ শ্যামশ্ৰী গগৈ
তৃতীয় ঃ পদ্ম কুমাৰ বড়া

**২) জ্যোতি সংগীত ঃ**
প্ৰথম ঃ লক্ষ্যজ্যোতি বৰুৱা
দ্বিতীয় ঃ পদ্ম কুমাৰ বড়া
তৃতীয় ঃ লভিতা দেৱী

**৩) ৰাভা সংগীত ঃ**
প্ৰথম ঃ উইনী কোঁৱৰ
দ্বিতীয় ঃ লক্ষ্যজ্যোতি বৰুৱা
তৃতীয় ঃ শ্যামশ্ৰী গগৈ

**৪) জ্যোতি সংগীত ঃ**
প্ৰথম ঃ লক্ষ্যজ্যোতি বৰুৱা
দ্বিতীয় ঃ উইনী কোঁৱৰ
তৃতীয় ঃ জ্যোতিৰেখা চুতীয়া

**৫) আধুনীক গীত ঃ**
প্ৰথম ঃ লক্ষ্যজ্যোতি বৰুৱা
দ্বিতীয় ঃ উইনী কোঁৱৰ
তৃতীয় ঃ শ্যামশ্ৰী গগৈ

**৬) ভূপেন্দ্ৰ সংগীত ঃ**
প্ৰথম ঃ লক্ষ্যজ্যোতি বৰুৱা
দ্বিতীয় ঃ উইনী কোঁৱৰ
তৃতীয় ঃ অনামিকা বড়া

**৭) পাৰ্বত্তী প্ৰসাদৰ গীত ঃ**
প্ৰথম ঃ লক্ষ্যজ্যোতি বৰুৱা
দ্বিতীয় ঃ উইনী কোঁৱৰ
তৃতীয় ঃ পদ্ম কুমাৰ বড়া
ঃ জ্যোতিৰেখা চুতীয়া

**৮) ভেশচন ঃ**
প্ৰথম ঃ **শ্ৰৱন কুমাৰ**
**(Group of H.S. 1st Year)**
(১) ৰবী দাস
(২) প্ৰস্তুতি দাস
(৩) পৰী দত্ত
দ্বিতীয় ঃ **বিহু দল (Group of Pol Sc. Dept.)**
(১) মৃণালী গোঁহাই
(২) ৰিমি দুৱৰা
(৩) দিবাকৰ শৰ্মা
(৪) বেদান্ত জিৎ হাজৰিকা
(৫) এৰিনা চুতীয়া
(৬) ভাস্কৰ দত্ত
ঃ **হোটেল আহকনা এবাৰ**
(১) থানেশ্বৰ নাথ
(২) স্বাগত দাস
(৩) ৰঞ্জিত দত্ত
তৃতীয় ঃ **বাগানীয়া ছোৱালী**
**(Dept. of Zoology)**
(১) পপীমণি বড়া

**৯) আধুনিক নৃত্য ঃ**
প্ৰথম ঃ অৰিষ জ্যোতি বৰা
দ্বিতীয় ঃ প্ৰণৱজ্যোতি বৰুৱা, লক্ষ্যজ্যোতি বৰুৱা
তৃতীয় ঃ থানেশ্বৰ পাংগিং

**১০) ধ্ৰুপদী নৃত্য ঃ**
প্ৰথম ঃ লক্ষ্যজ্যোতি বৰুৱা
দ্বিতীয় ঃ পৰী দত্ত

**৯) বিহু নৃত্য ঃ**
ক) বিহুৱা ঃ মৃগাংক দত্ত
খ) বিহুৱতী ঃ
প্ৰথম ঃ স্বাধীনা বৰুৱা
দ্বিতীয় ঃ লক্ষী বৰুৱা
তৃতীয় ঃ মনালিছা চমুৱা

# সাহিত্য শাখাৰ বিভিন্ন প্ৰতিযোগিতাসমূহ ফলাফল

(ক) স্ব-ৰচিত কবিতা আবৃত্তি ঃ
প্ৰথম ঃ বিজিত লাহন
দ্বিতীয় ঃ বিনোদ দাস
তৃতীয় ঃ অম্বৰীশ গগৈ

(খ) ইংৰাজী বাতৰি পঠন ঃ
প্ৰথম ঃ বিজিত লাহন
দ্বিতীয় ঃ জুইচি পাতিৰ
তৃতীয় ঃ প্ৰিয়ংকা বৰুৱা

(খ) অসমীয়া কবিতা আবৃত্তি ঃ
প্ৰথম ঃ পূৰবী বুঢ়াগোঁহাই
দ্বিতীয় ঃ মৃনালী গোঁহাই
ঃ অম্বৰীশ গগৈ
তৃতীয় ঃ বেদান্তজিৎ হাজৰিকা

(গ) ইংৰাজী কবিতা আবৃত্তি ঃ
প্ৰথম ঃ বিজিত লাহন
দ্বিতীয় ঃ জুইচি পাতিৰ
তৃতীয় ঃ পাৰ্থপ্ৰতিম বৰুৱা

(ঘ) অসমীয়া বাতৰি পঠন ঃ
প্ৰথম ঃ প্ৰিয়ংকা বৰুৱা
দ্বিতীয় ঃ পাৰ্থপ্ৰতিম বৰুৱা
তৃতীয় ঃ মৃনালী গোঁহাই
ঃ কৃষ্ণ মাধৱ বৰা
ঃ অনিল দাস

(ঙ) ইংৰাজী বাতৰি পঠন ঃ
প্ৰথম ঃ বিজিত লাহন
দ্বিতীয় ঃ জুইচি পাতিৰ
তৃতীয় ঃ প্ৰিয়ংকা বৰুৱা

(চ) ঠাইতে লেখা কবিতা ঃ
প্ৰথম ঃ মমী দত্ত
দ্বিতীয় ঃ সংগীতা চিৰিং
তৃতীয় ঃ শিখামনি দাস

(ছ) ঠাইতে লেখা চুটি গল্প ঃ
প্ৰথম ঃ অনিল দাস
দ্বিতীয় ঃ সংগীতা চিৰিং
তৃতীয় ঃ প্ৰণৱ বৰুৱা
ঃ বিজিত লাহন

(জ) ঘৰতে লেখা চুটি গল্প ঃ
প্ৰথম ঃ মমী দত্ত
দ্বিতীয় ঃ বৰষা চুতীয়া

(ঝ) চিত্ৰাংকন প্ৰতিযোগিতা ঃ
প্ৰথম ঃ দেবাশিষ খনিকৰ
দ্বিতীয় ঃ প্ৰিয়া হাজৰিকা
তৃতীয় ঃ গকুল গগৈ

(ঞ) বেটুপাত অংকন ঃ
প্ৰথম ঃ নিচুকনি বঁটা - প্ৰণৱজ্যোতি বৰুৱা

(ট) প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা ঃ
প্ৰথম ঃ "ৰসায়ন" (Dept. of Chemistry)
দ্বিতীয় ঃ "শব্দশিল্প" (Dept. of Assamese)
তৃতীয় ঃ "Anthropos" (Dept. of Anthropology)
ঃ "অজবিথী" (Girls Hostel)
ঃ "অংকুৰন" (Dept. of Sociology)

শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী- বিজিত লাহন
(ইংৰাজী বিভাগ)



# ক্ৰীড়া শাখাৰ প্ৰতিযোগিতাসমূহৰ ফলাফল

**A. Foot ball :**
Winner : Dept. of Mathematics
Runners up : Dept. of Political Science

**B. Volley ball :**
Winner : Dept. of Physics
Runners up : Dept. of Sociology

**C. Cricket :**
Winner : Dept. of Chemistry
Runners up : Dept. of Mathematics

**D. Kabaddi (Boys) :**
Winner : H.S. 1st Year, Science
Runners up : Dept. of Chemistry

**E. Kabaddi (Girls) :**
Winner : Dept. of Pol Science
Runners up : Girls Hostel

**100 meters (Boys)**
1st : Binud Das
2nd : Biplobjyoti Gogoi
3rd : Charanjyoti Das
: Prakash Pegu

**100 meters (Girls)**
1st : Binita Payeng
2nd : Boby Das
3rd : Nibha Pegu

**200 meters (Boys)**
1st : Binud Das
2nd : Kapil Pegu
3rd : Ajoy Pegu
: Bhakta Doley

**200 meters (Girls)**
1st : Lakhi Baruah
2nd : Binita Payeng
3rd : Mina Gogoi

**400 meters (Boys)**
1st : Bhakta Doley
2nd : Prakash Pegu
3rd : Mridul Saikia

**400 meters (Girls)**
1st : Boby Das
2nd : Prastuti Das

**1600 meters (Boys)**
1st : Biplabjyoti Gogoi
2nd : Binud Das
3rd : Kapil Pegu

**1600 meters (Girls)**
1st : Boby Das
2nd : Juli Baruah
3rd : Prastuti Das

**Marathan Race**
1st : Mriganka Dutta
2nd : Biplabjyoti Gogoi
3rd : Pranjal Chutia

**Long Jump (Boys)**
1st : Ramen Mili
2nd : Kapil Pegu
3rd : Nilakanta Dutta

**Long Jump (Girls)**
1st : Banashree Gohain
2nd : Risha Borpatra
3rd : Anuska Doley

**High Jump (Boys)**
1st : Kapil Pegu
2nd : Nilakanta Doley
3rd : Bhakta Doley

**High Jump (Girls)**
1st : Binita Payeng
2nd : Anuska Doley
3rd : Trina Das

**Javelin Throw (Boys)**
1st : Priyanshu Doley
2nd : Nabajyoti Pegu
3rd : Pranab Baruah

**Javelin Throw (Girls)**
1st : Sarujini Mili
2nd : Sikhamoni Das

**Discus Throw (Boys)**
1st : Priyadeep Doley
2nd : Nayan Pegu
3rd : Parikshit Senapati

**Discus Throw (Girls)**

1st : Priyanka Mili
2nd : Pinki Phukan
3rd : Monalisha

**Shot Put (Boys)**

1st : Manashjyoti Saikia
2nd : Abhijit Bora
3rd : Pradeep Doley

**Shot Put (Girls)**

1st : Gayatri Gohain
2nd : Pinki Phukan
3rd : Sneha Mili

**March Past**

1st : Dept. of Chemistry
: Dept. of Political Science
2nd : Dept. of Anthropology
3rd : H.S. 1st Year (Arts)

**Football team**

**Winner (Dept. of Mathematics)**

1. Sachin Pegu
2. Jintu Dihingia
3. Nayan Pegu
4. Priyadeep Pegu
5. Mani Kt. Doley
6. Metom Pegu
7. Dhiren Pegu
8. Kapil Pegu
9. Nalson Pegu
10. Kauchik Dutta
11. Dipankar Das
12. Mrinal Doley
13. Migom Pegu
14. Sankar Jyoti Bhuyan
15. Bhairab Patra
16. Narajyoti Pegu

**Runners up (Dept. of Political Science)**

1. Moucham Buragohain
2. Jugashri D. Phukan
3. Champak Saikia
4. Hiren Pegu
5. Bhakta Doley
6. Bhabesh Medok
7. Greatbritein Doley
8. Debananda Konch
9. Bitupan Chetia
10. Biren Pegu
11. Devojit Doley
12. Akash Doley
13. Tinku Gogoi
14. P. Gogoi
15. Harsha Pratim Borah

**Criket**

**Winner (Dept. of Chemistry)**

1. Suchil Konch
2. Lilenjit Chutia
3. Prakash Pegu (C)
4. Saurav Saikia
5. Gyanjyoti Lamuboruah
6. Manash Pratim Saikia
7. Girin Baruah
8. Anal Chutia
9. Khagen Baruah
10. Paragjyoti Borah
11. Anupam Hazarika
12. Jayanta Sarmah
13. Debashish Khanikar
14. Dibyajyoti Baruah
15. Manash Jyoti Baruah

**Runners (Dept. of Mathematics)**

1. Jintu Dihingia
2. Mahendra Chutia
3. Sachin Pegu
4. Dipankar Das
5. Kapil Pegu
6. Nalson Pegu
7. Nayan Pegu
8. Nabajyoti Pegu
9. Mrinal Doley
10. Dulendra Patir
11. Romen Mili
12. Kaushik Dutta
13. Migom Pegu
14. Sankarjyoti Bhuyan
15. Rompi Patir

**Best Player**

Man of the Seris (Cricket) : **Jintu Dihingia**
Man of the Match (Cricket, Final) : **Lilenjit Chutia**
Best Goal Scorer (Football) : **Sachin Pegu**
Best Player (Voley ball) : **Nilakanta Doley**
Best Athlete (Boys) : **Kapil Pegu**



## ছাত্ৰ জিৰণি কোঠাৰ বিভিন্ন প্ৰতিযোগিতাসমূহৰ ফলাফল

1. **Carrom (Single) :**
Winner : Sri Lakhyajit Das
Runners Up : Sri Jintu Dihingia

**Carrom (Double) :**
Winner : Manuranjan Borah
: Hilal Raj Koushik
Runners up: Chandan Prasad Hazarika
: Subham Dutta

2. **Badminton (Single) :**
Winner : Jugashree Deudhai Phukan
Runners up: Nirupam Buragohain

**Badminton (Double) :**
Winner : Jugashree Deudhai Phukan
: Hillul Raj Koushik Phukan
Runners up: Nirupom Buragohain
: Rupjyoti Borborah

3. **Chess :**
Wineer : Manuranjan Borah
Runners up: Mital Pegu

4. **Lodo :**
Winner : Tajupom Dutta
Runners up: Pranjal Doley

5. **Boy's Fashion Show :**
Winner : 1st - Ambarish Gogoi
: 2nd-Jugashree Deudhai Phukan

6. **Best Boy's Common Room Prize :**
: Jugashree Deudhai Phukan

## ছাত্ৰী জিৰণি কোঠাৰ বিভিন্ন প্ৰতিযোগিতাসমূহৰ ফলাফল

1. **Carrom (Single) :**
Champion : Kakoli Dutta
Runners up : Goriyashi Gogoi

2. **Carrom (Double) :**
Champion : Trina Das
Champion : Boby Das

3. **Ludu (Single)**
Champion : Momi Dutta
Runners up : Barsha Chutia

4. **Ludu (Double)**
Champion : Prathelika Gogoi
Champion : Nijara Gogoi

5. **Ring (Single)**
Champion : Mrinalee Gohain
Runners up : Kripani Chutia

6. **Doba (Single)**
Champion : Surashri Chutia
Runners up : Arina Chutia

7. **Badminton (Single)**
Champion : Pinki Phukan
Runners up : Purnima Dutta

8. **Traditional Dress Compitition**
Champion : Parthona Chutia
Runners up : Sngidharani Sarmah

# ঢকুৰাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদকসকল

| | |
|---|---|
| ১৯৬৮-৬৯ | চন্দ্ৰ বৰা |
| ১৯৬৯-৭০ | নীলমণি দত্ত বৰুৱা |
| ১৯৭০-৭১ | সদা দত্ত |
| ১৯৭১-৭২ | তৰুণ দত্ত |
| ১৯৭২-৭৩ | যতীন বৰুৱা |
| ১৯৭৩-৭৪ | জ্ঞানকুমাৰ দেৱগোস্বামী |
| ১৯৭৪-৭৫ | গোলোক ফুকন |
| ১৯৭৫-৭৬ | টংকেশ্বৰ গগৈ |
| ১৯৭৬-৭৭ | ৰবীন মিলি |
| ১৯৭৭-৭৮ | টংকেশ্বৰ গোহাঁই |
| ১৯৭৮-৭৯ | বিমল লাহন |
| ১৯৭০-৮০ | পূৰ্ণানন্দ চুতীয়া |
| ১৯৮০-৮১ | পূৰ্ণানন্দ চুতীয়া |
| ১৯৮১-৮২ | চন্দ্ৰকমল বৰা |
| ১৯৮২-৮৩ | ভৰত বৰুৱা |
| ১৯৮৩-৮৪ | পদ্মধৰ চায়েঙীয়া |
| ১৯৮৪-৮৫ | গোলোক হাজৰিকা |
| ১৯৮৫-৮৬ | অনিল কুমাৰ গগৈ |
| ১৯৮৬-৮৭ | সুভাষ গগৈ |
| ১৯৮৭-৮৮ | ৰমেশ চমুৱা |
| ১৯৮৮-৮৯ | অনুপ কুমাৰ গগৈ |
| ১৯৮৯-৯০ | অতুল চুতীয়া |
| ১৯৯০-৯১ | উমা গগৈ |
| ১৯৯১-৯২ | ৰমেশ পেগু |
| ১৯৯২-৯৩ | হোমেন বুঢ়াগোহাঁই |
| ১৯৯৩-৯৪ | হৰেণ বৰুৱা |
| ১৯৯৪-৯৫ | নিতুল বৰা |
| ১৯৯৫-৯৬ | ৰঞ্জিত সন্দিকৈ |
| ১৯৯৬-৯৭ | ৰাজেন্দ্ৰ গগৈ |
| ১৯৯৭-৯৮ | পুলক চুতীয়া |
| ১৯৯৮-১৯৯৯ | সত্যনাৰায়ন বৰুৱা |
| ১৯৯৯-২০০০ | অৰুণ চমুৱা |
| ২০০০-০১ | ৰঞ্জিত গগৈ |
| ২০০১-০২ | অংকুৰজ্যোতি ফুকন |
| ২০০২-০৩ | হৰিচন্দ্ৰ চুতীয়া |
| ২০০৩-০৪ | জিতেন মিলি |
| ২০০৪-০৫ | অংকুৰ বৰুৱা |
| ২০০৫-০৬ | ঘনশ্যাম গগৈ |
| ২০০৬-০৭ | নিতন বৰগোহাঁই |
| ২০০৭-০৮ | যতীন বৰুৱা |
| ২০০৮-০৯ | সমুজ্জ্বল চেতিয়া |
| ২০০৯-১০ | ডিম্পল হাজৰিকা |
| ২০১০-১১ | অমৰজিৎ পেগু |
| ২০১১-১২ | প্ৰণৱজ্যোতি বৰা |
| ২০১২-১৩ | প্ৰাঞ্জল দিহিঙ্গীয়া |
| ২০১৩-১৪ | ভাইটি মিলি |
| ২০১৪-১৫ | বিদ্যুত খনিকৰ |
| ২০১৫-১৬ | মানস জ্যোতি গগৈ |
| ২০১৬-১৭ | ভৰত চন্দ্ৰ দলে |



# ঢকুৰাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন আলোচনী সম্পাদক/সম্পাদিকা

| | |
|---|---|
| ১৯৭১-৭২ | মহুৰাম চমুৱা |
| ১৯৭২-৭৩ | বগেন বৰুৱা |
| ১৯৭৩-৭৫ | মদন চুতীয়া |
| ১৯৭৫-৭৭ | বিষ্ণু বৰবৰা |
| ১৯৭৭-৭৮ | পবিত্ৰ কুমাৰ গগৈ |
| ১৯৭৮-৮৫ | অনন্ত কুমাৰ দত্ত |
| ১৯৮৫-৮৬ | ৰমেন চুতীয়া |
| ১৯৮৬-৮৮ | লক্ষেশ্বৰ সোণোৱাল |
| ১৯৮৮-৮৯ | লোকনাথ সন্দিকৈ |
| ১৯৮৯-৯০ | চিত্ৰকুমাৰ কোঁচ |
| ১৯৯০-৯১ | চেনিৰাম গগৈ |
| ১৯৯১-৯২ | লেখন চুতীয়া |
| ১৯৯২-৯৩ | হেমন্ত কুমাৰ বৰুৱা |
| ১৯৯৩-৯৪ | ডেভিড গগৈ |
| ১৯৯৪-৯৫ | জয়ন্ত মাধৱ বৰুৱা |
| ১৯৯৫-৯৬ | জিতু দত্ত |
| ১৯৯৬-৯৭ | পলাশ কোঁচ |
| ১৯৯৭-৯৮ | জিতেন শইকীয়া |
| ১৯৯৮-৯৯ | পবিত্ৰ কলিতা |
| ১৯৯৯-২০০০ | ধ্ৰুৱজ্যোতি দত্ত |
| ২০০০-০১ | মাধৱ শইকীয়া |
| ২০০১-০২ | অশ্বিনী কুমাৰ পেগু |
| ২০০২-০৩ | মেঘালী দত্ত |
| ২০০৩-০৪ | বশিষ্ঠ দেৱ ফুকন |
| ২০০৪-০৫ | পংকজ শইকীয়া |
| ২০০৫-০৬ | চিৰাজ কুমাৰ সন্দিকৈ |
| ২০০৬-০৭ | দীপেন গগৈ |
| ২০০৭-০৮ | ডেভিদ বড়া |
| ২০০৮-০৯ | গুণকৃষ্ণ কোঁচ |
| ২০০৯-১০ | প্ৰাণজিৎ বড়া |
| ২০১০-১১ | বিজিত খনিকৰ |
| ২০১১-১২ | বিপুল বৰুৱা |
| ২০১২-১৩ | নৱকুমাৰ ভৰালী |
| ২০১৩-১৪ | দিপাংকৰ জ্যোতি দত্ত |
| ২০১৪-১৫ | দিপাংকৰ শইকীয়া |
| ২০১৫-১৬ | বীৰেণ কোঁচ |
| ২০১৬-১৭ | পাৰ্থ প্ৰতীম বৰুৱা |

*Office of the Principal*

# DHAKUAKHANA COLLEGE

**DHAKUAKHANA - 787055**

*(Reaccredited with 'B' grade by NAAC)*

Website : www.dhakuakhanacollege.org
E-mail : principal@dhakuakhanacollege.org

Ph. No. 03752 254734
M. No. 94352 78712

*Ref. No.*

*Date* ..........................

## MERRIT LIST OF DHAKUAKHANA COLLEGE: H.S. FINAL EXAMINATION (ARTS), 2018

| Sl. No. | Name of students | Father's Name & Address | Marks Secured | Division |
|---|---|---|---|---|
| 1 | SRI MANUJ KALITA | Khireswar Kalita, Maj Jalbhari, Dhakuakhana. | 427* | I |
| 2 | MISS RASHMI BORAH | Rupeswar Borah, Khora Elengi, P.O. Mornoi Khora, C/O. Pankaj Borah, Asstt. Prof. DKC | 415* | I |
| 3 | SRI RAKTIM BORAH | Haren Borah, Vill: Jiamoria, Dhakuakhana | 396* | I |
| 4 | SRI PANKAJ KONWAR | Pabitra Konwar, Katharbari, Dhakuakhana | 386* | I |
| 5 | SRI PINKU DUTTA | Siba Dutta, Kalakata, Dhakuakhana | 383* | I |
| 6 | SRI PHIRUJ DOLEY | Ananda Doley, Naharbari, Oguri Dangdhara | 375* | I |

## MERRIT LIST OF DHAKUAKHANA COLLEGE: H.S. FINAL EXAMINATION (SCIENCE), 2018

| Sl. No. | Name of students | Father's Name & Address | Marks Secured | Division |
|---|---|---|---|---|
| 1 | Mr. Ashim Saikia | Khireswar Saikia, Gobindapur | 381* | I |

Principal,
Dhakuakhana College,
Dhakuakhana.




## OFFICE OF THE PRINCIPAL:: DHAKUAKHANA COLLEGE:: DHAKUAKHANA

Result of B.A. 6th Semester, 2018

| Sl. No. | Name | Department | Total Marks Obtained | Percentage | Result | Remarks |
|---|---|---|---|---|---|---|
| 1 | Debashree Konch | ANTM | 860 | 61.43% | I | |
| 2 | Karabika Borah | ANTM | 1021 | 72.93% | I | |
| 3 | Karishma Borpatra Gohain | ANTM | 1025 | 73.21% | I | |
| 4 | Pompi Chutia | ANTM | 956 | 68.29% | I | |
| 5 | Pranab Boruah | ASMM | 862 | 61.57% | I | |
| 6 | Rajib Hazarika | ASMM | 950 | 67.86% | I | |
| 7 | Mayuri Dutta | ASMM | 876 | 52.57% | I | |
| 8 | Munmuni Patir | ASMM | 905 | 64.64% | I | |
| 9 | Mousumi Patir | ASMM | 893 | 63.79% | I | |
| 10 | Priyanka Boruah | ASMM | 972 | 69.43% | I | |
| 11 | Jewal Saikia | ENGM | 846 | 60.43% | I | |
| 12 | Krishnamoni Borah | HISM | 975 | 69.64% | I | |
| 13 | Papari Boruah | HISM | 956 | 68.29% | I | |
| 14 | Pompi Boruah | HISM | 1057 | 75.50% | I (D) | |
| 15 | Bhabesh Medak | PSCM | 875 | 62.50% | I | |
| 16 | Pinki Begam | PSCM | 925 | 66.07% | I | |
| 17 | Shyamal Borpatra | SOCM | 873 | 62.36% | I | |
| 18 | Alina Das | SOCM | 865 | 61.74% | I | |
| 19 | Sumpi Devi | SOCM | 905 | 64.64% | I | |

Principal, Dhakuakhana College

# আশাৰ সেতু, কল্পনাৰ দলং



## ঠাওকতে বগীবিল দলং ঃ

| | |
|---|---|
| আধাৰশিলা | ঃ ২২ জানুৱাৰী, ১৯৯৭, তদানীন্তন প্ৰধান মন্ত্ৰী এইচ.ডি. দেৱগৌড়া। |
| উদ্বোধন | ঃ ২৫ ডিচেম্বৰ, ২০১৮, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী। |
| মুঠ দৈৰ্ঘ | ঃ ৪.৯৪ কিঃমিঃ। |
| মুঠ ব্যয় | ঃ ৫,৯২০ কোটি টকা, প্ৰাৰম্ভিক ব্যয় নিৰ্ধাৰণ ১,৭৬৭ কোটি টকা। |
| পথ | ঃ দ্বৈত (ৰেল আৰু যান-বাহন)। |
| চুপাৰ ষ্ট্ৰাকচাৰ | ঃ ৮০ হাজাৰ টন তীখাৰ ব্যৱহাৰ। |
| প্ৰধান নিৰ্মাণ প্ৰতিষ্ঠান | ঃ মেচাৰ্চ এইচ.চি.চি, ডি.এচ.পি, ডি.এন.আৰ, কন্চ'ৰটিয়াম, গেমন ইণ্ডিয়া লিমিটেড, বি.আই.পি.এল, বি.আই.এল. আদি। |
| নক্সা অংকন | ঃ জ'ন হেনচন (আৰ্কিটেক), ডেনমাৰ্ক। |
| মুখ্য ৰেল্ডাৰ | ঃ হেন্ৰি ফ্ৰেম (বৃটেইন), চাৰ্গে জেক'ভ (ইউক্ৰেইন)। |
| সংযোগ | ঃ উত্তৰ পাৰৰ ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথ আৰু দক্ষিণ পাৰৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথ। |
| আয়ুস কাল | ঃ প্ৰায় ১২০ বছৰ। |
| ভূমিকম্প প্ৰতিৰোধ | ঃ ৭ ৰিখটাৰ স্কেল। |
| দৈৰ্ঘতাৰ জোখত স্থান | ঃ এচিয়াৰ দ্বিতীয় আৰু ভাৰতবৰ্ষৰ দীৰ্ঘতম ৰেল তথা যান-বাহন পথ দলং। |
| অন্য সুবিধা | ঃ যোগাযোগৰ উপৰিও যুদ্ধৰ সময়ত বিমান অৱতৰণৰ সুবিধা। |



# "অন্তৰীক্ষ" সম্পাদনা সমিতি (২০১৭-২০১৮ বৰ্ষ)



বহি (বাওঁফালৰ পৰা) ঃ ৰিংকু হাজৰিকা (উপদেষ্টা), চিত্ৰ কুমাৰ কোঁচ (উপদেষ্টা), ড° অমল চন্দ্ৰ দত্ত (তত্বাৱধায়ক), গীতাৰ্থী বৰগোহাঁই (উপদেষ্টা), ড° বিভাৰাণী দাস, (উপদেষ্টা) পৰিনীতা সূত (উপদেষ্টা),

থিয়হৈ (বাওঁফালৰ পৰা) ঃ অনিল দাস (সদস্য), অপৰাজিতা হাজৰিকা (সদস্যা), পপীপ্ৰিয়া প্ৰিয়দৰ্শনী পাতিৰ (সদস্যা, অনুপস্থিত) পলী দলে (সম্পাদিকা),

# ছাত্ৰ একতা সভা (২০১৭-২০১৮ বৰ্ষ)



বহি (বাওঁফালৰ পৰা) ঃ পলী দলে (সম্পাদিকা, সাহিত্য আৰু আলোচনী), স্নিগ্ধাৰাণী শৰ্মা (সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা) যোগেন চন্দ্ৰ বৰা (সভাপতি), পৰিনীতা সূত (উপসভাপতি), কাকলি দত্ত (সম্পাদিকা, সাংস্কৃতিক বিভাগ)

থিয়হৈ (বাওঁফালৰ পৰা) ঃ কৃষ্ণ মাধৱ বড়া (সম্পাদক, সমাজসেৱা বিভাগ), দেৱকৃষ্ণ শৰ্মা (সহকাৰী সম্পাদক), বৰ্ণম দত্ত (সম্পাদক ছাত্ৰ জিৰণি কোঠা), ভৱেশ শৰ্মা (সাধাৰণ সম্পাদক), অনল চুতীয়া (সম্পাদক, শৰীৰ চৰ্চা বিভাগ) পংকজ বৰুৱা (সম্পাদক, ক্ৰীড়া শাখা)

# ৫২ সংখ্যক মহাবিদ্যালয় সপ্তাহৰ পাৰদৰ্শী একাংশ ছাত্ৰ-ছাত্ৰী



বিজিত লাহন
শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী



লক্ষ্যজ্যোতি বৰুৱা
শ্ৰেষ্ঠ গায়ক আৰু শ্ৰেষ্ঠ অভিনেতা



পূৰবী বুঢ়াগোহাঁই
শ্ৰেষ্ঠ অভিনেত্ৰী



কপিল পেগু
শ্ৰেষ্ঠ খেলুৱৈ



জিন্টু দিহিঙ্গীয়া
মেন অৱ দা ছিৰিজ
(ক্ৰিকেট)



লিলেনজিত চুতীয়া
মেন অৱ দা মেছ
(ফাইনেল ক্ৰিকেট)



শচীন্দ্ৰ পেগু
শ্ৰেষ্ঠ গ'ল দিওতা



নীলকান্ত দলে
শ্ৰেষ্ঠ ভলীবল খেলুৱৈ



যুগশ্ৰী দেওধাই ফুকন
শ্ৰেষ্ঠ ছাত্ৰ জিৰণি কোঠা খেলুৱৈ




## ৫২ সংখ্যক মহাবিদ্যালয় সপ্তাহৰ কেইটিমান মুহূৰ্ত

# প্ৰাচীৰত শিল্প আৰু সাহিত্য

## মহাবিদ্যালয়ৰ বিভাগীয় প্ৰাচীৰ প্ৰত্ৰিকাসমূহ



# মহাবিদ্যালয়ৰ কেইটিমান বিশেষ মুহূৰ্ত্ত



ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নৱ নিযুক্ত উপাচাৰ্য
ৰঞ্জিত কুমাৰ তামুলি দেৱক মহাবিদ্যালয়ৰ পৰিয়ালৰ দ্বাৰা সম্বৰ্ধণা



"উত্তৰণ" - ৰাজ্যিক অসামৰিক সেৱা পৰীক্ষাৰ তিনিমহীয়া
প্ৰাৰম্ভিক প্ৰশিক্ষণ কাৰ্যসূচীৰ আৰম্ভণি অনুষ্ঠান



৫২ সংখ্যক মহাবিদ্যালয় সপ্তাহত ডি. এছ. পি. ড° ৰশ্মিৰেখা শৰ্মা



২০১৮ বৰ্ষৰ লখিমপুৰ জিলা শিশু বিজ্ঞান সমাৰোহত
মহাবিদ্যালয় ছাত্ৰীৰ কোৰাচ্ পৰিবেশন

## ৫২ সংখ্যক মহাবিদ্যালয় সপ্তাহত প্ৰথমবাৰৰ বাবে আয়োজিত মাৰ্চপাষ্ট প্ৰতিযোগিতা



অধ্যক্ষৰ অভিবাদন গ্ৰহণ



ৰসায়ণ বিজ্ঞান বিভাগ (প্ৰথম স্থান)



ৰাজনীতি বিজ্ঞান বিভাগ (প্ৰথম স্থান)



নৃতত্ত্ব বিভাগ (দ্বিতীয় স্থান)



উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ কলা শাখা (তৃতীয় স্থান)



মহাবিদ্যালয়ৰ গ্ৰীনক্লাবৰ চাফাই অভিযান